# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### Vol. I

### No. 3

The 4th March, 1987

PRINTED AT EVEREST PRINTERS, GUWAHATI-781005

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1987

Wednesday, March 4, 1987

The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## BUDGET SESSION

Volume 1. No. 3

Dated, the 4th March 1987

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions | 1 to 38 |
| 2. | Miscellaneous Discussion | 38 to 43 |
| 3. | Leave of Absence | 43 |
| 4. | Announcement from the chair | 44 |
| 5. | Rulling from the chair | 45 to 47 |
| 6. | Debate on Governor's Address | 48 to 87 |
| 7. | Adjournment | 88 |
| 8. | Annexure | 88 to 102 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Wednesday, March 4, 1987

The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

### Question and Answers

( To which oral replies were given )

### বিষয় ঃ ছয়গাওঁ কালাৰদিয়া গড়কাপ্তানী পথ।

শ্ৰীকমলা কলিতাই সুধিছে ঃ

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

*২১। (ক) ছয়গাওঁ কালাৰদিয়া (দিহদিয়াহৈ) গড়কাপ্তানী পথটো কুলসী নৈৰ বানপানীয়ে সম্পূৰ্ণ ধ্বংস কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে ইয়াৰ মেৰামতি কৰি যাতায়তৰ উপযুক্ত কৰিবৰ বাবে কিবা আচঁনি লোৱা হৈছে নেকি ?

(গ) যদি আচঁনি লৈছে, তেন্তে কিমান টকাৰ আৰু কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) হয় জানে, ছয়গাওঁ কালাৰদিয়া (দিহদিয়া হৈ) গড়কাপ্তানী পথটো আংশিক ভাবে ধ্বংস কৰা কথাটো চৰকাৰে জানে।

(খ) এই পথটো মেৰামতি কৰি যাতাযতৰ উপযুক্ত কৰিবৰ কাৰণে প্ৰস্তুত কৰা প্ৰাককলনৰ পৰীক্ষা নিৰীক্ষা কৰা হৈছে।

(গ) কাৰ্যবাহী অভিযন্তাৰ পৰা পোৱা প্ৰাককলনৰ মতে এই আচঁনিত ৩'৫৭ লাখ টকাৰ প্ৰাককলনৰ পৰীক্ষা নিৰীক্ষা সম্পূৰ্ণ হলেই আচঁনিৰ কাম হাতত লোৱাৰ ব্যৱস্থা কৰা হব আৰু বাৰিষাৰ আগে আগে কামটো সম্পূৰ্ণ কৰাৰ আশা কৰা হৈছে।

শ্ৰীকমলা কলিতা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে আচঁনিৰ প্ৰককলন পৰীক্ষা নিৰীক্ষা কৰা হৈছে আৰু বাৰিষাৰ আগে আগে সম্পূৰ্ণ কৰাৰ আশা আছে। যিহেতু যোৱা বাৰিষাৰ সময়ত এই ৰাস্তাটোৰ বিষয়ে অতিৰিক্ত মুখ্য অভিযন্তা, অধীক্ষক অভিযন্তা, কাৰ্যবাহী অভিযন্তা আটাইবিলাকে পৰীক্ষা নিৰীক্ষা কৰাৰ পিছত আজিলৈ কোনো কাম হোৱা নাই। মন্ত্ৰী মহোদয়ে জনাবনে কি যে বাৰিষাৰ আগে আগে মাৰ্চ মাহতে সম্পূৰ্ণ কৰা হব ?

শ্ৰীঅতুল বৰা ( বিভাগীয় মন্ত্ৰী ) —অধ্যক্ষ মহোদয়, আচলতে কামটো যথেষ্ট ডাঙৰ, মই কামটো সোনকালে কৰিবলৈ নিৰ্দেশ মাত্ৰ দিব পাৰো, মই নিজে যেতিয়া তাত নাথাকো মাৰ্চৰ আগতে হব বুলি নোকোৱাটোয়েই ভাল হব।

## বিষয়ঃ জাতি বেতৰ সংৰক্ষণ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

*২২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ—

(ক) দিনে দিনে শেষ হৈ অহা জাতি বেতৰ সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(খ) যদি লৈছে কেনে ধৰণৰ ?

(গ) এই জাতি বেতৰ যিবিলাক খেতিয়ক আছে তেওঁলোকক চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহাৰ্য্য আগবঢ়াই ইয়াক জীয়াই তোলাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ—

(ক) হয়, লোৱা হৈছে।

(খ) বেত হোৱা ঠাইবোৰ যাতে নিঃশেষ হৈ নেযায় তাৰ বাবে ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়।

(গ) (১) বেতৰ মহলৰ ধৰা বন্ধা নিয়ম মতে বেতনীবোৰৰ পৰা পূৰঠ হোৱা বেতবোৰহে সংগ্ৰহ কৰিব পাৰে। এটা মহল তিনিবছৰৰ কাৰণে দিয়া হয় আৰু তাৰ পিছত ইয়াক তিনি বছৰৰ কাৰণে বেতকটা বন্ধ জিৰণী দিয়া হয়।

(২) বেতৰ মহলদাৰে বহুতো ক্ষেত্ৰত এনে নিয়ম নেমানি আহুকাল কৰিব পাৰে বুলি চৰকাৰে বেতৰ মহলবোৰ উঠাই দি বিভাগীয় ভাৱে বেত সংগ্ৰহ কৰাৰ ব্যৱস্থা লৈছে।

## বিষয়ঃ পকী দলং নিৰ্ম্মান।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

*২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ—

(ক) বৰ্ত্তমান অৱস্থাত কাঠৰ দলং সমূহৰ মেৰামতিৰ ব্যয় বহুল খৰচলৈ লক্ষ্য ৰাখি কাঠৰ দলং সমূহ পকী কৰাৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে নেকি ?

(খ) যদি লৈছে তেন্তে বুজন সংখ্যক গধুৰ যান বাহন চলাচল কৰা ডিব্ৰুগড় জিলাৰ লৰুৱা মৌজাৰ চেচুঘাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা প্ৰায় ৭০ মিটাৰো অধিক দৈৰ্ঘ্যৰ দলংখন উক্ত আচঁনিভূক্ত কৰিছেনেকি ?

(গ) যদি কৰিছে চলিত বিত্তীয় বছৰতে উক্ত দলঙৰ কাম আৰম্ভ কৰিব পৰা যাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) সপ্তম পাচবছৰীয়া পৰিকল্পনাৰ অধীনত ভাৰত চৰকাৰৰ পৰা পাবলগীয়া

পুঁজিৰ ওপৰত ভিত্তি কৰি চৰকাৰে কিছুমান কাঠৰ দলং পকীকৰণৰ বাবে আঁচনি হাতত লৈছে।

(খ) লৰুৱা মৌজাৰ চেচুঁঘাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা কাঠৰ দলংখনৰ পকীকৰণৰ কোনো আঁচনি বৰ্ত্তমানলৈ লোৱা হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ গগৈ—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে লৰুৱা মৌজাৰ চেচুঁঘাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা দলঙৰ পকীকৰণৰ কাম বৰ্ত্তমান আঁচনিত নাই। মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে প্ৰত্যেক বছৰে অতি কমেও মেৰামতিত দুই লাখ টকা খৰচ হয়, গতিকে মন্ত্ৰী মহোদয়ে দলং লোৱাৰ কথাটো বিবেচনা কৰিবনেকি ?

শ্ৰীঅতুল বৰা ( বিভাগীয় মন্ত্ৰী )—বিবেচনা কৰা হৈছে আৰু চৰকাৰৰ পৰা পুঁজি পালেই কাম হাতত লোৱা হ'ব।

শ্ৰীদুৰ্গা দাস বড়ো—অধ্যক্ষ মহোদয়, ওদালগুৰি মহকুমাৰ পানেৰীৰ কেইবাখনো কাঠৰ পুল বান্ধিবলৈ লোৱা হৈছে, কিন্তু কেইখনমান দলঙৰ বহল ১৮ ফুট আৰু কেইখনমানৰ বহল ২৪ ফুট কৰা হৈছে। কিয় এনে কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা ( বিভাগীয় মন্ত্ৰী ) অধ্যক্ষ মহোদয়, চিংগোললেন আৰু ডাবোল লেন থাকে, য'ত চিংগেল লেন আছে তাত দলং বহল কৰাৰ অৰ্থ নাই।

শ্ৰীদুৰ্গা দাস বড়ো—অধ্যক্ষ মহোদয়, শুনিবলৈ ভাল হৈছে সৰু ৰাস্তা আৰু ডাঙৰ ৰাস্তাৰ কথা কৈছে। কিন্তু মই কওঁ ৰাস্তা একেটাই, গতিকে ২৪ ফুট আৰু ১৮ ফুট কৰাৰ অৰ্থ কি থাকিব পাৰে ?

শ্ৰীঅতুল বৰা ( বিভাগীয় মন্ত্ৰী )—তেতিয়া হলে পৰীক্ষা কৰি চোৱা হব।

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানে নেকি যে দলং বিলাকৰ দুৰৱস্থাৰ বাবেই যাত্ৰী সকলৰ নিৰাপত্তা নোহোৱা হৈছে। যোৱা জানুৱাৰী মাহত ৰামদিয়াৰ পৰা বৰদোৱালৈ যোৱা যাত্ৰী সকলৰ দুৰ্ভাগ্যজনক ঘটনাৰ কথা নিশ্চয় মন্ত্ৰী মহোদয়ে জানে। সেই ঘটনাত ৫৫ জন তীৰ্থ যাত্ৰীৰ শোকাবহ ভাবে মৃত্যু হয়। এই মৰ্মান্তিক ঘটনাৰ কাৰণে যে নিৰাপত্তাহীন কাঠৰ দলং সমূহে দায়ী এই কথা মন্ত্ৰী মহোদয়ে জানে নেকি ? যদি জানে তেন্তে এইবোৰ মূল ৰাস্তাৰ পৰা চৰকাৰে অনতিপলমে কাঠৰ দলং উঠাই তাৰ ঠাইত পকা দলং কৰাৰ ব্যৱস্থা কৰিবনেকি ?

শ্রীঅতুল বৰা ( বিভাগীয় মন্ত্ৰী ) অধ্যক্ষ ডাঙৰীয়া, সদস্য গৰাকীয়ে যিটো কথা কৈছে ৰামপুৰৰ পৰা যোৱা ৫৫ জন তীৰ্থ যাত্ৰীৰ শোকাবহ আৰু মৰ্মান্তিক মৃত্যুৰ বাতৰি মই জানো। আগৰ অধিবেশনতে মই কৈছিলো যে সকলোবোৰ দলং পকা দলংলৈ ৰূপান্তৰিত কৰা হব কিন্তু ইমান সোনকালে সেইটো সম্ভৱ নহয়। কাৰণ বছৰি প্ৰায় ২৩ বা ২৪ খনহে দলং পকা কৰিব পৰা হয়! অসমত প্ৰায় ৮ হেজাৰ কাঠৰ দলং আছে। সপ্তম পঞ্চবাৰ্ষিকৰ টকাৰে পাঁচ বছৰত মাত্ৰ ২৩ খনমানহে দলং পকা কৰিব পৰা হব। গতিকে, ৮ হেজাৰ দলং কৰিবলৈ কিমান দিন লাগিব সেইটো প্ৰত্যেকৰে অনুমেয় আৰু টকাৰ কথাও আছে। আপোনালোকে এই বিভাগৰ বাবে টকা বেছি লাগে বুলি কওক। কাঠৰ দলঙৰ ওপৰত ৯৷১০ টনৰ অধিক বোজাই যাব নোৱাৰৰ নিয়ম আছে। কিন্তু নিয়ম নামানি ১৮ টনৰ গাড়ীও পাৰ হৈ থাকে। এনেকৈ গধৰ গাড়ী পাৰ হৈ যাব বিচৰাত সৰ্থেবাৰীত এটা দুৰ্ঘটনাও হৈছিল। গতিকে কাঠৰ দলঙৰ অৱস্থা সাংঘাটিক ভাবে সলনি কৰাটো সম্ভৱ নহয়। ইয়াৰ বাবে বহুত দিন লাগিব।

শ্ৰীশান্তিৰঞ্জন দাস গুপ্ত—মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰায় ৮ হাজাৰ কাঠৰ দলং আছে। মই এইটো কথা জানিব বিচাৰিছো যে গড়কাপ্তানী বিভাগৰ পৰা এইটো জৰিপ কৰা হৈছে নেকি যে আৰ চি চি দলং কৰিব নোৱাৰিলেও হিউম পাইপ দি দলং কৰিলে খৰচ বহুত কম পৰে। এনেকুৱা জৰিপ চৰকাৰৰ ফালৰ পৰা কৰা হৈছে নেকি ?

শ্ৰীঅতুল বৰা— ( মঃ গঃ বিঃ ) সকলো বিলাক কাঠৰ দলং হিউম পাইপ দি কালভাৰ্ট কৰিব নোৱাৰি। এইটো কৰিবলৈ গলে যি বিলাক গভীৰ নদী আছে সেই বিলাকত যিমান পৰিমাণৰ পানী যাব লাগে সেইটো যোৱাত বাধাগ্ৰস্ত হব। সৰু সৰু যি বিলাক দলং আছে সেই বিলাক হিউম পাইপৰ কালভাৰ্ট কৰিব পাৰি। ডাঙৰ ডাঙৰ নদীবোৰৰ দলঙত হিউম পাইপৰ ব্যৱস্থা কৰিব নোৱাৰি। এইটো জৰিপ কৰা হৈছে কোন বিলাক হিউম পাইপৰ ব্যৱস্থা কৰিব পাৰি কোন বিলাক নোৱাৰি। কত কত আৰ চি চি কৰিব লাগিব আৰু কত কত হিউম পাইপ কৰিব পাৰি সেইটো জৰিপ কৰা হৈছে। পৰ্য্যায়ক্ৰমে ঠায়ে ঠায়ে সৰু কাঠৰ দলং আতৰাই হিউম পাইপৰ কালভাৰ্টৰ ব্যৱস্থা কৰি থকা হৈছে।

## Regarding Dalgaon Sub-Division, PWD ( Building )

Shri Abdul Jabbar asked :

*24. Will the Minister ( PWD ) be pleased to state :

(a) Whether Dalgaon ( Bldg ) Sub-Division is abolished ?

(b) If so, why ?

Shri Atul Bora ( Minister of PWD ) replied :

(a) Yes.

(b) The volume of works does not meet the usual 'norms' of a Building Sub-Division.

শ্ৰীঅতুল বৰা ( গঃ বিঃ মন্ত্ৰী ) (ক) হয় ।

(খ) এটা বিলডিং চাব ডিভিজিয়ন কৰিবলৈ যি খিনি নিয়ম নীতি পালন কৰিব লাগে সেই খিনি পূৰণ নোহোৱাৰ বাবেই তাৰ পৰা আতৰাই অনা হৈছে ।

Shri Abdul Jabbar—Mr. Speaker, Sir, may I know whether volume of works means volume of works at present ? If so, what will happen if the volume of works increase all on a sudden in the near future ? I also want to know whether the volume of works at Kolgachia is sufficient or not.

শ্ৰীঅতুল বৰা ( মঃ গঃ বি )—সাধাৰণতে এটা উপ-সংমণ্ডল ৰাখিবলৈ হলে কমেও তাত ৫০ লাখ টকাৰ কাম হব লাগে । দলগাৱৰ ৩০ খন বিচনাযুক্ত হস্পিতাল হোৱাৰ কাৰণে তাত উপ সংমণ্ডল কৰা হৈছিল । এতিয়া তাত ১৫ লাখতকৈ কম হে কাম আছে । কাম কম হোৱাৰ কাৰণে আৰু অন্য উপ-সংমণ্ডলৰ পৰা কাম চোৱা চিটা কৰিব পাৰি কাৰণেই মংগলদৈ উপ সংমণ্ডলৰ পৰাই ইয়াৰ কাম চোৱা চিটা কৰা হৈছে । কলগাচিয়াৰ কথাটো ইয়াত নাহে ।

Shri A. F. Golam Osmani—Mr. Speaker, Sir, the Hon. Minister said that he has abolished the P W D Sub-Divisional office at Dolgaon ; by the same notification another Building Sub-Division situated at Kolgachia has also been abolished. May I know from the Hon. Minister whether the work load has decreased or the work load that is now in progress as well as the schemes sanctioned for coming years justify the abolition ? Another question—How many new Building Sub-Divisions have been opened in other places ?

শ্রীঅতুল বৰা ( মঃ গঃ বি )—যেতিয়া কাম বাঢ়িব তেতিয়া বিবেচনা কৰা হব। ভৱিষ্যতলৈ কাম বাঢ়িব বুলি তাত উপ সংমণ্ডলটো ৰাখি থোৱাটো যুক্তি সংগত নহব। ইয়াৰ যি বিলাক নন্ টেকনিকেল মানুহ আছিল সেই সকলক কোকৰাঝাৰলৈ বদলি কৰা হৈছে। সংমণ্ডল এটা হলেই যে তাত স্থায়ী ভাবে ৰাখিব লাগে সেইটো কথা নহয়। কামৰ গুৰুত্ব চাই ঠাই সালসলনি হব পাৰে।

শ্রীজয়নাথ শৰ্ম্মা—আমি জানিব পাৰিছো যে কমেও ৫০ লাখ টকাৰ কাম হলে উপ সংমণ্ডল হব পাৰে গতিকে মংগলদৈ সংমণ্ডলত এনেকুৱা কিমানটা ৫০ লাখ টকাৰ কাম আছে ? আৰু প্ৰতিটো ৫০ লাখ টকাৰ কামৰ কাৰণে একোটা সংমণ্ডল দিছে নেকি ?

শ্রীঅতুল বৰা ( মঃ গঃ বিঃ )—মই কৈছো যে কমেও ৫০ লাখ টকাৰ কাম থাকিব লাগে। বেচি যিমানেই হওক লাগিলে ২০০ কোটি ৩০০ কোটি টকাৰো কাম হব পাৰে। কম পক্ষে ৫০ লাখ টকাৰ কাম থাকিব লাগে।

## বিষয়—বিহপুৰীয়াৰ পৰা বদতি গড়কাপ্তানী পথ।

*২৫। কেশৰাম বৰাই সুধিছে :

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ অন্তৰ্গত বিহপুৰীয়াৰ পৰা বদতিঘাটলৈ যোৱা প্ৰায় ১০ কিলোমিটাৰ গড়কাপ্তানী পথচোৱা দিনকদিনে যে অতি শোচনীয় অৱস্থা পাইছেগৈ এই বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি হয় উক্ত পথটো এটি বৃহৎ অঞ্চলৰ অধিক প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি পকীকৰনৰ কাম হাতত লোৱাৰ কথা চৰকাৰে ভাবিছে নেকি ?

(গ) যদি ভাবিছে ই কেতিয়াৰে পৰা হাতত লব জনাবনে ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) বিহপুৰীয়া বদতিঘাট শিলগুটি দিয়া পথটো নিয়মিত ভাৱে মেৰামতি কৰি থকা হৈছে। গতিকে পথটিৰ অৱস্থা শোচনীয় নহয়।

(খ) ইতিমধ্যে প্ৰায় ২ কিলোমিটাৰ পথ (বিহপুৰীয়াৰ পৰা বদতিঘাটৰ ফাললৈ) পকীকৰন কৰা হৈছে। বাকী পথচোৱা পৰ্য্যায়ক্ৰমে পুঁজি পোৱাৰ ওপৰত নিৰ্ভৰ কৰি পকীকৰন কৰাৰ কথা আছে।

(গ) পুঁজি পোৱাৰ ওপৰত নিৰ্ভৰ কৰিব।

শ্ৰীকেশৰাম বৰা—মন্ত্ৰী মহোদয়ে কৈছে যে এই পথচোৱা মেৰামতি কৰি থকা হৈছে। কিন্তু মই জনাত মেৰামতিৰ নামত শিলগুটি এটাও সেই পথত পৰা নাই। গতিকে কথাটো অনুসন্ধান কৰি চাবনে?

শ্ৰীঅতুল বৰা ( মঃ গঃ বিঃ )—এই পথেদি কিছুদিনৰ আগতে মই গৈছিলো। এই পথৰ কাষে কাষে এটা মাঠাউৰি আছে। ৰাস্তাটো দ। এই ৰাস্তাত মেৰামতিৰ নামত শিলগুটি এটাও পৰা নাই বুলি যি কথা কৈছে সেইটো মই চাম আৰু যাবতীয় ব্যৱস্থা কৰিম।

## RE : Dmage Of PWD Road By The Flood

Shri Abdul Rob Laskar asked :

*26. Will the Minister PWD is pleased to State :

(a) Whether the Govternment is aware that the PWD road from Sonabarighat to Sonai under Silchar Sub-Division has been badly damaged by the last flood ?

(b) If so, the steps the Govternment has taken for improving the condition of the Road ?

(c) If not, the reasons thereof ?

শ্ৰীঅতুল বৰা—( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে।

(ক) হয়।

(খ) সান্তাবা ব্যৱস্থা লৈ থকা হৈছে।

(গ) প্ৰশ্ন নুঠে।

Shri Abdul Rob Laskar—May I know from the Hon'ble Minister, PWD as to what is the estimate of the roads damaged in the last flood ?

শ্ৰীঅতুল বৰা ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চলত বানপানীত বিধ্বস্ত হোৱা ৰাস্তা মেৰামতিৰ কাৰণে যথেষ্ঠ টকা পঠোৱা হৈছে। সেইটো মাননীয় সদস্য জনে অলপ খবৰ কৰিলেই গম পাব।

Shri Gelok Rajbanshi—Mr. Speaker Sir, Hon'ble Minister has furnished a vague reply. The question is whether the officer has submitted detail information about the damage of the road and whether he has submitted any estimate for repairing the same and whether money has been sanctioned ?

শ্ৰীঅতুল বৰা ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, হাইলাকান্দিত ৰাস্তা মেৰামতিৰ কাৰণে ১০ লাখ টকা দিছে। সেইদৰে কাছাৰ, শিলচৰতো বেছি টকা

দিয়া হৈছে। তেখেত সকলে যদি কিবা ৰাস্তাৰ কথা দিব পাৰে তেতিয়াহলে আমি কব পাৰিম। ইঞ্জিনিয়াৰ সকলক বেয়া ৰাস্তা বিলাক মেৰামতি কৰিবৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে আৰু তেখেত সকলে সেই ৰাস্তা বিলাক লব।

Shri Golok Rajbanshi—My point is very clear. The question was sent much earlier. He should give a specific reply as to whether money has been sanctioned. If not, the officer concerned should be asked to furnish detail information on that.

শ্ৰীঅতুল বৰা (মঃ)—মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে বানপানীত বিধ্বস্ত হোৱা ৰাস্তা বিলাক মেৰামতি কৰিবৰ কাৰণে যিমান টকা বিছাৰিছিল সেই পৰিমাণৰ টকা কেন্দ্ৰীয় চৰকাৰে নিদিলে। অসম চৰকাৰৰ ফালৰ পৰা ৪০০ কোটি টকা বিছৰা হৈছিল কিন্তু কেন্দ্ৰীয় চৰকাৰে মাত্ৰ দিলে ৩১ কোটি ৫৭ লাখ টকাহে। সেই টকাৰ ভিতৰত অন্যান্য বিভাগো আছে। এই টকাটো বিতৰণ কৰোতে যি টকা পৰে তাৰে আমি আংশিক ভাৱেহে মেৰামতিৰ কাম কৰিব পাৰো।

শ্ৰীজয়নাথ শৰ্ম্মা— মাননীয় অধ্যক্ষ মহোদয়, বানপানীত বিধ্বস্ত হোৱা ৰাস্তা বিলাক মেৰামতি কৰিবৰ কাৰণে এই যে, ৩১ কোটি ৫৭ লাখ টকা প্ৰত্যেক চাব্ ডিভিজনতে বিতৰণ কৰা হৈছে সেইটো কিহৰ ভিত্তিত বিতৰণ কৰা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা (মঃ)—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাৰ্য্যবাহী অভিযন্তা সকলে যি বিলাক ৰাস্তা মেৰামতি কৰিব লাগে বুলি কয় সেই বিলাক ৰাস্তাৰ কাৰণেই বা ৰাস্তা মেৰামতিৰ কাৰণে 'প্ৰপৰচনেটলি' টকা বিলাক ভগাই দিয়া হয়। এই যে, ৩১ কোটি ৫৭ লাখ টকা দিয়া হৈছিল সেইটো আন আন বিভাগৰ মাজতো ভাগ হোৱাৰ পিছত গড়কাপ্তানী বিভাগে পাইছে ৬ কোটি ২৭ লাখ টকা। তাৰে ৫ কোটি ২৭ লাখ টকা বিতৰণ কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইঞ্জিনিয়াৰ সকলে যি বিলাক লিষ্ট দিছে বা যি বিলাক এষ্টিমেট দিছে সেই বিলাকো অলপ সালসলনি কৰি আমি মঞ্জুৰী দিছো বা অনুমোদন জনাইছো। সকলো বিলাক ৰাস্তাযেই মন্ত্ৰী সকলে দিয়াটো সন্তুৰপৰ নহয়। মাননীয় সদস্য সকলে নিজৰ নিজৰ অঞ্চলৰ সাংঘাটিক ভাবে বেয়া হোৱা ৰাস্তাৰ লিষ্ট দিব পাৰে তেনেকুৱা ৰাস্তা বিলাকো হাতত লোৱা হব।

## বিষয়—যোৰহাট নগৰ উন্নয়ণ পৰিকল্পনা।

শ্ৰীদেৱ কুমাৰ বৰাই সুধিছে ঃ

*২৭। মাননীয় নগৰ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৰহাট নগৰ উন্নয়নৰ বাবে ১৯।৩।৮৬ তাৰিখে যোৰহাটৰ নগৰ উন্নয়ন পৰিকল্পনা বিভাগৰ পৰা বিশ্ব বেংক আৰু কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা শতকৰা ৫০% ঃ ৫০% হিচাবত ৪২.১৮ কোটি টকাৰ এখন আচনিৰ "প্ৰকল্প প্ৰতিবেদন প্ৰস্তাব" পাইছে নেকি ?

(খ) যদি পাইছে বৰ্তমান আচনিখন কেনে পৰ্য্যায়ত আছে ?

(গ) কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে উক্ত আচনিখন প্ৰেৰণ কৰা হল নে নাই জনাবনে ?

(ঘ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা ( নগৰ পৰিকল্পনা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

(ক) হয় ।

(খ) কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(গ) হৈছে ।

(ঘ) প্ৰশ্ন নুঠে ।

শ্ৰীদেৱকুমাৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত মই তেখেতৰ পৰা জানিব খুজিছো যে, অনান্য নগৰৰ কাৰণেও পৰিকল্পনা লোৱা হৈছে নেকি ?

শ্ৰীঅতুল বৰা ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, আমি কেন্দ্ৰীয় চৰকাৰলৈ ৮খন টাউনৰ কাৰণে আচনি পঠিয়াইছিলো। আমি যিমান টকাৰ কাৰণে আচনি পঠাইছিলো সেই আচনি বিলাক তাতকৈ অলপ কম টকাৰ ভিতৰত আচনি পঠাব লাগে বুলি সেই আচনি বিলাক ঘূৰাই পঠিয়ায়। এই টাউন কেইখন হৈছে, গুৱাহাটী, ডিব্ৰুগড়, তিনিচুকিয়া, শিৱসাগৰ, যোৰহাট, শিলচৰ, নগাওঁ আৰু বঙাইগাওঁ। এইটোৰ কিছু টকা 'ওৱাৰ্ল্ড বেংকে দিব আৰু কিছু টকা কেন্দ্ৰীয় চৰকাৰে দিব। আমি প্ৰথমতে ৬২৭ কোটি টকাৰ আচনি পঠিয়াইছিলো কিন্তু কেন্দ্ৰীয় চৰকাৰে কলে যে, ১০০ শ কোটিৰ পৰা ১৩০ কোটি টকাৰ ভিতৰত আচনি হব লাগে। দ্বিতীয় বাৰ আমি ২৪৫ কোটি টকাৰ আচনি পঠিয়াইছো।

শ্ৰীজয়নাথ শৰ্ম্মা—মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ কাৰণে কিমান কোটি টকাৰ আচনি দিছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, ২০০ শ কোটি টকাৰ ।

কুমাৰ দীপক দাস—মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ কাৰণে কিবা আচনি পঠিয়াইছে নেকি ?

শ্ৰীঅতুল বৰা ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ কথা ধৰিলে বাকী সকলোও ধৰিব ।

## বিষয়—ৰেহাই মূল্যত হাতী দাঁতৰ যোগান ।

কুমাৰ দীপক দাসে সুধিছে ?

*২৮। মাননীয় বন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটাৰ হাতী দাঁত উদোগৰ উদ্যোগী সকলক ৰেহাই মূল্যত হাতী দাঁত নিদিয়াৰ বাবে এই উদোগ বন্ধ হৈ যোৱাৰ কথাটো চৰকাৰৰ অৱগত নে ?

(খ) যদি হয়, এই হাতী দাঁত ৰেহাই মূল্যত দিয়া হব নেকি ?

(গ) যদি দিয়া হয় ইয়াক ৰাজহুৱা ভাবে জনোৱাৰ ব্যৱস্থা কৰা হব নেকি ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

(ক) হয়, চৰকাৰৰ অৱগত ।

(খ) দিয়া নহয় ।

(গ) প্ৰশ্ন নুঠে ।

কুমাৰ দীপক দাস—মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া নিৰ্বাচিত হৈ তাৰ পিছৰ বিধান সভাৰ অধিবেশনত মাননীয় মন্ত্ৰী মহোদয়ে ৰেহাই মূল্যত যোগান দিয়া হব বুলি যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি কিয় ভঙ্গ কৰিলে তাৰ কি ব্যাখ্যা মন্ত্ৰী মহোদয়ে দিব সেইটো মই জানিবলৈ বিচাৰিছো ।

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, ১৯৭২ চনতে কেন্দ্ৰীয় চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণ আইন খন গ্ৰহণ কৰাৰ পিছত আন্তঃৰাজ্যিক বজাৰত হাতী দাঁতৰ ব্যৱসায় বন্ধ কৰা বুলি ঘোষণা কৰে । কেন্দ্ৰীয় চৰকাৰে যোৱা ২৪ জানুৱাৰীৰ পৰা হাতী দাঁতৰ ব্যৱসায় একেবাৰেই বন্ধ কৰি দিছে । কেন্দ্ৰীয় চৰকাৰে হাতী দাঁতৰ ব্যৱসায় বন্ধ কৰি দিছে যদিও কাগজ পত্ৰ আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই । সেই কাৰণেই বৰপেটাৰ স্থানীয় কুটিৰ শিল্পী সকলে যদিও বিচাৰিছিল আমি দিব পৰা নাই । এই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰলৈ লিখা লিখি কৰি আছো । কেন্দ্ৰীয় চৰকাৰৰ পৰা যদি আমি অনুমতি পাওঁ তেতিয়াহলে আমি নিশ্চয় দিব পাৰিম ।

কুমাৰ দীপক দাস—মাননীয় অধ্যক্ষ মহোদয়, মই জানুৱাৰী মাহৰ আগতেই ৭৫ খন দৰ্খাস্ত দিছিলো। সেই দৰ্খাস্ত বিলাকৰ কোনো উত্তৰ চৰকাৰৰ বন বিভাগৰ পৰা আমি নেপালো কিয় ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মঃ )—মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, ১৮ জানুৱাৰী নহয়। এতিয়া বৰপেটাৰ থলুৱা লোক সকলক দিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰলৈ এখন ড্ৰাফট আমাৰ ফালৰ পৰাই পঠিয়াইছো। কেন্দ্ৰীয় চৰকাৰে আমাক অনুমতি দিলে আমি চাম।

## বিষয়—আলু আৰু গম বিতৰণ।

শ্ৰীহেমেন দাসে সুধিছে :

*২৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬ চনৰ বানপীড়িত কৃষকৰ মাজত বিতৰণৰ বাবে চৰকাৰে কিমান কুইণ্টল আলু আৰু গম কিনিছিল ?

(খ) কাৰ পৰা কিনিছিল আৰু প্ৰতি কুইণ্টলৰ কিনা দাম কিমান ?

শ্ৰীনীলমণি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) ১৯৮৬ চনৰ বানপীড়িত কৃষকৰ মাজত বিতৰণৰ বাবে চৰচাৰে ৩১,৪৫০.১৩৫ কুইণ্টল আলুৰ বীজ আৰু ২,৯৭৭.৩২ কুইণ্টল ঘেহুৰ বীজ কিনিছিল।

(খ) অসম বীজ নিগমৰ পৰা আলুৰ বীজ প্ৰতি কুইণ্টলত ৭৫০ টকা আৰু ঘেহুৰ বীজ প্ৰতি কুইণ্টলত ৫৫৫ টকা দৰত কিনিছিল।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে প্ৰতি কুইণ্টল আলু ৭৫০ টকাকৈ কিনিছিল, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সেই সময়ত অসমৰ কোনো মানুহে নিজৰ দৰ্মহাৰ পইচাৰে প্ৰতি কেজিত ৭.৫০ টকা দামত আলু কিনিছিল নে ?

শ্ৰীনীলমণি দাস ( মন্ত্ৰী ) শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰিছো এই যে প্ৰতি কেজিত ৭.৫০ পইচা দামত যি আলু কিনিছিল তেওঁলোক চাকৰিয়াল নাছিল বা দৰমহা পোৱা লোক নাছিল, সেই সকল আছিল খেতিয়ক, তেওঁলোকক বানপীড়িত অঞ্চলত চৰকাৰে বেহাই মূল্যত দিছিল আৰু যি খিনিয়ে কিনিছিল আৰু চাপ্লাই কৰিছিল তেওঁলোক ব্যৱসায়ী আছিল।

শ্ৰীহেমেন দাস—মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰো কোনো খেতিয়কে চাৰে সাত টকাত আলু কিনা নাই, অসম আৰু ভাৰতবৰ্ষৰ কোনো মানুহেই কিনা

নাই। তেনে ক্ষেত্ৰত মই জানিব বিচাৰিছো অসম চৰকাৰৰ কৃষি বিভাগে কিয় ইমান দাম দি আলু কিনিছিল ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বোধকৰো জানে যে যি খিনি আলু কিনা হৈছিল সেইখিনি বীজ হিচাবে যোগান ধৰা হৈছিল আৰু এই খিনি ক্ৰয় কৰা হৈছিল নিবিদাৰ পিচতহে। নিবিদা যি মতে আহ্বান কৰা হৈছিল সেইখিনি অসম বীজ নিগমৰ দ্বাৰা কৰা হৈছিল। নিবিদাৰ মানৰ ওপৰত আৰু যান-বাহনৰ খৰচ ধৰি প্ৰতি কুইন্টল আলুৰ দাম ৭৪০ টকা ধাৰ্যা কৰা হৈছিল। ৭ টকাৰ পৰা গৈ সেই কাৰণে ৭·৪০ পইচা হৈছিল। প্ৰতি কেজি আলুৰ মূল্য নিবিদাৰ যোগেৰেহে ধাৰ্য্য কৰা হৈছিল। বাহিৰত প্ৰতি কুইন্টল আলুৰ মূল্য ৬৫০ টকা আছিল। বাহিৰত যি খিনি সময়ত আলুৰ মূল্য ৬·৫০ পইচা আছিল বুলি কৈছে সেইটো যান-বাহনৰ খৰচৰ কাৰণে অসমত ৭·৪০ পইচা ধাৰ্য্য কৰা হৈছে।

শ্ৰীহেমেন দাস—মই বিধান সভাৰ সদস্যৰ পৰা পদত্যাগ কৰিম যদিহে সেই সময়ত আলুৰ দাম অসমত প্ৰতি কেজিত ৬·৫০ পইচা আছিল। অসমত হাজাৰ হাজাৰ মানুহে আলু খেতি কৰিছে, সেই কাৰণে মই দাবী কৰিছো এখন তদন্ত কমিটি গঠন কৰি দিব লাগে।

শ্ৰীনীলমণি দাস (মন্ত্ৰী)—মাননীয় সদস্য গৰাকীয়ে বোধহয় জানে যে টেবুল পটেটো আৰু চীড পটেটোৰ মাজত পাৰ্থক্য আছে। গুৱাহাটীত বোধহয় চীড পটেটো বেচা নহয়। চাৰ্টিফাইড চীড পটেটো বজাৰত বিক্ৰী কৰা চকুত পৰা নাই।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে একো নাজানে। চাৰ মই ১৯৫১ চনৰ পৰাই আলু খেতি কৰি আছো আৰু এই বেলিয়ো আলু খেতি কৰিছো। অসমৰ কোনো খেতিয়কে যি হেতু ইমান দামত আলুৰ বীজ কিনা নাই, অসম চৰকাৰে কিয় ইমান দামত আলু কিনিব লগীয়া হ'ল ? এই বিষয়টো এ, জি, পি পক্ষৰ সদস্যৰ দ্বাৰা তদন্ত কৰিব লাগে।

শ্ৰীজয়নাথ শৰ্ম্মা—আলু বীজৰ নামত সৰ্ব্বমুঠ কিমান টকাৰ আলুৰ বীজ কৃষি বিভাগে কিনিছে আৰু এইকথা মন্ত্ৰী মহোদয়ে জানেনে বীজ বুলি ফাচী বজাৰৰ পৰা আনচাৰ্টিফাইড আলুৰ বীজ কিনি অনাতো ? ...... (হুলস্থুল পৰিবেশ) ......... মাননীয় অধ্যক্ষ মহোদয় মোৰ দুটা প্ৰশ্ন ১নং হল—আলুৰ বীজ সৰ্ব্বমুঠ কিমান টকাৰ কিনা হৈছিল, ২য় প্ৰশ্ন মাননীয় মন্ত্ৰী মহোদয়ে

এনে ধৰণৰ অভিযোগৰ কথা জানেনে যে বীজৰ কাৰণে ফাঁচীবজাৰৰ পৰা আনচাৰ্টিফাইড আলু বিতৰণ কৰা হৈছে ?

শ্ৰীনীলমণি দাস ( মন্ত্ৰী )—শ্ৰদ্ধেয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে সেইটো কিছু পৰিমাণে সঁচা আৰু মাননীয় যি সকল সদস্য ই এই সদনত উত্থাপন কৰিছে প্ৰথম এইজন মন্ত্ৰীৰ চকুতেই পৰিছিল আৰু তাৰ পাচত মই যি ঠাইত তেনেকুৱা আলুৰ বীজ কিনিছিল সেইবোৰ যাতে বিতৰণ কৰা নহয় তাৰ বাবে মই ব্যৱস্থা লৈছো । বিভাগীয় যি খিনি খেলিমেলি এই ক্ষেত্ৰত হৈছে বা অভিযোগ আহিছে সেইখিনি কথা পুংখানুপুংখাৰূপে বিচাৰ কৰিবলৈ ইতিমধ্যে তদন্ত চলোৱা হৈছে ।

শ্ৰীহেমেন দাস—অসম গণ পৰিষদৰ সদস্য সকলক লৈয়েই এখন তদন্ত কমিটি গঠন কৰিব লাগে ।

মাননীয় অধ্যক্ষ—এই গোটেই বিষয়টো গুৰুত্বপূৰ্ণ, এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি কেনে ধৰণৰ ব্যৱস্থা লব পৰা যায় আৰু এই বিষয়টো এটা তদন্ত কমিটিৰ দ্বাৰা তদন্ত কৰিব পৰা যায় নেকি এই বিষয়ে যি সিদ্ধান্ত হয় সেইটো মই পিচত জনাম ।

Shri Dewan Joynal Abedin—There should be a half-an-hour discussion on this.

## বিষয়—কাঠৰ পাৰ্মিটৰ পৰিমাণ ।

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ।

*৩০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬-৮৭ চনৰ ভিতৰত এই বিভাগে কাঠৰ কাৰণে পাৰ্মিট দিছে নেকি ?

(খ) যদি দিছে কোন কোন লোকক কিমান পৰিমাণৰ পাৰ্মিট দিয়া হৈছে ?

(গ) পাৰ্মিট দিয়াৰ ক্ষেত্ৰত কি নীতি গ্ৰহণ কৰা হৈছে ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

(ক) হয় দিছে ।

| (খ) অনুজ্ঞা পত্ৰ পোৱা অনুষ্ঠান | অনুজ্ঞা পত্ৰত দিয়া কাঠৰ পৰিমাণ । |
|---|---|
| ১। বীৰজৰা মহাবিদ্যালয় ( শ্ৰীতৰুণ কুমাৰ চৌধুৰী, সম্পাদক) | ৫০ ঘন মিটাৰ |
| ২। পাটগাওঁ উচ্চ ইংৰাজী বিদ্যালয় | ১৯০ ঘন মিটাৰ |

৩। জীৱিকা উদ্যোগ ২৫ ঘন মিটাৰ।

( শ্ৰীমতী অনিতা দাস, প্ৰপাইটাৰ )

(গ) জনকল্যাণ কামী, শিক্ষামূলক অনুষ্ঠান আদিৰ কাৰণে কাঠৰ অনুজ্ঞা পত্ৰ দিয়া নীতি চৰকাৰে লৈছে।

শ্ৰীগোলোক ৰাজবংশী—মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক মানুহে কাঠৰ পাৰ্মিট লৈ ব্যৱসায় কৰি আছিল, তেখেত সকলক কাঠ যোগান দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি নীতি লৈছে নে একেবাৰে বন্ধ কৰি দিছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, কাঠৰ ব্যৱসায়ীক চৰকাৰী কাঠ যে যোগান দিব লাগে তাৰ কোনো নীতি নাই। আমি কাঠ বিক্ৰী কৰাৰ কাৰণে টেণ্ডাৰ দিও। তদুপৰি সকলো উদ্যোগৰ মালিকেই ইয়াত অংশ গ্ৰহণ কৰিব পাৰে। আগতে কাঠৰ অনুজ্ঞাপত্ৰ দি চৰকাৰে বহুত কোটি টকাৰ ৰাজহ লোকচান হোৱাৰ সন্মুখীন হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা—মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩-৮৫ চনৰ কাঠৰ ব্যৱসায় নকৰা কাঠৰ মিল নথকা মানুহকো কাঠৰ পাৰ্মিট দিয়াৰ কথা চৰকাৰে জানেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিশ্চয় জানে যে, আজিৰ পৰা ৬ মাহৰ আগতে তদন্ত আয়োগ গঠন কৰিছে আৰু এই তদন্ত আয়োগে ইতিমধ্যে বহুতো প্ৰতিবেদন দাখিল কৰিছে।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত—মাননীয় অধ্যক্ষ মহোদয়, ফৰেষ্টে অকচন কৰা কি টোটেলি বন্ধ কৰি দিছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, আমি ফৰেষ্ট অকচন নকৰো ফৰেষ্টৰ পৰা কাঠহে আনো।

শ্ৰীমুক্তাৰ হুচেইন—মাননীয় অধ্যক্ষ মহোদয়, জীৱিকা উদ্যোগৰ প্ৰপাইটাৰৰ নাম কি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—শ্ৰীমতী অনিতা দাস, প্ৰপাইটাৰ।

শ্ৰীদেৱ কুমাৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, নেচনেল হাওৱেৰ যিবিলাক দীঘল দীঘল কাঠ ট্ৰাকেৰে কঢ়িয়াই নি আছে সেই কাঠ বিলাক ক'ৰ পৰা অনা হৈছে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এইটো সকলোৱে জানে যে, এই কাঠ মালয়েচিয়াৰ পৰা আহিছে।

## বিষয়—ভাংগা ভৈৰৱ নগৰ ৰাস্তা ।

শ্ৰীৰামেন্দ্ৰ দেই জিজ্ঞাছা কৰিয়াছেন ।

*৩১। মাননীয় গড়কাপ্তানি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ?

(ক) করিমগঞ্জ গড়কাপ্তানি বিভাগের অধিনস্থ ভাংগা ভৈরব নগর রাস্তা ও কাছাড় গড়কাপ্তানী বিভাগের অধিনস্থ বদরপুর আদর কোনা রাস্তার উন্নয়ন ও সংস্কারের কোন কর্মসূচী সরকারের আছে কি ?

(খ) যদি থাকে তবে কত টাকার পরিকল্পনা নেওয়া হয়েছে ও কবে পর্য্যন্ত কাজ শেষ হবে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) আছে ।

(খ) (১) ভাংগা ভৈৰৱ নগৰ ৰাষ্টাত—

১৯৮৪-৮৫ চনত ৭৫,০০০ টকা

১৯৮৫-৮৬ চনত ৪৮,০০০ টকা

আৰু ১৯৮৬-৮৭ চনত ১,০৬,০০০ টকাৰ কাম লোৱা হৈছে ।

(২) বদৰপুৰ আদোৰকনা ৰাষ্টাত—

১৯৮৪-৮৫ চনত ২০,০০০ টকা আৰু

১৯৮৫-৮৬ চনত ৩০,০০০ টকাৰ কাম লোৱা হৈছে ।

ভাংগা ভৈৰৱ নগৰ ৰাষ্টাৰ কাম বৰ্ত্তমানে চলি আছে আৰু মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হব ।

বদৰপুৰ আদোৰকনা ৰাষ্টাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে ।

শ্ৰীরামেন্দ্র দে—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়, ১৯৮৪-৮৫, ১৯৮৫-৮৬ ইং 'ৰ জন্য করিমগঞ্জ বিভাগে এবং ভাংগা ভৈরব নগর রাস্তার জন্য যে টাকা মঞ্জুর করেছেন তা রাস্তা সংস্কারের জন্য যথেষ্ট কিনা মন্ত্রী মহোদয়ে জানাবেন কি ?

আমার দ্বিতীয় প্রশ্ন হলো—যে টাকা দেওয়া হয়েছে তা যথাযথভাবে ঐসব রাস্তায়ই যে খরচ হবে সে বিশ্বাস স্থানীয় প্রশাসনের উপর বর্ত্তমান সরকারের আছে কিনা ? বদরপুর চক্রের বেশীর ভাগ রাস্তায় বছরে ৪/৫ মাস বন্ধ থাকে এখবর চরকার জানে নেকি ? যদি জানেন তবে এ অবস্তা দূরীকরনে সরকার কি ব্যবস্থা নিবেন ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) –মাননীয় অধ্যক্ষ মহোদয়, টকা ঠিকমতে খৰচ হোৱাৰ কাৰণেই বোধ হয় ১৯৮৪-৮৫ চনত ৭৫ হাজাৰ টকা দিছিল আৰু ১৯৮৫-৮৬

চনত ৪৮ হাজাৰ টকা দিছিল। ১৯৮৪ চনৰ টকাবোৰ ঠিকমতে যদি খৰচ হোৱা নাই তেনেহলে সেইটোত অৱশ্যে আমাৰ চৰকাৰৰ যিখিনি দায়িত্ব তাতকৈ আগৰ চৰকাৰৰহে দায়িত্ব বেচি আছিল। আগৰ চৰকাৰৰ যিবিলাক কাম বেয়া হৈ আছে সেইবিলাক দেখুওৱা হৈ আছে। আমাৰ চৰকাৰৰ যিবিলাক কাম সেই বিলাক শতকৰা এশ ভাগেই সদসব্যৱহাৰ হৈছে বুলি আমি ভাবো। যিখিনি টকা এতিয়ালৈকে দিয়া হৈছে সেইটো গোটেই অসমৰ ৰাস্তালৈ চাই যথেষ্ট টকা নহয়। তথাপিতো ৰাস্তাটো বনাবই লাগিব। গতিকে যি অলপ পৰিমাণৰ হলেও টকা দিয়া হৈছে সেইটো যাতে ঠিকমতে খৰচ হয় সেইটো চেষ্টা কৰা হব আৰু আমাৰ অফিচাৰ সকলৰ ওপৰতো বিশ্বাস ৰাখিছো টকা ঠিকমতে খৰছ কৰিব বুলি। মই নিজেই চুপাৰভাইচ কৰিবলৈও প্ৰস্তুত যদি অভিযোগ আহে। যি টকা ৰাস্তাৰ কাৰণে দিয়া হৈছে সেই টকাটোৰ যদি সম্পূৰ্ণ সদ্ ব্যৱহাৰ নোহোৱাৰ প্ৰমাণ দাখিল কৰিব পাৰে তেতিয়াহলে ব্যৱস্থা লোৱা হব।

মাননীয় অধ্যক্ষ— মন্ত্ৰী মহোদয়ে যিটো ১ কোটি টকাৰ কথা কৈছে সেইটো ১ কোটি নহয় ১ লাখহে।

শ্ৰীঅতুল বৰা ( মন্ত্ৰী )—হয়, এইটো এক লাখহে।

শ্ৰীৰামেন্দ্ৰ দে—অধ্যক্ষ মহোদয়, এই ১ লাখ টাকা যথেষ্ট কিনা এবং এই টাকা যথাযথ ভাবেই যে খরচ হবে এই বিশ্বাস প্রশাসনের উপর সরকারের আছে কিনা—এইকথা মন্ত্রী মহোদয় জানাবেন কি? চিনিপাতন রাস্তার মঞ্জুরীকত টাকা যথাযথ ভাবে খরচ হয় নি! টাকা যাতে খরচ হয় তার ব্যবস্থা নেওয়া হবেকি।

## বিষয়—সামাজিক বনানীকৰণ বিভাগৰ দ্বাৰা মাটি অধিগ্ৰহণ।

শ্ৰীগোপীনাথ দাসে সুধিছে :

* ৩২। মাননীয় বন বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ বকো ৰেঞ্জৰ অধিনস্থ নাইটৰত সামাজিক বনানীকৰণ বিভাগে মুঠ কিমান বিঘা মাটি অধিগ্ৰহণ কৰিছে জনাবনে ?

(খ) এইটো কথা সচানে যে, উক্ত নাইটৰত সামাজিক বনানীকৰণ বিভাগে বহুতো বিল, ডোবা আদিও অধিগ্ৰহণ কৰিছে ?

(গ) যদি সচা তেন্তে কাৰণটো কি জনাবনে ?

**Undispoed starred Questions.**

( To which oral answers were not called for want of time, However, written answers deemed to have been laid on the table as follows )

বিঃ বানপিড়ীত কৃষকলৈ সাহাৰ্য্য।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

*৩৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বানপ্ৰপিড়ীত কৃষক ৰাইজক খেতি কৰিবৰ বাবে ভবিষ্যতে চৰকাৰী সাহাৰ্য্য আগবঢ়োৱা হব নেকি ?

(খ) যদি সাহাৰ্য্য আৰু সুবিধা আগবঢোৱা হয় তেন্তে কেনে ধৰণৰ ?

শ্ৰীনীলমণি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) বানপানীত প্ৰপিড়ীত কৃষকক চৰকাৰী সাহায্য ভবিষ্যতেও আগবঢ়োৱা হব।

(খ) আগৰ ক্ষয়ক্ষতিৰ অৱস্থাৰ লগত ৰিজ্জাই চাই দিয়া হব।

**Subject—Udalguri-Tamulpur Border Road.**

Shri Binoy Khungur Basumatari, asked,

*38. Will the Minister P.W.D. be pleased to state :

(a) Whether the Central Govt. of India has sanctioned fund for completion of Udalguri-Tamulpur Border Road ?

(b) Whether the State Govt. of Assam has demanded adequate fune for completion of the road ?

(c) If not why ?

(d) The amount spent on this road for maintenanc between 1980 and 1986 ?

(e) Is the Govt. aware of the condition of this road ?

Shri Atul Bora ( Minister of P. W. D ) replied.

(a) Yes.

(b) Yes, demand for fund is placed according to the requirement.

(c) Does not arise.

| | | | |
|---|---|---|---|
| (d) | 1980-81 | ...... Rs. | 36.5 Lakhs. |
| | 1981-82 | ...... Rs. | 5.01 Lakhs. |
| | 1982-83 | ...... Rs. | 3.01 Lakhs. |
| | 1983-84 | ...... Rs. | 5.18 Lakhs. |
| | 1984-85 | ...... Rs. | 7.87 Lakhs. |
| | 1985-86 | ...... Rs. | 13.00 Lakhs. |
| | | Rs. | 37.73 Lakhs. |

(e) Yes, the present condition of the completed portion of the road is fair.

**Re : Free distribution of seeds amongst the flood affected people.**

Shri Shio Shambhu ojha asked :

*39. Will the Minister, Agriculture be pleased to state :

(a) Whether it is a fact that seeds were purchased for free distribution amongst the last flood affected people at much higher rate that of market price ?

(b) If so, the reasons there of ?

(c) If so, whether Government propose to institute an enquiry Committee to find out the culprits who are responsible for the purchase of seeds at a very high price ?

Shri Nilamani Das, ( Minister of Agriculture ) replied :

(a) (b) & (c) : Government have decided to constitute an enquiry committee to enquire into the matter. Further action if any, will be taken on receipt of the report of the enquiry committee.

বিঃ ফুলবাৰীত সৰু চিৰিয়াখানা স্থাপন।

শ্ৰীজগত হাজৰিকাই সুধিছে :

*৪০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) লক্ষীমপুৰ জিলাৰ পাহাৰীয়া অঞ্চল ফুলবাৰীত এখন সৰু চিৰিয়াখানা ( Mini Zoo ) নিৰ্মাণৰ পৰিকল্পনা চৰকাৰৰ হাতত আছে নেকি ?

(খ) যদি আছে ইয়াক কেতিয়াকৈ কৰা হব জনাবনে ?

শ্ৰীভৰত নৰহ বন ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

(ক) এতিয়ালৈকে ফুলবাৰীত সৰু চিৰিয়াখানা নিৰ্ম্মাণৰ কোনো পৰিকল্পনা চৰকাৰৰ হাতত নাই।

(খ) প্ৰশ্ন নুঠে।

**Subject : Working and Non-Working Population of Tea Gardens.**

Shri Manilal Gowala asked.

*27. Will the Minister, Labour be pleased to state :

(a) The number of working and Non-working population in tea gardens ( tea gardenwise ) in Karimganj District ?

(b) Whether the Government contemplate to undertake any scheme to employ the non-working population ?

(c) If so, the steps under consideration ?

Shri Barki Prasad Telenga ( The Minister of Labour ) replied.

(a) Information is given at Annexure I, ( See Annexure I )

(b) There is nothing at present.

(c) In view of reply to (b) above the question does not arise,

**বিঃ বীজ নিগমৰ লোকচান।**

শ্ৰীআব্দুল জলিলে সুধিছে :

*২৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মাজুলীত মটৰ মাহৰ সঁচ ১৯৮৩-৮৪ চনত কিনা আৰু বিতৰণৰ ক্ষেত্ৰত ৩১,৫০০ টকা ক্ষতিসাধন কৰা বুলি অসম বীজ নিগম বাণিজ্যিক ( কোমাৰ-চিয়েল ) মেনেজাৰক চৰকাৰে দায়ী কৰিছে নেকি ?

(খ) যদি কৰিছে, তেন্তে তাৰ পিছত কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(গ) যদি কৰিছে কি ব্যৱস্থা ?

শ্ৰীনীলমণি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) অসম বীজ নিগমক যথাযথ ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছিল। বীজ নিগমে বিহিত ব্যৱস্থা লবৰ অৰ্থে তেখেতৰ পৰা কৈফিয়ৎ তলব কৰিছে।

(গ) পৰৱৰ্ত্তী ব্যৱস্থা বীজ নিগমৰ সঞ্চালক মণ্ডলীৰ বিবেচনাধীন হৈ আছে।
( To which oral answers were not called for want of time. However written answers deemed to have been laid on the table as follows )

## বিঃ মহকুমা অফিচত নিযুক্তি ।

শ্ৰীভবেন নাৰ্জাৰীয়ে সুধিছে :

২৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
তামুলপুৰ কৃষি মহকুমা অফিচত এতিয়ালৈকে কিমান জন তামুলপুৰৰ যুৱকক নিযুক্তি দিয়া হ'ল ?

শ্ৰীনীলমণি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :
তামুলপুৰ কৃষি মহকুমা কাৰ্য্যালয়ত এতিয়ালৈকে কোনো নিযুক্তি দিয়া হোৱা নাই।

## বিঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

২৬। অনুগ্ৰহ কৰি মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে :

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰ প্ৰতিৰোধৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) বনৰক্ষী বাহিনীক কেতিয়াৰ পৰা কামত লগোৱা হব ?

(গ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত কাজিৰঙা ( কহৰা ) ত গঢ়ি উঠা লাইন হোটেল সমূহ চোৰাং চিকাৰীৰ আদ্দা বুলি চৰকাৰ অৱগতনে ?

(ঘ) যদি হয় সেই হোটেলবোৰ কিয় উঠাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই জনাবনে ?

(ঙ) ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰ নদীৰ অংশটো ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্ভূক্ত কৰি অবাধ বিচৰণ বন্ধ কৰাৰ আচনি লবনে ?

শ্ৰীভৰত নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) চোৰাং চিকাৰী প্ৰতিৰোধৰ কাৰণে কেইবাটাও নতুন পহৰা চকী স্থাপন কৰা হৈছে। তাৰোপৰি ৭৭ জন সশস্ত্ৰ গৃহৰক্ষীক নিয়োগ কৰা হৈছে। ইতিমধ্যে ভাৰত চৰকাৰৰ সহযোগত গড় সংৰক্ষণৰ বাবে এখন আচুতীয়া আচনি ৰূপায়ন কৰা ব্যৱস্থাও লোৱা হৈছে।

(খ) সম্পূৰ্ণ সংখ্যক কনিষ্ঠবল এতিয়ালৈকে নিয়োগ কৰিব পৰা হোৱা নাই

বাবে বনৰক্ষী বাহিনীক এতিয়াও কাজিৰঙা প্ৰতিৰক্ষাৰ বাবে কামত লগাব পৰা হোৱা নাই।

(গ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত গঢ়ি উঠা হোটেলবোৰৰ আশ্ৰয়লৈ চোৰাং চিকাৰী তৎপৰ হোৱা বুলি সন্দেহ কৰাৰ যথেষ্ট থল আছে যদিও এতিয়ালৈকে কোনো নিশ্চিত প্ৰমাণ আমাৰ হাতত নাই।

(ঘ) এনে ধৰণৰ হোটেলবোৰ ব্যক্তিগত মালিকৰ মাটিতহে স্থাপন কৰা হৈছে।

(ঙ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰ নদীৰ অংশটো কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্ভূক্ত কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে। এই মৰ্মে ১৯৮৫ চনৰ ২৫ চেপ্তেম্বৰৰ চৰকাৰী ৰাজপত্ৰত যাবতীয় জাননী প্ৰকাশ পাইছে।

## বিষয়—শ্লিপাৰৰ মূল্য।

শ্ৰীমজিৰুদ্দিন আহমেদে সুধিছে :

২৯। মাননীয় বন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৭৮-৭৯ চনৰ বাবে ৰেলৱে শ্লিপাৰৰ মূল্য পৰৱৰ্ত্তী কালত বৰ্দ্ধিত কৰা হৈছিল নেকি ?

খ) গোৱালপাৰা ফৰেষ্ট ডিভিজনৰ বাহিৰে অসমৰ সকলো ফৰেষ্ট ডিভিজনৰ ( Sleeper ) যোগান দিওতা সকলক বৰ্দ্ধিত হাৰত Sleeper ৰ দাম দিয়া হৈছিল নেকি ?

গ) যদি হৈছিল, গোৱালপাৰা ডিভিজনৰ Sleeper Supplier বোৰক বৰ্দ্ধিত হাৰত পাবলগীয়া বাকী টকা দিয়া হবনে আৰু যদি হয় কেতিয়া হব ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

ক) হয়। ১৯৭৮-৭৯ চনৰ বাবে ৰেলওৱে শ্লিপাৰৰ মূল্য পৰৱৰ্ত্তী কালত বৰ্দ্ধিত কৰা হৈছিল।

খ) হয়, সকলো সংশ্লিষ্ট সংমণ্ডলত বৰ্দ্ধিত মূল্যত শ্লিপাৰৰ কাম দিয়া হৈছিল।

গ) গোৱালপাৰা বন সংমণ্ডলত দুজন ঠিকাদাৰক টকা আদায় দিয়া হৈছে। বাকী সকলৰ দাবীবোৰ পৰীক্ষা কৰি থকা হৈছে।

## Re : Drinking Water to Subong Tea Estate.

Sri Altaf Hussain Mazumdar asked :

30. Will the Minister, Labour & Employment be pleased to state.

(a) Is the Government aware that there is no proper drinking facilities provided to the labourers of Subong Tea Estate ( Cacher ).

(b) If so, when the Government first came to know about it ?

(c) If so, the steps the Government has taken in the meantime ?

(d) If not will the Government take immediate steps to provide drinking water to the labourers of Subong T. E. ?

Sri Barki Prasad Telenga ( Minister of Labour & Employment ) replied :

(a) Government is aware that the Management of Subong T. E. failed to provide adequate drinking water facilities to their workers.

(b) Government first came to know about it on 25-2-86 in course of inspection of the garden.

(c) The management was directed to improve the drinking water facilities and it is reported that management has already provided 20 ( twenty ) additional water points besides existing 14 ( fourteen ) number of Pucca Ring Wells by December, 1986.

(d) In view of reply to (c) above the question does not arise.

বিষয়—কৃষিৰ বাবে সাহায্য।

শ্ৰীমকবুল হুছেইনে সুধিছে ঃ

৩১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কৃষিৰ শিতানৰ সম্পূৰ্ণ সাহায্য আৰু অনুদানৰ ব্যৱস্থা কেৱল মাত্ৰ উন্নত জাতৰ খেতি কৰা খেতিয়কৰ সুবিধাৰ বাবে চৰকাৰে ব্যৱস্থা লয় আৰু ইয়াৰ ফলত ৯০ শতাংশৰো অধিক স্থানীয় জাতৰ খেতি কৰা খেতিয়ক উক্ত চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হৈ থকাৰ পৰিপ্ৰেক্ষিতত স্থানীয় জাতৰ খেতি কৰা দুখীয়া খেতিয়ক সকলৈ চৰকাৰে সাহায্য, অনুদান আদি দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীনীলমনি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) কৃষি বিভাগৰ মুল উদ্দেশ্য হ'ল উন্নত জাতৰ খেতিৰ সম্প্ৰসাৰণ কৰা। কিন্তু এইটো সঁচা নহয় যে কেৱল উন্নত জাতৰ খেতি কৰা খেতিয়ক সকলকহে সাহায্য দিয়া হয়। বীজৰ বাহিৰে অন্যান্য সাহায্য সমুহ যেনে পানী যোগান কীটনাশক দ্ৰব্য আৰু সা-সজুলি আদি থলুৱা জাতৰ খেতি কৰা কৃষক সকলকো দিয়া হয়। বীজৰ ক্ষেত্ৰত অৱশ্যে বিভাগে সাধাৰণতে কেৱল উন্নত জাতৰ বীজহে যোগান ধৰে। বানপানী বা খৰাং বতৰৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিত থলুৱা জাতৰ বীজ ব্যৱহাৰ কৰা হয়।

**Re : Survey for Zinjiram Bridge, Between South Salmara and Phulbari.**

Shri Dewan Joynal Abedin asked. :

32. Will the Minister P. W. D. be pleased to state :

(a) Whether it is a fact that a survey was conducted by the P. W. D. Department ( NDC ) for construction of an R. C. C. bridge over the Zinjiram river between South Salmara and Phulbari ?

(b) If so, the cost of the survey ?

(c) When the construction of the bridge would be started ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ৩৯,৩২৫ টকা।

(গ) দলংখন নিৰ্মাণৰ কাৰণে উত্তৰ পূৱ পৰিষদৰ ওচৰত প্ৰাক্কলন দাখিল কৰা হৈছিল যদিও তেওঁলোকে আৰ্থিক মঞ্জুৰি দিয়া নাই। এই পৰিপ্ৰেক্ষিতত দলং কেতিয়াকৈ আৰম্ভ কৰা হব কব নোৱাৰি।

**Re : Sonai R.C.C. Bridge.**

Shri Abdul Rob Laskar asked :

33. Will the Minister P. W. D. be pleased to state :

(a) The total amount sanctioned by the central Government for the repairing/construction of Sonai R. C.C. bridge damaged by the earthquake of 1984 ?

(b) Total amount spent for construction of fair weather bridges near the R. C. C. bridge, Sonai since the amount was sanctioned by the Central Government ?

(c) What is the balance amount ?

(d) The amount spent for the construction of the fair weather bridge of 1987 ?

(e) Whether the amount spent in 1987 would be deducted from the amount sanctioned by the Central Government ?

(f) Whether the quotation for repairing of the R. C. C. bridge, damaged by earthquake was called for the 6th time ?

(g) If so, whether the quatation has accepted ?

(h) If so, when the repairing work is expected to be completed ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) কাছাৰ জিলাত ভূমিকম্পত সা-সম্পত্তি বিনষ্ট হোৱাৰ কাৰণে চৰকাৰে ১০৭·০৬ লাখ টকা আবন্তন কৰাত নিৰ্দ্দিষ্ট মূলধন সোমাই দলংৰ কাৰণে উল্লেখ কৰা নাই।

খ) ২,৫৮,৭৯৮·৫২ টকা।

গ) বাকী ৭৭·০৬ লাখ।

ঘ) নাই।

ঙ) ওপৰত উল্লেখ কৰা (ঘ)ৰ মতে প্ৰশ্ন নুঠে।

চ) হয়, ৬ বাৰ নিবিদা দিয়া হৈছিল।

ছ) মূল্য জ্ঞাপন ( কোটেচন ) পোৱা হৈছিল।

জ) মূল্য জ্ঞাপন বিলাক বিবেচনাধীন হৈ আছে।

### Re : Bridge at Maspara Badribasti

Shri Abdul Rob Laskar, asked :

34. Will the Minister, P. W. D. be pleased to State :

(a) Whether the Government is aware that the Wooden Bridge at Maspa-ra Badribasti under Silchar Sub-Division of Cachar District is in a delapidated condition ?

(b) If so, the steps the Government has taken for the repairing or re-construction of the said bridge ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে:

ক) হয়, জানে।

খ) এইটো চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

## বিষয়—বনাঞ্চলৰ ভিতৰত উচ্ছেদ।

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে:

৩৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) ১৯৮৬-৮৭ চনৰ ভিতৰত বনাঞ্চলৰ ভিতৰত বাস কৰি থকা কিমান পৰিয়ালক উচ্ছেদ কৰা হৈছে?

খ) উচ্ছেদ হোৱাৰ পিচত এইলোক সকলক সংস্থাপিত কৰাৰ কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মাননীয় বন মন্ত্ৰী) যে উত্তৰ দিছে।

ক) বনাঞ্চলৰ ভিতৰত বৈধ্যভাৱে বাস কৰি থকা কোনো পৰিয়ালক ১৯৮৬-৮৭ চনত (যেনে বনগাওঁ) উচ্ছেদ কৰা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

## বিষয়—রাস্তার মেরামতির জন্যে গড়কাপ্তানী বিভাগের মঞ্জুরী।

শ্ৰীরমেন্দ্র দেই, জিজ্ঞাচা করিয়াচেন:

৩৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি:

ক) রাস্তাঘাট মেরামতির জন্য গড়কাপ্তানী বিভাগকে ১৯৮৪-৮৫-৮৬ ইংরেজিতে কত টাকা মঞ্জুৰী দেওয়া হয়েছে?

খ) করিমগঞ্জ PWD Dvn. এ কত টাকা দেওয়া হয়েছে?

গ) করিমগঞ্জ PWD Dvn. এ F. D. R. এ কত টাকা দেওয়া হয়েছে?

ঘ) কোন কোন রাস্তায় কত টাকা খরচ হয়েছে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে:

ক) ১। ১৯৮৪-৮৫ বছৰৰ বাবে ১২২৫.০০ লাখ টকা।

২। ১৯৮৫-৮৬ বছৰৰ বাবে ১৩৬৫.০০ লাখ টকা।

খ) ১। ১৯৮৪-৮৫ বছৰৰ বাবে ২৮.৭৯ লাখ টকা।

২। ১৯৮৫-৮৬ বছৰৰ বাবে ৩০.০০ লাখ টকা।

গ) ১। ১৯৮৪-৮৫ বছৰৰ বাবে ২৫.৫০ লাখ টকা।

২। ১৯৮৫-৮৬ বছৰৰ বাবে ১১.০০ লাখ টকা।

ঘ) ৰাস্তাৰ নাম আৰু খৰচৰ পৰিমাণ তালিকাত দেখুৱা মতে দিয়া হৈছে।
(তালিকা অনুবন্ধ 'Z' ত চাওক)

## বিষয়—নিয়োগ বিনিময় কেন্দ্র থেকে চাকুরী।

শ্রীরমেন্দ্র দেই জিজ্ঞাছা করিয়াছেন :

৩৭। মাননীয় শ্রম বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) ১৯৮৫ ইং ডিসেম্বর মাসে কামরূপ, ডিব্রুগড়, নগার, হাইলাকান্দি ও করিমগঞ্জ (Employment Exchange) এ রেজিষ্ট্রিকৃত বেকারর সংখ্যা যথাক্রমে কতছিল ও বর্ত্তমানে কত ?

খ) গত একবছরে উপরোক্ত (Employment Exchange) থেকে যথাক্রমে কত জনের চাকুরী হয়েছে ?

শ্রীবাৰ্কী প্রসাদ তেলেঙ্গা (শ্রম বিভাগৰ মন্ত্রী) যে উত্তৰ দিছে :

ক) ইংৰাজী ১৯৮৫ চনৰ ডিচেম্বৰ মাহত কামৰূপ, ডিব্রুগড়, নগাওঁ, ও কৰিমগঞ্জ জিলা আৰু হাইলাকান্দি মহকুমাৰ নিয়োগ বিনিময় কেন্দ্র সমূহত পঞ্জীয়নকৃত নিবনুৱাৰ সংখ্যা যথাক্রমে ১,০৭,৪৮১, ৬৩,০০৫, ৬৬,৫৫৬, ১৭,২৭১, আৰু ১২,৫৯২ জন। ১৯৮৬ চনৰ ৩১ ডিচেম্বৰলৈকে উপৰোক্ত জিলা আৰু মহকুমাৰ অন্তৰ্গত নিয়োগ বিনিয়ম কেন্দ্র সমূহত পঞ্জীয়নকৃত নিবনুৱাৰ সংখ্যা যথাক্রমে ১,৩৭,৮০৭, ৯১.৬৭৫. ৮৬,৩৩৮, ২১,৫৫৭, আৰু ১৫,৯৭২ জন।

খ) যোৱা একবছৰত (১৯৮৬ চনৰ ডিচেম্বৰলৈ) উপৰোক্ত নিয়োগ বিনিময় কেন্দ্র সমূহত কৰ্মসংস্থান পোৱা লোকৰ সংখ্যা হল যথাক্রমে ৩৬২, ১৩৯২, ৬৩৫, ১৩৩ আৰু ১৭১ জন।

## বিষয়—আসামের রেজিষ্টারকৃত বেকারর সংখ্যা।

শ্রীরমেন্দ্র দেই জিজ্ঞাছা করিয়াছে ?

৩৮। মাননীয় শ্রম ও নিয়োগ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি :

ক) আসাম রাজ্যে রেজিষ্টারকৃত বেকারর সংখ্যা কত।

খ) ১৯৮১-৮২ ইংয়েজিতে সংখ্যা কতছিল ও বেকার সংখ্যাবৃদ্ধির হার কত ?

গ) ব্যাপক কর্ম সংস্থানের ব্যবস্থা করার কোন পরিকল্পনা সরকার হাতে নিয়েছেন কি ?

ঘ) যদি নিয়ে থাকেন তবে পরিকল্পনা বা কৰ্ম্মসূচীটি কি ?

ঙ) কর্মসংস্থান না হওয়া পর্য্যান্ত প্রত্যেক বেকারকে বেকার ভাতা দেওয়ার কৰ্ম্মসূচী সরকার হাতে নিবেন কি ?

শ্রীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) ১৯৮৬ চনৰ ডিচেম্বৰ মাহলৈ ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীয়ন ভুক্ত নিবনুৱা প্ৰাৰ্থীৰ সংখ্যা হল ৮১৫২৫১ জন।

খ) ১৯৮১-১৯৮২ চনৰ ডিচেম্বৰলৈ অসমত পঞ্জীয়নভুক্ত নিবনুৱা প্ৰাৰ্থীৰ সংখ্যা যথাক্ৰমে ৩৭৩০৩৫ আৰু ৪০৩১১৩ জন আছিল। নিবনুৱা সংখ্যা বৃদ্ধিৰ হাৰ শতকৰা ৮.০৬।

গ) এই সম্পৰ্কে পৰিকল্পনা গ্ৰহণৰ নিমিত্তে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

ঘ) প্ৰশ্ন নুঠে।

ঙ) লোৱা হৈছে। কিন্তু এই পৰিকল্পনাটো নিৰ্দ্দিষ্ট সময়ৰ বাবে আৰু কেৱল স্নাতক নিবনুৱা যুৱক-যুৱতীৰ বাবেহে লোৱা হৈছে।

## বিষয় - শিংৰা হেকেৰা নগৰবেৰা ৰাস্তা।

শ্ৰীগোপীনাথ দাসে সুধিছে :

৩৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটী মহকুমাৰ অন্তৰ্গত "শিংৰা হেকেৰা নগৰবেৰা" ৰাস্তাত Black toppingৰ বাবে ১৯৮৬-৮৭ চনত কিমান মঞ্জুৰী দিয়া হৈছে জনাবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) এক লাখ টকাৰ মঞ্জুৰী দিয়া হৈছে।

## Re : Lanka Lumding Road.

Shri Ardhendu Kumar Dey asked :

40. Will the Minister, P.W.D. be pleased to State :

(a) When the Lanka Lumding Road is going to be completed ?

(b) Whether it is within the knowledge of the Government that very recently an oil tranker carrying kerosine oil fell into accident while crossing a bridge in this road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই পথচোৱা কেন্দ্ৰীয় চৰকাৰৰ অধীনত, সেয়েহে এই বিষয়ে সীমান্ত পথ সংগঠনৰ পৰা জানিব বিচৰা হৈছে।

(খ) এই পথৰ ৩২।১ নং দলংখনত তেলবাহী গাড়ীখন দুৰ্ঘটনাত পতিত হোৱাৰ

কথা চৰকাৰে জানে। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিষয়াক উক্ত পথৰ দলং সমূহ উন্নত কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ কৰিছে।

## বিষয়—মেৰাপানীৰ পৰিদৰ্শন বঙলা।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

৪১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোলাঘাট সমষ্টিৰ মেৰাপানীত নগা আক্ৰমণত ক্ষতিগ্ৰস্থ হোৱা পৰিদৰ্শন বঙলা (I. B.) পুনৰ মেৰামতি কৰা হব নেকি ?

খ) যদি হয়, কেতিয়া কৰা হব আৰু ইয়াৰ বাবে কিমান পৰিমাণৰ টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) হয়, আৱশ্যকীয় বিধি সংগৃহিত হলে মেৰামতি কৰা হব।

খ) কেতিয়া কৰা হব এই বিষয়ে এতিয়ালৈ কোনো সিদ্ধান্ত হোৱা নাই। বৰ্ত্তমান কৰিবলৈ হলে প্ৰায় তিনি লাখ পঞ্চাচ হাজাৰ টকাৰ প্ৰয়োজন হব।

## বিষয়—বন আইন সংশোধনৰ ব্যৱস্থা।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

৪২। অনুগ্ৰহ কৰি মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ঃ

ক) অসম চৰকাৰে বন আইনখন সংশোধন কৰাৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি ?

খ) যদি লৈছে কি কি ধাৰা সংশোধন কৰিব অনুগ্ৰহ কৰি জনাবনে ঃ

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়, লোৱা হৈছে।

খ) এই ক্ষেত্ৰত চৰকাৰে এখন কমিটি গঠন কৰি দিছে। উক্ত কমিটিৰ সুপাৰিশ অনুযায়ী চৰকাৰে বিহীত ব্যৱস্থা লোৱাৰ বিষয়ে সিদ্ধান্ত লব। কি কি আইনৰ ধাৰা সংশোধন কৰা হব আগতিয়াকৈ কোৱা টান হব। বন বিধিৰ প্ৰথম খণ্ডৰ খচৰা সংশোধন কৰা কাৰ্য্য সমাপ্ত হৈছে।

## বিষয়—গ্ৰাম সেৱকৰ সংখ্যা।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৪৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্ত্তমান অসমত কিমান জন গ্ৰাম সেৱক আছে ?

খ) গ্ৰাম সেৱকৰ নিয়োগৰ নীতি কি ?

গ) গ্ৰাম সেৱক সকলৰ নিৰ্দ্ধাৰিত দায়িত্ব কি ?

ঘ) গ্ৰাম সেৱকৰ নিৰ্দ্ধাৰিত দায়িত্ব কোনে পৰিদৰ্শন কৰে ?

ঙ) গ্ৰাম সেৱকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীনীলমনি দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

ক) ২৪৪৪ জন ।

খ) প্ৰাৰ্থীৰ প্ৰবেশিকা পৰীক্ষাত শতকৰা ৪৫ নম্বৰ পোৱাৰ যোগ্যতা থাকিব লাগে । শাৰীৰিক সুস্থতা আৰু গাওঁ পৰ্য্যায়ৰ পৰা অহা প্ৰাৰ্থীক বাচনি কৰা হয় । বাচনিৰ কাৰণে এখন কমিটি থাকে । কমিটিয়ে জিলা কৃষি বিষয়াৰ সভাপতিত্বত মহকুমা কৃষি বিষয়া, কৃষি বিশেষজ্ঞ আৰু এগৰাকী আঞ্চলিক কৃষি যুতীয়া সঞ্চালকৰ নিৰীক্ষণত বাচনি কৰে । বাচনিৰ পিচত এবছৰ কাল প্ৰশিক্ষণ লৈ উত্তীৰ্ণ হোৱা প্ৰাৰ্থী সকলক যোগ্য বুলি চাকৰিত নিয়োগ কৰে ।

গ) কৃষক ৰাইজৰ মাজত উন্নত কৃষি সম্বন্ধে দিহা পৰামৰ্শ দিয়া আৰু প্ৰদৰ্শনৰ সহায়ত উন্নত কৃষি পদ্ধতি গ্ৰহণ কৰাত সহায় কৰা, আনহাতে কৃষকৰ যিবোৰ কাৰীকৰি কৃষি সমস্যা আছে সেইবোৰ কৃষি গবেষণা গাৰত পঠোৱা আৰু উচ্চ বিষয়াৰ দৃষ্টি গোচৰ কৰোৱাটোৱেই গ্ৰাম সেৱকৰ মূল দায়িত্ব ।

(ঘ) কৃষি সম্প্ৰসাৰণ বিষয়া সকলে ।

(ঙ) আছে ।

## বিষয়—লালুক ইচলামপুৰ গড়কাপ্তানী পথৰ উন্নয়ন ।

শ্ৰীজগত হাজৰিকাই সুধিছে ?

৪৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) লালুক ইচলামপুৰ গড়কাপ্তানী পথেৰে লক্ষীমপুৰ জিলাৰ সকলো ধৰণৰ যানবাহন চলাচল কৰাৰ কথা চৰকাৰে জানেনে ?

খ) উক্ত পথটিৰ শোচনীয় অৱস্থালৈ লক্ষ্য ৰাখি ইয়াৰ উন্নয়নৰ ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

ক) হয় জানে ।

খ) উক্ত পথটি নিয়মিত ভাৱে মেৰামতি কৰি কথা হৈছে । ইতিমধ্যে,

উক্ত পথত থকা দুখন কাঠৰ দলং স্থায়ীভাৱে পকীকৰণ কৰি নিৰ্মান কৰিবলৈ যুগুতোৱা প্ৰাথমিক প্ৰাক্‌কলন বিবেচনাধীন হৈ আছে।

**Subject : Reopening of Khoril T. E.**

Shri Altaf Hussain Mazumdar asked.

45. Will the Minister, Labour be pleased to state ?

(a) Is it a fact that Khoril T. E. ( Cachar ) with two out gardens namely Kalinagar and Mashimpur are closed and labourers were thrown out of employment ?

(b) Whether any concrete steps the Government has taken to get the garden reopened ?

(c) If not, will the Government take immediate steps in that behalf.

Shri Barki Prasad Telenga ( The Minister of Labour ) replied.

(a) Khoril T. E. including its out gardens Kalinagar and Mashimpur was temporarily closed from last week of October, 1985 till 19.9.86. As a result of temporary closure of the garden 317 permanent labourers and 29 casual labourers were rendered jobless.

(b) The garden was reopened on 20.9.86.

(c) In view of reply to.

(d) above this question does not arise.

**Repairing of P.W.D. Roads.**

Shri Altaf Hussain Mazumdar asked.

46. Will the Minister P.W.D. be pleased to State :

(a) Is it a fact that the condition of the following roads under Silchar Division are extremely bad, namely :

(i) T.R.K. Road ( from S. J. Road to Rajnagar ferry ).

(ii) S. J. Road.

(iii) Buriba il Road.

(iv) Nilcharra Harang Road.

(b) If so, since when it came to the notice of the Government ?

(c) Will the Government provide funds immediately for repair of the aforementioned Roads ?

Shri Atul Bora ( The Minister of P.W.D. ) replied.

(ক) হয়, কিন্তু অতি শোচনীয় নহয়।

(খ) ১৯৮৫ চনৰ জুনমাহৰ বানপানীৰ সময়ৰ পৰা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

(গ) হয়, পৰ্য্যাপ্ত পৰিমাণৰ ধন পালে মেৰামতি কৰা হব।

## Depredation by Wild Elephants.

Shri Altaf Hussain Mazumdar asked.

47. Will the Minister Forest be pleased to State.

a) The amount entitled to by the heirs of the persons killed by wild elephants as relief or otherwise, and which department pays that amount ?

b) If it a fact that since last several years, wild elephants were causing depredations and killing of persons in Narayancherra and neighbouring areas under Borkhola P.S. of Cachar ?

c) If so, the number of persons killed in 1985, 1986 and 1987 ( with their names, age and address ) and the amount of compensation or relief paid to the heirs of the deceased ( with dates and amounts ).

d) If no compensation or relief paid, will the government pay it immediately ?

e) The steps, government propose to take to stop recurring depredations by wild elephants in Narayancherra and neighbouring areas under Borkhola police station ?

Shri Bharat Narah ( Minister of Forest ) replied.

a) Amount entitled as ex-gratiapayment to deceased family as under.

i) To the next of kin of a person killed by wild animal Rs. 5000/-.

ii) For loss of limbs or other injuries resulting in permanent disability Rs, 3000/-, The payment is made by the Forest department,

b) Yes, it is fact,

c) The names of persons killed by wild elephants in Narayancherra and neighbouring areas under Borkhola P. S. are as follows :

| 1985 | 1986 | 1987 |
|---|---|---|
| 1. Sri Bishnu Rabidas<br>S/O Sri Bimraj Rabidas<br>Village Arikhol.<br>P. O. Borkhola, Cachar.<br>2. Sri Banka Bouri<br>S/O Late Balachand Bouri,<br>P. O. Borkhola, Cachar. | 1. Smti Samari Bouri,<br>W/O Astham Bouri<br>Adult.<br>2. Sri Moni Bouri, Minor<br>3. Smti Brojen Bala, Minor<br>Vill. Narayancherra Garden.<br>P. O. Borkhola, Cachar. | Nil |

The ex-gratia payment as admissible is ordered for payment.

d) Does not arise.

e) The matter is under Government's active consideration.

**Re : Ethnic Linguistic Cases of the Bishnupriya Manipuri People.**

Shri Manilal Goala asked.

48. Will the Minister of Welfare of Plains Tribes and Backward Classes be pleased to State :

Whether the Government has considered the ethnic, linguistic cases of the Bishnupriya Manspuri people as assured in written reply to question No. 159 dated 12th August, 1986 ?

Shri Bharat Chandra Narah ( The Minister of Plains Tribes and Backward Classes ) replied.

The Linguistic and ethnic cases of Bishnupriya Manipuri people are under consideration of the Governement.

**Re : Chandrahira Charaibari Road.**

Shri Manilal Goala asked.

49. Will the Minister of P. W. D. be pleased to State :

a) Is it a fact that Chandrahira Charaibari Road under Karimganj Division leads to Indo Bagladesh Border

Lathitilla Dumabari etc end runs through a good number of tea industries ?

b) Is it also a fact that due to the non-improvement of the road transportation will be a major handicapped in rainy season and it will be severe setback in the growth and expansion of these industries ?

c) If so, what improvement measures do the Govt. propose to take considering its Geographical and economical importance ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) হয়।

খ) এনে হোৱাটো স্বাভাৱিক।

গ) আৱশ্যকীয় পুজিৰ ব্যৱস্থা হলে উন্নয়নৰ কাম হাতত লব পৰা যাব।

## বিষয়—বিমান কোঠৰ পৰা গুৱাহাটীলৈ ৰাষ্ট্ৰীয় পথ।

শ্ৰীআব্দুল জলিলে সুধিছে?

৫০। গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিমান কোঠৰ পৰা গুৱাহাটীলৈ অহা ৰাষ্ট্ৰীয় পথ চোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গনৰ বাহিৰেদি নিৰ্মাণ কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি?

(খ) যদি লৈছে তেন্তে কোন ফালেদি?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) বৰ্ত্তমান এই বিষয়ত তেনে ব্যৱস্থা লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয়—নিবনুৱাৰ সংখ্যা।

শ্ৰীআব্দুল জলিলে সুধিছে।

৫১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত ৰেজিষ্ট্ৰী কৰা নিবনুৱাৰ সংখ্যা কিমান?

(খ) নিবনুৱা সকলৰ কৰ্ম্মসংস্থানৰ কিবা আঁচনি লৈছে নেকি?

(গ) যদি লৈছে কি কি?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব ।

(ক) ১৯৮৬ চনৰ ডিচেম্বৰলৈ ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীয়ন ভূক্ত নিবনুৱা প্ৰাৰ্থীৰ সংখ্যা হল ৮,১৫,২৫১ জন ।

খ) এই সম্পৰ্কে পৰিকল্পনা গ্ৰহনৰ নিমিত্তে চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(গ) প্ৰশ্ন নুঠে ।

## Miscellaneons Discussion

মাননীয় অধ্যক্ষ—এতিয়া এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব শ্ৰীজয়নাথ শৰ্ম্মাই ।

*শ্ৰীজয়নাথ শৰ্ম্মা—মাননীয় অধ্যক্ষ যোৱা কালি দৈনিক অসমত এটা বিশেষ গুৰুত্বপূৰ্ণ বিষয় প্ৰকাশিত হৈছে । এই বিষয়টো মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে কাছাৰত বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষা দাবী— বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাত বৰাক উপত্যকাত প্ৰাথমিক পৰ্য্যায়ত শিক্ষা মাধ্যম কাৰীৰ দাবীত কালিৰে পৰা নিখিল বিষ্ণুপ্ৰিয়া মনিপুৰী ছাত্ৰ সন্থাৰ, বৃহত্তৰ গুৱাহাটী গোটে বিধান সভাৰ সন্মুখত কালিপুৱা ৯ বজাৰ পৰা ৩৬ ঘন্টীয়া অনশন ধৰ্ম্মঘট আৰম্ভ কৰিছে ।

বৰাক উপত্যকাত থকা প্ৰকৃত সংখ্যালঘু ২৫ হাজাৰ জনসাধাৰণে এটা দাবী তুলিছে আৰু এই দাবীটো হল যে বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষা অসমৰ এটা থলুৱা ভাষা আৰু এই ভাষাটোক শিক্ষাৰ মাধ্যম হিচাপে প্ৰাথমিক পৰ্য্যায়ত স্বীকৃতি দিব লাগে । দুখৰ বিষয় ১৯৮৩ চনৰ ৪ নবেম্বৰত এটা হকে বিহকে ৰাজনৈতিক সিদ্ধান্ত কৰা হল সেই বছৰৰে ২৪ নবেম্বৰত অসম গেজেটত বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাক প্ৰাথমিক পৰ্য্যায়ত মাধ্যম হিচাপে লৈ অসম চৰকাৰে গেজেট নটিফিকেচন কৰিলে । তাৰ পিছৰ পৰা আজিলৈকে কি কাৰণত তেওঁলোকৰ এই ভাষাটো প্ৰকৃত পক্ষে চৰকাৰৰ সেই সিদ্ধান্ত মৰ্ম্মে বাস্তৱত কাৰ্য্যকৰণ হোৱা নাই । আজি তেওঁলোক আন্দোলনমূখী হল আৰু আমাৰ অসমত থকা সকলো জনগোষ্ঠীৰ বিষয়ত বিশেষ সংখ্যালঘু সম্পৰ্কত কোৱা সকলে আজি এই প্ৰকৃত সংখ্যালঘু খিলঞ্জীয়া বিষ্ণুপ্ৰিয়া মনিপৰী সকলক জোৰ কৰি তেওঁলোকৰ নিজৰ মাতৃভাষা পঢ়িবলৈ দিয়া নাই । কাছাৰ জিলাত জোৰ কৰি বঙালী ভাষা পঢ়োৱা হৈছে । তেওঁলোকে ইয়াত প্ৰতিবাদ কৰিছে । এই প্ৰতিবাদ গণতান্ত্ৰিক প্ৰক্ৰিয়াত তেওঁলোকৰ দাবী চৰকাৰৰ ওচৰত উত্থাপন কৰিছে আৰু চৰকাৰী ভাৱে সেই দাবীটো

*Speech not corrected.

১৯৮৩ চনত স্বীকৃতি দিয়া হৈছিল। আজি মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়টোৰ জৰিয়তে সুধিব বিছাৰিছো যে এবাৰ চৰকাৰে লোৱা সিদ্ধান্ত কি কাৰণত কাৰ্য্যকৰণ হোৱা নাই ? কি কাৰণত প্ৰকৃত সংখ্যালঘু গোষ্ঠীক আন্দোলনমুখী হবলৈ থেলি দিয়া হৈছে ? ৰাজনৈতিক ভাৱে এনেধৰণৰ ভেকোভাওনা সিদ্ধান্ত কি কাৰণত যোৱা ১৯৮৩ চনৰ ১৪ নবেম্বৰত লোৱা হৈছিল ? এই বিষয় সমূহৰ প্ৰতি বিশেষ দৃষ্টি ভঙ্গী লব মন্ত্ৰী মহোদয়ে এক সিদ্ধান্ত লৈ মনিপুৰী ভাষাৰ সমস্যা সমাধান যাতে কৰে।

*বৃন্দাবন গোস্বামী ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষা সম্পৰ্কে যি প্ৰস্তাৱ উত্থাপন কৰিছে আৰু তেখেতৰ বক্তব্যৰ প্ৰতি সমৰ্থন জনাই এই সম্পৰ্কত মই আপোনালোকৰ আগত ব্যাখ্যা কৰিবলৈ ওলাইছো। অসম গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পিচত এইকথা বাৰম্বাৰ কৈ আহিছো যে, যাৰ যি মাতৃভাষা সি প্ৰাথমিক স্তৰত সেই ভাষাত শিক্ষা দানৰ সুবিধা পাব লাগে আৰু সেইদৰে বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাত কেতবোৰ ব্যৱস্থা লৈ আহিছো। বিষ্ণুপ্ৰিয়া মনিপুৰীসকলে তেওঁলোকৰ মাতৃভাষাত শিক্ষা পাবৰ কাৰণে প্ৰাথমিক স্তৰত বহুত দিনৰ পৰা দাবী জনাই আহিছে। এই বিষয়ে সময়ে সময়ে চৰকাৰে সিদ্ধান্ত লোৱাতো মিছা নহয় সঁচা কথা। তাতো এটা সমস্যাৰ উদ্ভৱ হৈছে। বিষ্ণুপুৰী মনিপুৰী সকলে বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষা প্ৰবৰ্ত্তনৰ দাবী জনাইছে। কিন্তু আন কেতবোৰ সংগঠন আৰু পৰিষদে মনিপুৰী শব্দটো ইয়াত প্ৰযোজ্য হব নালাগে বুলি দাবী উত্থাপন কৰিছে। সেই কাৰণে এই বিষয়টোৰ ওপৰত চৰকাৰে সিদ্ধান্ত লব পৰা হোৱা নাই। যদিও পূৰ্বৰ চৰকাৰৰ দিনত এই ভাষা প্ৰবৰ্ত্তনৰ কাৰণে ব্যৱস্থা লোৱা হৈছিল, মুলতে প্ৰবৰ্ত্তন কৰিব নোৱাৰা কাৰণ হৈছে বিষ্ণুপ্ৰিয়া সকলে বিচাৰে তেওঁলোকৰ ভাষাৰ লগত মনিপুৰী শব্দটো প্ৰযোজ্য হব লাগে। আন এচামে তাৰ পৰা শব্দটো প্ৰত্যাহাৰ কৰাৰ দাবী উত্থাপন কৰিছে। আমি এই বিষয়ে অবগত হোৱাৰ লগে লগে এই বিষয়ে বিষয়টো তেওঁলোকৰ লগত মুকলিভাবে আলোচনা কৰিছো। বিষয়টো বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰৰ লগতো জৰিত হৈ আছে। The Registrar General of India stated, it is a minority language. It has therefore, endorsed the representation to the minority Comnission of India. ইয়াৰ পিচত বিষ্ণুপ্ৰিয়া মনিপুৰী

* Speech not corrected.

বুলি এই ভাষা প্ৰবৰ্ত্তন কৰিবলৈ যোৱাৰ লগে লগে পুনৰ এই বিষয়ত বাদানুবাদৰ সৃষ্টি হয়। ফলত সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ পৰা পুনৰ ব্যাহত হয়। তাৰোপৰি ওচৰ চুবুৰীয়া ৰাজ্যৰ মনিপুৰৰ মুখ্যমন্ত্ৰীদেৰে এই সম্পৰ্কত আপত্তি তুলি আমাৰ মুখ্যমন্ত্ৰী মহোদয়লৈ এখন পত্ৰ লিখিছিল। মুখ্যমন্ত্ৰীৰ পৰ্য্যায়ত এই সম্পৰ্কে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ বিচাৰি ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ ৯ তাৰিখে মনিপুৰৰ মুখ্যমন্ত্ৰীয়ে দিয়া চিঠিৰ লগত সংলগ্ন কৰি কেন্দ্ৰীয় চৰকাৰৰ এখন চিঠি প্ৰেৰণ কৰা হয়। ডিচেম্বৰ মাহৰ ২০ তাৰিখে প্ৰধান মন্ত্ৰীয়ে বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষা সম্পৰ্কীয় মুখ্যমন্ত্ৰীৰ চিঠি পোৱা বুলি জনাইছে আৰু বিষয়টো পৰীক্ষা কৰি চাব বুলি আশ্বাস দিছে। ইয়াৰ পিচত বিধান সভা চলি থকা সময়ত আমি মন কৰিছিলো যে, জনতা ভৱনৰ সন্মুখত নিখিল বিষ্ণুপ্ৰিয়া মনিপুৰী ছাত্ৰ সন্থাই বৃহত্তৰ গুৱাহাটী শাখাই ৩৬ ঘন্টীয়া অনশন আৰম্ভ কৰিছে। আমি প্ৰতিনিধি বৰ্গক মাতি আনি আমাৰ দৃষ্টিভঙ্গী স্পষ্টভাৱে জনাইছো যে, মাতৃভাষাত শিক্ষাদান দিয়াত আমাৰ চৰকাৰ আগ্ৰাহান্বিত। কিন্তু বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষা প্ৰবৰ্ত্তনৰ ক্ষেত্ৰত সুদীৰ্ঘ সময় ধৰি চলি অহা আহুকালত সমস্যাৰ সৃষ্টি হৈছে। গতিকে তাৰ মীমাংসাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ বিচৰা হৈছে আৰু প্ৰধান মন্ত্ৰীও বিবেচনা আৰু পৰীক্ষা কৰিম বুলি আমাৰ মুখ্যমন্ত্ৰীক চিঠিৰে জনাইছে। গতিকে তেখেত সকলে আন্দোলনৰ পথ পৰিহাৰ কৰিব লাগে। আমি এতিয়া আলাপ আলোচনাৰ মাজেদি এই বিষয়টোৰ মীমাংসা কৰিব লাগে। কাছাৰত যদিও নিজ মাতৃভাষাৰ মাধ্যমত পঢ়াৰ সুবিধা পোৱা নাই, তাৰো এটা ইতিহাস আছে। সকলো পক্ষই আলোচনা বিলোচনাৰ মাজেৰে এই সমস্যাৰ সমাধান কৰিব নোৱাৰিলে আবেগৰ জৰিয়তে কৰিব নোৱাৰে। প্ৰধান মন্ত্ৰীয়ে বিষয়টো পৰীক্ষা কৰি চাব বুলি কৈছে আৰু আমিও সহযোগ আগবঢ়াব লাগিব। আলোচনাৰ মাধ্যমেৰেহে এই সমস্যা সমাধান হব। মই এই খিনিকে কৈ মাননীয় সদস্যই অনা প্ৰস্তাবৰ স্পষ্টীকৰণ দিছো।

Mr. Speaker—Another matter will be raised by Shri Binai K. Basumatari.

Shri Binai K. Basumatari—Mr. Speaker Sir, I wish to draw the attention of the Government that the Bebak Rabha Kraurang Runsoon had started a Dharna before the Janata Bhavan from 2nd March till today. As the earlier Govt.

had agreed to give them Rabha medium in their Primary Schools and the number decided was 106. But now the present Govt. has reduced the number to 50. That is one of their demands. The second is that the present Govt. had agreed to introduce Rabha language as a subject for three years from class I to class III, and then after 3 years, it will be a medium. The Bebak Rabha Kraurang Runsoon demand is that from the very beginning they should have the Rabha medium. I would like to draw attention of the Govt. to specify their position in this regard.

*বৃন্দাবন গোস্বামী ( মন্ত্ৰী )--মাননীয় অধ্যক্ষ মহোদয়, জন-জাতীয় ভাষা সমৃদ্ধিশালী কৰিবলৈ আমাৰ সকলোৰে ঐকান্তিক আৰু সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন আছে। এই কথা আমি বাৰম্বাৰ উল্লেখ কৰি আহিছো। বিভিন্ন জনগোষ্ঠীৰ মাজত সম্প্ৰীতি আৰু সমন্বয়ৰ এনাজৰী কটকটীয়া কৰাৰ লগত অসমৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাৰ বাবে চলোৱা ভাষা, কৃষ্টি, সংস্কৃতিৰ উন্নতিৰ প্ৰচেষ্টা চলোৱাতো নিতান্ত বাঞ্ছনীয়। জনজাতীয় ভাষা বিকাশৰ কাৰণে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অন্যতম দফা আছিল জনজাতি সকলৰ বাবে স্বকীয়া সামাজিক, সাংস্কৃতিক জীৱনধাৰাৰ বৈশিষ্ট আছে। তেওঁলোকৰ নিজ নিজ কথিত ভাষা আছে। জনজাতীয় ভাষা সমূহক আমি প্ৰাথমিক স্তৰত পাঠ্যক্ৰমত শিক্ষনীয় ভাষা হিচাবে প্ৰস্তুত কৰাৰ প্ৰয়োজন বোধ কৰিছো আৰু লগতে আঞ্চলিক ভাষালৈ ৰূপান্তৰিত কৰাটোৰ ব্যৱস্থা থকা উচিত। সেয়েহে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ এক অন্যতম দফা। এই মৰ্ম্মে সদনৰ মজিয়াত আমি যোৱাবাৰ ঘোষণা কৰি মিচিং ভাষাক আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰীক যাতে মাতৃৰ মুখৰ পৰা শুনি অহা ভাষাতে শিক্ষা আহৰণ কৰিব পাৰে এই উদ্দেশ্যৰে যোৱা বছৰেই আমি আৰম্ভ কৰিছিলো। গতিকে একেদৰেই ৰাভা ভাষা প্ৰৱৰ্ত্তন কৰিবলৈ সিদ্ধান্ত লৈছো। আমি জানিবলৈ পাই আনন্দ পাইছো যে, আমাৰ ৰাজ্যপালৰ ভাষণত এই বিষয়ে উল্লেখ কৰা হৈছে। অসমৰ বিভিন্ন ৰাভা সমাজক প্ৰতিনিধিত্ব কৰা বিভিন্ন সংগঠনৰ লগত মই দীঘলীয়া সময় ধৰি মোৰ সতীৰ্থ মন্ত্ৰী কেইবাগৰাকীৰ সৈতে একেলগে আলোচনা কৰিছিলো। ৰাভা ভাষাৰ ভিতৰত কেইবাটাও

* Speech not corrected

ভাষা আছে। সেই বিলাকৰ ভিতৰত বেৰাং, কোৰাং ৰংচুং আদি প্ৰধান। ৰাভা ভাষাৰ সংৰক্ষন পৰিষদ, ৰাভা ভাষাৰ ছাত্ৰ সন্থা আৰু সদৌ ৰাভা যুৱছাত্ৰ সন্থা আদিৰ বিভিন্ন সংগঠন তাৰোপৰি ৰাভা ভাষা প্ৰতিনিধিত্ব কৰা গন্য মান্য বিদ সকলৰ লগত এই বিষয়ে আলোচনা কৰিছিলো। সেই আলোচনা মৰ্ম্মে কিছু সিদ্ধান্তও লৈছিলো। সেইবিলাকৰ ভিতৰত যোৱাবাৰ মিচিং ভাষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নীতি অনুসৰি যি ব্যৱস্থা লোৱা হৈছিল এই ক্ষেত্ৰটো তেনে ব্যৱস্থাই লোৱা হব। ৰাভা ভাষাৰ প্ৰতিনিধিত্ব কৰা ৰাভা সমাজৰ বিভিন্ন গন্য মান্য লোকৰ লগত আলোচনা কৰি আমাৰ চৰকাৰে সিদ্ধান্ত লৈছিল যে, ৰাভা অধ্যুষিত অঞ্চলত শতকৰা এশভাগ ৰাভা ভাষী ছাত্ৰ-ছাত্ৰী থকা প্ৰাইমেৰী বিদ্যালয় বিলাকত পৰ্য্যায়ক্ৰমে অসমীয়া লিপিত ৰাভা ভাষাৰে শিক্ষাদান কৰা হব বুলি সিদ্ধান্ত লোৱা হৈছে। তেনে বিদ্যালয়তো অসমীয়া মাধ্যম অব্যাহত থাকিব। বৰ্ত্তমান তিনি বছৰত তৃতীয় শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ এই ভাষা প্ৰবৰ্ত্তন কৰা হব। ৩ বছৰৰ পিছত এই প্ৰাথমিক স্কুলবিলাক ৰাভা মাধ্যমৰ স্কুললৈ ৰূপান্তৰিত কৰা হব। ৰাষ্ট্ৰীয় নীতি অনুসৰি এই স্কুলবিলাকত দুটা ভাষা থাকিব। পৰবৰ্ত্তী অৱস্থাত ৰাভা ভাষা বিষয় হিচাবে গণ্য হব। অসম চৰকাৰে ৩ বছৰীয়া প্ৰস্তুতিৰ সময়ছোৱাত ৰাভা ভাষা উন্নত কৰিবলৈ প্ৰচেষ্টা চলাব। আমাৰ চৰকাৰে ৰাভা ভাষাৰ পাঠ্যপুথি প্ৰকাশৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিব। এই বিত্তীয় বছৰত ৰাভা ভাষাৰে যি ৫০ খন বা তাতোধিক প্ৰাথমিক স্কুল আছে তাত ৰাভা ভাষাৰে শিক্ষাদান প্ৰবৰ্ত্তন কৰাৰ ব্যৱস্থা কৰা হৈছে। প্ৰতি স্কুলতে একোজনকৈ বৃত্তিধাৰী শিক্ষকক নিযুক্তি দিয়া হব। এই আলোচনা মৰ্ম্মে এই সিদ্ধান্ত লোৱা হৈছিল। বিদ্যালয় বিলাকৰ পৰিস্থিতি অধ্যয়ন কৰি লব লাগিব ইয়াৰ বাবে কোনো পক্ষৰে দ্বিধা থাকিব নালাগে। মাত্ৰ চৰকাৰৰ লগত আন্তৰিকতা থাকিব লাগে। যি কোনো ভাষা বিকাশৰ বাবে সময়ৰ প্ৰয়োজন আছে। ছাত্ৰ-ছাত্ৰী সকলক প্ৰকৃত মানুহ কৰিবৰ কাৰণে, জ্ঞান দিয়াৰ মাধ্যম হিচাবে মাতৃভাষা ব্যৱহাৰে পথ সুগম কৰিব। এই বিষয়ে ভাষাৰ উন্নতি অনাৰ বাবে ঐকান্তিক প্ৰচেষ্টাৰ প্ৰয়োজন হব। আবেগৰ দ্বাৰা কোনো কাম নহয়, যুক্তিসংগত ভাবে বিষয়টো আগবঢ়াই আনিব লাগিব বুলি আহ্বান জনাই আলোচনা কৰিছিলো। ৰাভা সমাজখনত কেইবাটাও গোষ্ঠী আছে। সেইবিলাকৰ ভিতৰত ৰাংদানী, মাইকাৰী, পাটিৰাভা, কোচৰাভা আদি প্ৰধান। তেওঁলোকৰ ভাষাৰ মাজতো ব্যৱধান আছে।

আলোচনাৰ মজিয়াত ৰাভা ভাষাৰ সংৰক্ষণ কমিটিয়ে দাবী উত্থাপন কৰিছিল আৰু কোৰাং পাঠ্যক্রম চৰকাৰৰ ওচৰত উত্থাপন কৰিছিল । তেওঁলোকে ৰাংদানীক প্ৰতিনিধিত্ব কৰা নাই । মই অনুৰোধ কৰিছিলো ভাষা বিকাশৰ বাবে সময় লাগিব । সমিল মিলৰ মাজত এটা পাঠ্যক্রম আৰম্ভ কৰক । সেই কাৰণে আপোনালোকে বিভাজন নানি ভাষা বিকাশৰ কাৰণে এক হব লাগিব । সমস্যাটো আপোনালোকে নিজে মীমাংসা কৰি ৰাভা ভাষাৰ মাধ্যমেৰে যাতে ৰাভা অধ্যুষিত অঞ্চলত ৰাভা মাতৃভাষাৰে শিক্ষাদান কৰিবলৈ সুবিধা পায় তাৰ ব্যৱস্থা কৰিব লাগে । উমৈহতীয়াভাবে নিজৰ মাজত ঐক্যবদ্ধ হব লাগিব । ইতিমধ্যে দুধনৈৰ সদৌ অসম ৰাভা যুৱ ছাত্ৰ পৰিষদে দাবী তুলিছে যে, তেওঁলোকৰ ভাষা গ্ৰহণযোগ্য নহয় । আমাৰ চৰকাৰৰ ওচৰতো স্বকীয়া পাঠ্যক্রম উত্থাপন কৰিছে ।

অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ ওচৰত নিবেদন জনাব বিচাৰিছো যে ভাষা বিকাশৰ ক্ষেত্ৰত বিভিন্ন ক্ষেত্ৰত মতানৈক্য নানি ইয়াক পৈত্ৰিক বিষয় হিচাবে ব্যৱহাৰ কৰি সমাধানৰ কাৰণে আগবাঢ়িব লাগে । গতিকে সুচল পৰিবেশ সৃষ্টি কৰিব লাগে তেতিয়াহে সহায় হব । আজি যি সকলে জনতা ভৱনৰ সন্মুখত অনশন কৰিছে তেওঁলোকক লিখিত ভাবে চৰকাৰে লোৱা সিদ্ধান্তৰ কথা জনোৱা হৈছে । গতিকে যুক্তিসংগত ভাৱে বিবেচনা কৰি খৰচি মাৰি আলোচনা কৰিছিলো । যাতে চৰকাৰৰ প্ৰতি কোনো সন্দেহ থাকিব নোৱাৰে । আজি ৰাভা মাধ্যমৰ ১০০ স্কুল লাগে বুলি দাবী তুলিছে, কিন্তু এই ১০০ খন স্কুলৰ প্ৰয়োজন আছেনে নাই বিচাৰ কৰিব লাগিব । বৰ্ত্তমান যি ৫০ খন স্কুল আছে তাতে শুভ আৰম্ভ কৰা হওক । এই মাননীয় সদস্যক নিবেদন কৰিব বিচাৰিছো যে, নিশ্চয় এই কথাখিনিৰে তেখেতক স্পষ্টীকৰণ দিব পাৰিছো বুলি ।

## Leave of Absence

মাননীয় অধ্যক্ষ—ইয়াৰ দ্বাৰা মই সদনক জনাওঁ যে, মাননীয় সদস্য শ্ৰীনৰেন তাতীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ স্বাস্থ্যজনিত কাৰণত চিকিৎসাৰ কাৰণে যাব লগা হোৱাত ২ মাৰ্চৰ পৰা আৰম্ভ হোৱা বিধান সভাৰ অধিবেশনত অনুপস্থিতিৰ অনুমতি বিচাৰিছে ।

মাননীয় সদস্য শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে স্বাস্থ্যজনিত কাৰণত চিকিৎসাৰ কাৰণে অসমৰ বাহিৰলৈ যাব লগা হোৱাত ১৯৮৭ চনৰ ২ মাৰ্চৰ পৰা আৰম্ভ হোৱা বিধান সভাৰ বাজেট অধিবেশনত অনুপস্থিতিৰ বাবে অনুমতি বিচাৰিছে ।

মই আশা কৰো ইয়াত সদনৰ অনুমোদন আছে ।

## নিয়মাৱলী সমিতি

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ২৫৯ নং নিয়মৰ অধীনত নিয়মাৱলী সমিতি গঠন কৰিবৰ কাৰণে নিম্নলেখিত সদস্য সকলক মই মনোনীত কৰিলো ।

১। শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ।
২। শ্ৰীপ্ৰদীপ গগৈ ।
৩। শ্ৰীকামাখ্যা চৰণ চৌধুৰী ।
৪। শ্ৰীগোলোক ৰাজবংশী ।
৫। শ্ৰীশৰৎ চন্দ্ৰ সিংহ ।
৬। শ্ৰীমজিৰুদ্দিন আহমেদ ।
৭। শ্ৰীচৰণ নাৰ্জাৰী ।
৮। শ্ৰীহেমেন দাস ।
৯। শ্ৰীজয়নাথ শৰ্মা ।
১০। শ্ৰীদেৱ কুমাৰ বৰা ।

অসম বিধান সভাৰ অধ্যক্ষ সমিতিৰ পদেন সভাপতি হব । সমিতিৰ কাৰ্য্যকাল সমিতি গঠিত হোৱাৰ তাৰিখৰ পৰা এবছৰ সময়ৰ বাবে হব ।

## কাৰ্য্য উপদেষ্টা সমিতি

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২২৮ নং নিয়ম অনুসৰি নিম্নোলেখিত সদস্য সকলক কাৰ্য্য উপদেষ্টা সমিতিলৈ মনোনীত কৰিলো ।

১। শ্ৰীপ্ৰদীপ গগৈ, সংসদী পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ।
২। শ্ৰীশৰৎ চন্দ্ৰ সিংহ ।
৩। শ্ৰীজয়নাথ শৰ্মা ।
৪। শ্ৰীআব্দুল মুহিব মজুমদাৰ ।
৫। শ্ৰীদেৱ কুমাৰ বৰা ।
৬। শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত ।

অধ্যক্ষই উক্ত সমিতিৰ সভাপতি হব আৰু এই সমিতি আজি ১৯৮৭ চনৰ ২ মাৰ্চ তাৰিখৰ পৰা কাৰ্য্য চলাব ।

## ( Ruling on Adjournment Motion )

I have heard the submissions of Sarbashree A. F. Golam Osmani, Silvius Condpan, Hemen Das and Binai Khungur Basumatari who spoke about the admissibility of the Adjournment Motions. I have also heard the submissions of the Hon'ble Minister of State Parliamentary Affairs and Shri Zoii Nath Sarma who opposed the Adjournment Motion. I have also heard the Hon'ble Home Minister about the background of the incident that occurred in the Mowamari Chapari under Darrang District and which has been referred in the Adjournment Motion.

The Hon'ble Members are aware that admission of and Adjournment Motion so as to interrupt the appointed order of business of the House is subject to well understood rules and conventions. The Hon'ble Minister of State, Parliamentary Affairs had rightly pointed out yester day that an Adjournment Motion to be admissible must have urgent Public importance and must be raised at the earliest opportunity. To support his contention he has referred to page 422 of the Practice and Procedure of Parliament quote—

> "A matter is 'urgent' only if it is of very recent occurrence and must be raised at the first available opportunity. Matter rising during the period when the House is not in Session should be raised on the first day the House meets. A matter which has been continuing for sometime cannot be raised through an Adjournment Motion".

I quite agree with the submission of the Hon. Minister of State, Parliamentary Affairs that an urgent matter of public importance should be raised at the earliest opportunity. I am of definite view that 'urgency' as provided in the rule has always been interpreted to mean that the matter must be raised at the earliest opportunity and if it is not so raised, it fails in urgency. Since the House met for the first time after the incident on 2nd March,

1987, the notices of Adjournment Motion should have been given on 2nd March 1987 instead of 3rd March. Again in a matter which has been continuing for sometime cannot be raised through an Adjournment Motion and the process of eviction as referred to by the Hon. Member, Shri Hemen Das in his notice being a continuous matter cannot be raised through an Adjournment motion. Because allotment and occupation of land including eviction are regulated in accordance with the relevant provisions of law and rules framed thereunder. In other words, the subject matter of the motion comes within the purview of the ordinary administration of law.

He has also referred to another passage in the same page and said that—"A matter even of very recent occurence is not urgent if an opportunity for its discussion will arise in the ordinary course of business within a reasonably short time and said that since the Hon. member would get adequate opportunity to raise and discuss the matter referred to in the notice of Adjournment motion during the debate on the Governor's Address and even in the general discussion on the Budget, apart from raising the matter through other procedural devices like Calling Attention notices, Short Notice questions, etc.· such matter cannot be raised through an Adjournment Motion."

I quite agree with the Hon'ble Minister of State, Parliamentary Affairs that the notices of Adjournment Motion should have been given at the earliest opportuity viz. on 2nd March 1987. Again, since other opportunities are also available to the Hon'ble Members to raise and discuss this matter during the debates on the Motion of Thanks on the Governor's Address which has started since the day when the matter was raised in the House, I regret to state that the notices of Adjournment Motion are not order and I accordingly disallow the same.

Shri A. F. Golam Osmani—Mr. Speaker sir, what has happened ( interruption ).

( several Hon. Members of Opposition side started speaking mimultaneously )

Shri A. F. Golam Osmani—What happened sir to Qs. point raised when I requested you that the matter be referred to the Privilege Committee.

**Mr** Speaker—That I stated yesterday.

( In the midst of noise that created )

Shri A. F. Golam Osmani—It has to be referred to the Privilege Committee according to rule 158.
( sound of desk thumbing came from Treasury Bench )

Shri A. F. Golam Osmani—There is a provision on that when a breach is committed in your presence in the House then this can be referred to the Privilege Committee notice now. If the Chair does not give the rule ( interruption )

Mr Speaker—I have already given my dicision yesterday.
( Several Members of the Opposition raised voice of protest )
( At this stage, Members belonging to U. M. F., C. P. M. and Independent Shri B. K. Basumatay walked out of the chamber in protest )

Mr. Speaker—Hon. member Shri Girindra Kumar Barua.

## Debates on Governor's Address

*শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষনৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাদেৱে যিটো প্ৰস্তাৱ আনিছে তাৰ ওপৰত মই দুআষাৰ কব বিচাৰিছো। পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ ওপৰত চৰকাৰে আৰ, এল, ই, জি, পি অধিনত যিবিলাক আঁচনি লোৱা হৈছে সেই বিলাক কাম যাতে খৰতকীয়া ভাৱে কৰা হয় তাৰ বাবে আমাৰ চৰকাৰৰ আৰু বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ পিচত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সম্পৰ্কত এটা কথা কব বিচাৰিছো। যে যোৱা অক্টোবৰ মাহত যিবিলাক অঞ্চল বানপানীয়ে ক্ষতিগ্ৰস্ত কৰিছিল

---

* Speech not corrected

সেই বিলাক অঞ্চলত চৰকাৰৰ ফালৰ পৰা ৰেহাই মূল্যত খাদ্য সামগ্ৰী যোগান ধৰা হয় যদিও বৰ্ত্তমান সময়ত যোগান বিশেষ সন্তোষজনক হোৱা নাই। বিশেষকৈ বিভিন্ন অঞ্চলৰ পৰা ৰাজহুৱা ভাৱে আৰু অঞ্চল সমূহৰ বাবে যি পৰিমাণৰ খাদ্য সামগ্ৰী যোগান ধৰা হৈছিল তাৰ পৰিমাণ বৃদ্ধি কৰিব লাগে। আজি আমাৰ সদনত বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে খাদ্য সামগ্ৰী যোগানৰ যি নীতি সেই নীতি অনুযায়ী যোগান ধৰিব লাগে।

পৰিবহনৰ ক্ষেত্ৰত পৰিবহন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি এটি কথা কব বিচাৰিছো যে চৰকাৰৰ তৰফৰ পৰা যিবিলাক শিক্ষিত নিবনুৱাক মেটাদৰ আৰু মিনিবাচ কিনাৰ বাবে পাৰমিট দি থকা হৈছে তাৰ ৰ'ড টেক্সৰ পৰিমাণ বেচি হৈছে। যিবিলাকে মিনি বাচৰ ব্যৱসায় কৰিবলৈ বিচাৰিছে তেওঁলোকৰ অসুবিধা হৈছে আৰু বেচি কৰ দিবলগীয়া হোৱা বাবে ক্ষতিগ্ৰস্ত হৈছে। গতিকে কৰৰ বোজাটো অলপ ৰেহাই দিবলৈ মই পৰামৰ্শ আগবঢ়ালো।

শিক্ষা বিভাগৰ সম্পৰ্কত মই এটা পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ যিবিলাক স্কুল চাহ বাগানত থকা চৰকাৰীকৰণ কৰা হব বুলি এতিয়ালৈকে কোনো আঁচনি লোৱা হোৱা নাই। ফলত চাহ বাগানত থকা প্ৰাথমিক বিদ্যালয় বিলাকত শিক্ষাৰ মানদণ্ড উন্নত হোৱা নাই। গতিকে মই পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে চাহ বাগানত যিবিলাক প্ৰাইমেৰী স্কুল আছে সেই বিলাক চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিব লাগে। তাৰোপৰি যোৱা বানপানীত ক্ষতিগ্ৰস্থ হোৱা বাবে পৰীক্ষাও ১৯৮৭ চনলৈ পিচুৱাই দিব লগীয়া হ'ল। শিক্ষা বিভাগে বান বিদ্ধস্ত যিবিলাক শিক্ষানুষ্ঠান সেই শিক্ষানুষ্ঠান বিলাকলৈ আজিও সাহায্য আগবঢ়াব পৰা নাই। গতিকে যোৱা বানত ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠান বিলাকলৈ অতি শীঘ্ৰে সাহায্য আগবঢ়াবলৈ মই শিক্ষা বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিলো।

নিয়োগ আৰু শ্ৰম বিভাগৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো অসমত যিবিলাক চাহ বাগিছা আছে তাৰ পৰিচালক সকল এতিয়াও অসমৰ বাহিৰৰ পৰা আমদানি হৈ আছে। এইটো চিৰাচৰিত প্ৰথাৰ নিচিনা হৈছে। বিধান সভাৰ মজিয়াত কেবাবাৰো এই দাবী কৰি অহা হৈছে যে অসমত উপযুক্ত লোক থকা স্বত্বেও বাহিৰৰ লোকক এতিয়াও পৰিচালকৰ পদত নিয়োগ কৰিয়ে আছে। বিধান সভাৰ নিয়োগ পৰ্য্যালোচনা সমিতিৰ লগত

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন বিভাগৰ মন্ত্ৰী )—য়ে উত্তৰ দিছে।

(ক) মুঠ ১৮৭৫ বিঘা মাটি অধিগ্ৰহণ কৰিছে।

(খ) সম্পূৰ্ণ সচা নহয়। সামাজিক বনানীকৰণ বিভাগে অধিগ্ৰহণ কৰা মাটিৰ ভিতৰতেই এখন বিল আছে। বেলেগ বিল, ডোবা অধিগ্ৰহণ কৰা নাই।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীগোপীনাথ দাস—মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগে বনানীকৰণৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছে, সেই মাটিৰ ভিতৰত ম্যাদি পট্টাৰ মাটিও পৰিছে। এই বিষয়টো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, সামাজিক বনানীকৰণ বিভাগে অধিগ্ৰহণ কৰা মাটিৰ ভিতৰতেই এখন বিল আছিল বুলি মই ইতিমধ্যে কৈ আহিছো। বেলেগে বিল. ডোবা ইত্যাদি অধিগ্ৰহণ কৰা নাই মাননীয় সদস্য গৰাকীয়ে কোৱাৰ নিচিনাকৈ ম্যাদি পট্টা অধিগ্ৰহণ কৰিছে তেতিয়াহলে সেইটো অনুসন্ধান কৰিব লাগিব আৰু অনুসন্ধান কৰাৰ পাচত জনাব পাৰিম।

## বিষয়—লামডিংত বন সম্পদ ধ্বংস।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দেই সুধিছে :

*৩৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(a) Whether Government is aware that some Saw Millers at Lumding are continuing destruction of Lumding Forests adjacent to Karbi Anglong on the South of Lumding ?

(b) Whether it is a fact that these Millers belonged to some political party and thus getting advantage for destructing the forests with the assistanee and sympathy from the Forests departments ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) তেনে কোনো তথ্য চৰকাৰৰ হাতত নাই।

(খ) কোনো ৰাজনৈতিক দলৰ লগত কিবা সম্বন্ধ থকাৰ কোনো সম্ভেদ চৰকাৰৰ হাতত নাই কিন্তু বন বিভাগৰ পৰা তেওঁলোকে কোনো বিশেষ অনুগ্ৰহ পোৱা নাই।

ার্দ্ধেন্দু কুমার দে—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ের উত্তরে আমি খুবই ্যত। লামডিং বনাঞ্চল দিনে দিনে ধ্বংস হচ্ছে অথচ কোন তথ্য সরকারের ত নেই। সেখানে বন বিভাগের অফিসও রয়েছে। কিন্তু কোন তথ্য না াটা দুর্ভাগ্যজনক। এই বনাঞ্চলের কাছে কতকগুলি শ'মিল রয়েছে যে ার ক্ষমতা ১০০ হঃ পাঃ বা অধিক। এই মিলগুলির যতটা কাঠ বৎসরে জিউম' করতে পারে এবং এগুলির এষ্টাব্লিষ্টমেন্ট খরচ যতটা হয় সেই ঃ পরিমাণে কাঠ এই মিলগুলি ক্রয় করে না। তাহলে কোথা থেকে এই াগুলিতে কাঠ আসে—মন্ত্রী মহোদয় জানাবেন কি ?

ভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী )—মাননীয় সদস্য গৰাকীয়ে পৰিপূৰক প্ৰশ্ন যি বিলাক ্ছে সেইবিলাক সঁচানে মিছা মই অনুসন্ধান কৰি পিচত জনাম।

## বিষয়—গোলাঘাট ভূমি সংৰক্ষণ বিভাগৰ আচঁনি।

ঃদেবেশ্বৰ বৰাই সুধিছে।

৩। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

) গোলাঘাট সমষ্টিত ভূমি সংৰক্ষণ বিভাগে ১৯৮৩-৮৬ চনলৈকে কি কি চঁনি গ্ৰহণ কৰিছে ?

) এই আচঁনিবোৰত কিমান কিমান অনুদান ধাৰ্য্য কৰা হৈছে ?

) উক্ত আচঁনিবোৰ ফলপ্ৰসু কিমানদূৰ হ'ল ?

ভৰত নৰহ ( ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

) ১৯৮৩-৮৬ চনলৈকে ভূমি সংৰক্ষণ বিভাগে গোলাঘাট মহকুমাত তলত ল্লখিত ধৰণৰ আচঁনিৰ কাম কাৰ্য্যকৰি কৰা হৈছে যেনে ঃ

পথাৰ উন্নয়ণ আচঁনি।

সংৰক্ষণ বননিকৰণ আচঁনি।

গৃহ নিৰ্ম্মান আৰু উপপথ আচঁনি।

) ওপৰত উল্লেখিত আচঁনি কেইটাত ধাৰ্য্য কৰা চৰকাৰী অনুদানৰ পৰিমাণ লত উল্লেখ কৰা হ'ল।

পথাৰ উন্নয়ন মূলক আচঁনি ( সাধাৰণ আচঁনি )।

| ৎৰ | খৰচৰ খতিয়ান | কামৰ অগ্ৰগতি |
|---|---|---|
| ১৮৪-৮৫ | ১৬,৫৪৬ টকা | ৩০ হেক্টৰ |
| ৯৮৫-৮৬ | ৩৯,০০০ টকা | ৪০ হেক্টৰ |

| পথাৰ উন্নয়ণ মূলক আচঁনি | | জনজাতীয় আচঁনি |
|---|---|---|
| ১৯৮৩-৮৪ | ৪৯,৯৪৪ টকা | ৮০ হেক্টৰ |
| ১৯৮৪-৮৫ | ৬৫,৭১৮ ” | ৯০ ” |
| ১৯৮৫-৮৬ | ১,২৬,৪১৬ ” | ১১৬ ” |

| পথাৰ উন্নয়ন মূলক আচঁনি | | অনুসূচীত জাতি |
|---|---|---|
| ১৯৮৩-৮৪ | ২৩,৯১০ টকা | ৪১ হেক্টৰ |
| ১৯৮৪-৮৫ | ৩৭,৫১৭ ” | ৫০ ” |
| ১৯৮৫-৮৬ | ৫৩,৪৪৫ ” | ৭১ ” |

| ২। সংৰক্ষণ বননিকৰণ আচঁনি | | সাধাৰণ |
|---|---|---|
| ১৯৮৫-৮৬ | ৩২,০০৯ টকা | ১০ হেক্টৰ |

| ৩। গৃহ নির্মান আৰু উপপথ আচঁনি | | সাধাৰণ আচঁনি |
|---|---|---|
| ১৯৮৩-৮৪ | ২৮,১৭০ টকা | ১টা ১টা উপপথ আৰু চৌহদৰ চাৰিসীমাৰ বেৰ নিৰ্ম্মান আৰু মেৰামতি । |
| ১৯৮৫-৮৬ | ৩৬,৫৫০ টকা | ১টা |

গ) উক্ত আচঁনিবোৰৰ দ্বাৰাই সকলোবোৰ অঞ্চলৰ স্থানীয় ৰাইজ কম বেচি পৰিমাণে উপকৃত হোৱাতো পৰিলক্ষিত হৈছে ।

শ্রীদেৱ বৰা—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ উত্তৰত যিখিনি দাঙি ধৰিছে কথা হ'ল ফলপ্ৰসু হৈছেনে নাই স্বৰজমিনে অনুসন্ধান কৰিব নে ?

শ্রীভৰত চন্দ্র নৰহ ( মন্ত্রী )—চোৱা হব ।

## Bridge over river Rowta and Dimachang on Orang Mazbat Rupa Road.

Shri Silvius Condpan asked :

*35. Will the Minister PWD be pleased to State.

ওৰাং মাজবাট ৰূপা পথত বৰ্ত্তমান নির্মাণ হৈ থকা ৰৌতা আৰু ডিমাচাঙ নদীৰ দলং নির্মাণৰ কাম কেতিয়া শেষ হব ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী মন্ত্রী ) য়ে উত্তৰ দিছে ।

ৰৌতা নদীৰ ওপৰৰ ২২। ১ দলং নিৰ্ম্মাণৰ কাম ১৯৮৭ চনৰ অক্টোবৰ মাহত

আৰু ডিমাচাঙ ওৰাং নদীৰ ওপৰৰ ২৭। ১ দলঙৰ কাম ১৯৮৮ চনৰ মাৰ্চ মাহত শেষ হব বুলি আশা কৰা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান—এই ডুখন দলঙৰ কাম আধৰোৱা হৈ আছে। যোৱা এবছৰে বিভাগে কিয় বন্ধ কৰি ৰাখিছে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী )— কামটো এ, জি, চি, চিক দিয়া হৈছে। তেওঁলোকে দলঙখনৰ কাম যিটো গতিত কৰিব লাগিছিল, সেই গতিত কৰিব পৰা নাই। কবলগীয়া তেনেকুৱা কাৰণ নাই। সোনকালে কামটো কৰিবলৈ নিৰ্দ্দেশ দিছো।

Subject of the Question—
**Construction of Bridge Over River Zinjiram.**

Shri Aminul Islam asked :

*36. Will the Minister P. W. D be pleased to State :

(a) Whether the Government have decided to connect Mankachar Constituency with the rest of Assam, through the territory of Assam by constructing a 'Bridge' at Malakhowaghat over river Zinjiram ?

(b) If Yes, when the actual construction will be started ?

Shri Atul Bora ( Minister of P. W. D ) replied.

(a) The proposal for construction of a R.C.C. Bridge over river Zinjiram at Malakhowaghat under Mankachar Constituency is under detailed investigaticn for ascertaining techno-economic feasibility.

(b) After the feasibility study reports are received from Chief Engineer, the decision for construction of the Bridge will be taken by Government.

শ্ৰীদেৱান জয়নাল আবেদিন—জিঞ্জিৰাম নদীৰ ওপৰত দক্ষিণ শালমাৰাত এখন পকি দলঙৰ কাৰণে কিছুবছৰ আগতে এন, ই, চিয়ে এটা জৰীপ কাৰ্য্য চলাইছিল নেকি ? যদি চলাইছিল তেন্তে এতিয়া কি অৱস্থাত আছে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী )— এইটো প্ৰশ্ন পিচত আহিব।

সিদিনা মঙ্গলদৈলৈ যাওতে কোপাটি চাহ বাগিছাত দেখিলো সকলো বিলাক পৰিচালকেই বাহিৰৰ লোক ! গতিকে মই শ্ৰম আৰু নিয়োগ বিভাগক অনুৰোধ কৰিব বিছাৰিছো যাতে এই বিভাগে যাতে বাগান বিলাকে স্থানীয়-লোকক পৰিচালকৰ পদত নিয়োগ কৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰে । চাহ বাগিছা বিলাকত একোজনকৈ মজদুৰ কল্যান বিষয়া নিয়োগ কৰাৰ দাবী কৰি অহা হৈছে আৰু চৰকাৰৰ ফালৰ পৰাও আশ্বাস দিয়া হৈছিল কিন্তু আজি ১৪ মাহেও সেই বিষয়া সকলক নিয়োগ কৰা ন'হল । ডিব্ৰুগড়ৰ খোৱাং চাহ বাগিছাৰ কাৰণে ৪ জন বিষয়া নিয়োগ কৰা হৈছে কিন্তু তেওঁলোকৰ বাচনি হৈছে কলিকতাত। কিন্তু যদি বাগিছা বিলাকত মজদুৰ কল্যান বিষয়া থাকিলেহেঁতেন তেনেহলে অসমৰ থলুৱা যুবক সকলে এই সুবিধা পালেহেঁতেন । ইয়াৰ ফলত থলুৱা লোক বঞ্চিত হৈছে গতিকে মই শ্ৰম আৰু নিয়োগ বিভাগক অনুৰোধ কৰো যাতে অনতিপলমে বাগিছা বিলাকত মজদুৰ কল্যান বিষয়া নিয়োগ কৰাৰ ব্যৱস্থা লয় ।

বান নিয়ন্ত্ৰন বিভাগৰ বিষয়ে মই এটা কথা কব বিছাৰিছো আমি বান নিয়ন্ত্ৰনৰ সকলো আচনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল। এইকথা বান নিয়ন্ত্ৰন মন্ত্ৰীয়ে কেবাবাৰো কৈছে । কিবা প্ৰশ্ন বা আচনিৰ কথা কলে কয় যে কেন্দ্ৰৰ পৰা টকা পালেহে কাম কৰিব পাৰিব । বান নিয়ন্ত্ৰন বিভাগত মই দেখিছো অকল ব্ৰহ্মপুত্ৰ নদৰ ওপৰতহে গুৰুত্ব দিয়া হয় । বাকী অসমৰ যিবিলাক ঠাইৰ খেতিয়কে বানৰ কাৰণে খেতি কৰিব নোৱাৰে শস্য নষ্ট কৰে সেই বিলাক নদ-নদীৰ কথা চিন্তা নকৰে । মোৰ অঞ্চলতে ননৈ আৰু দিখাই দুখন নদী আছে তাত মঠাউৰীৰ ব্যৱস্থা কৰিব লাগে কিন্তু আঁচনি হেনো এতিয়াও কাৰিকৰী উপদেষ্টা সমিতিয়ে পাছ কৰা নাই । এই বিভাগে মঠাউৰী বিলাকত যিমান গুৰুত্ব দিব লাগিছিল সিমান গুৰুত্ব দিয়া নাই । অকল মোৰ সমষ্টি বুলিয়ে নহয় অসমৰ বিভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ বাহিৰেও এই নদ-নদী বিলাকে ৰাইজৰ বিস্তৰ ক্ষতি কৰি আহিছে সেইবিলাক নদী নিয়ন্ত্ৰনৰ কাৰণে বিভাগে তৎপৰতাৰে যত্ন লব লাগে ।

অধ্যক্ষ মহোদয়, এটা কথা স্বীকাৰ কৰিবই লাগিব যে অসম গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা অসমৰ উন্নয়নমূলক কাম বিলাক যথেষ্ট আগবাঢ়ি গৈছে । অন্ততঃ হতাশজনক হোৱা নাই । বাহিৰত শুনিছো অসম গণ পৰিষদৰ চৰকাৰ চলিছে নে আছুৰ চৰকাৰ চলিছে নে মন্ত্ৰী সকলৰ পৰিবাৰৰ চৰকাৰ চলিছে—এই প্ৰশ্ন হয়তো কৰিছে । কিন্তু ৫ বছৰ আগতে

এইখন দেশতে সংখ্যালঘু ছাত্র সন্থা নাগৰিক অধিকাৰ সন্থা কংগ্ৰেছ আইৰ সন্মিলিত চৰকাৰ চলিছিল য'ত অসম বিৰোধী চক্ৰই কাম কৰিছিল তেনে চৰকাৰো চলিছিল। কিন্তু বৰ্ত্তমানৰ চৰকাৰ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্ব্বাচিত হৈ জনহিতকৰ কামত চৰকাৰ চলিছে। গতিকে ইয়াত সমালোচনা কৰিবলগীয়া কথা নাই। আমাৰ চৰকাৰ গঠন হোৱাৰ পাছত চৰকাৰী বিষয়া সকলে ১০ টকা ভেটি খালেও তেওঁক কামৰ পৰা খেদি দিয়া হব বুলি ঘোষণা কৰা হৈছে। কিন্তু দেখা গৈছে এতিয়াও বিষয়া বা কৰ্মচাৰী সকলৰ চৰিত্ৰৰ পৰিবৰ্ত্তন হোৱা নাই। দূৰ্নীতি ৰোধ কৰিবৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰৰ তৰফৰ পৰা মন্ত্ৰী বিধায়ক সকলৰ সা-সম্পত্তিৰ হিচাব দাখিল কৰিবলৈ কোৱা হৈছে। ঠিক তেনেকৈ চৰকাৰী কৰ্মচাৰী সকলেও চাকৰীত সোমোৱাৰ লগে লগে সা-সম্পত্তিৰ হিচাব দাখিল কৰিব লাগে আৰু পাছত কিমান সা-সম্পত্তি কৰিলে কেনেকৈ কৰিলে তাৰ তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান চৰকাৰে যিবিলাক আচনি লৈছে সেই বিলাক চৰকাৰী বিষয়া সকলে ক্ষিপ্ৰগতিত কাৰ্য্যকৰী কৰা হলে আমাৰ দেশখন এই এবছৰতে ১৫ বছৰৰ সমান আগবাঢ়ি গ'ল হেঁতেন কিন্তু চৰকাৰী বিষয়া সকলৰ লেহেম গতিৰ কাৰণে এই আচনি বিলাক পিছ পৰি গৈছে। যোৱা ১৫ মাহে অসমৰ মঙ্গলৰ কাৰণে বহু আচনি লোৱা হৈছে। এই আচনি সমূহ বিষয়া সকলে খৰতকীয়াভাৱে যদি আগবঢ়াই নিলেহেঁতেন ১৫ মাহৰ আগৰে পৰা কংগ্ৰেছ চৰকাৰে যি খিনি কৰিছিল আমাৰ চৰকাৰে এবছৰতে শেষ সেইখিনি কৰিব পাৰিলেহেঁতেন। কিন্তু পৰিতাপৰ কথা বিষয়া সকলৰ ইচ্ছা নথকাৰ কাৰণেই আঁচনি সমূহ ক্ষীপ্ৰগতিত আগবাঢ়িব নোৱাৰিলে। সেই কাৰণেই মই চৰকাৰক অনুৰোধ কৰিছো আমাৰ চৰকাৰী আচনিসমূহ খৰতকীয়াভাৱে আগবঢ়াই নিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

যোৱা বানপানীৰ সময়ত আমাৰ চৰকাৰে মানুহক চাউল, আটা, আৰু কানি-কাপোৰ আদি দিলে। কিন্তু উল্লেখযোগ্য যে এবাৰেই কৃষকক খেতি কৰিবলৈ বীজ দিলে কিন্তু তাৰ পিচত আৰু খেতিয়কক বীজ বা লৰা-ছোৱালীক বিনামূলীয়া কিতাপ পত্ৰ আদি এতিয়ালৈকে দিয়া হোৱা নাই। সেয়ে মই চৰকাৰক অনুৰোধ কৰিছো যে যি অঞ্চলত বানপানী হল, যি সকলৰ অনিষ্ট হল ক্ষতি হল সেই সকলক সাহায্য দিয়াৰ ব্যৱস্থা কৰাৰ লগতে কৃষক সকলক নিজে খেতি কৰি নিজে খোৱা খিনি উপাৰ্জন কৰিব পৰা কৰিবলৈ ব্যৱস্থা কৰে যেন।

তাৰোপৰি আৰু এটা কথা যে চৰকাৰৰ যি বিলাক আঁচনি আছে সেই বিলাক সাধাৰণ ৰাইজে গমেই নাপায়। আজি সমবায় বিভাগত যি দুৰ্নীতি চলিছে সেই দুৰ্নীতি গোটেই অসমৰ অন্যান্য বিভাগতকৈ বহুত বেছি। একোজন ক'অপাৰেটিভৰ পৰিদৰ্শকে তেওঁলোকৰ দৈনন্দিন জীৱন যি ধৰণৰ লাহ বিলাহত কটায় সেইটো সকলোৰে কাৰণে আশ্চৰ্য্যৰ বিষয় হৈ পৰিছে। সমবায় বিভাগৰ পৰা বিনামূলীয়াকৈ বীজ বিতৰণ কৰিবলৈ দিয়া হয়। সাৰ দিয়া হল আৰু টেক্টৰ আদিও দিয়া হয়। কিন্তু সাধাৰণ ৰাইজে এইবোৰ আঁচনিৰ কথা নাজানে সেয়ে এই বিভাগৰ বিভাগীয় বিষয়া সকলে ৰাইজক ঠগ কৰি নিজে উপাৰ্জন কৰিছে। মই সেয়ে এই বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো আৰু চৰকাৰী আঁচনি সমূহ সাধাৰণ ৰাইজে জনাৰ উপায় কৰিব বুলি আশা কৰিলো। বিভিন্ন বাতৰি কাকতৰ যোগেদি বা সভা আদি এই বিলাক কথা ৰাইজক অৱগত কৰাব লাগে।

মই আৰু বেছি নকওঁ মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাত মই পুনৰায় সমৰ্থন জনাইছো। লগতে আশা কৰিছো অসমৰ চৰকাৰে শদিয়াৰ পৰা ধুবুৰীলৈকে জাতি, ভাষা গোষ্ঠী নিৰ্বিশেষে সমন্বয় গঢ়ি তুলিব আৰু আজি আঙুলিয়াই দিয়া ভুল ক্ৰটীবোৰৰ ওপৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

* Shri Altaf Hussain Mazumdar—Mr. Chairman, Sir, I take the stand in support of the amendment that has been moved by the Hon'ble Opposition leader Golok Rajbongshi. Sir, the Governor's address is also a policy document and the programmes, statements of the Government and the Speaker and by the Government itself approved by the Cabinet and the most crucial role of the Governor is that he only reads it what has been drafted by the Government. Whether he likes the words or not, what has been given to read he is to read it. Sir, this is a document of the Government and of the party in power. Sir, if this document is summarised in one word, it will be a document in contradiction—a contradiction between the what the Government professed and the performance of the Government. Sir, this Government has already passed more than

---

*Speech not corrceted.

a year and one fifth of the total life. So far it passed a baby category. Now, probably we can put forward constructive criticism of the Government. Well, we suggest here to my friends and they may take note of the criticisms. But the fact remains, the party in power must take note of what is happening on the other side, the reactions of the other side. They may read it but they cannot ignore it, they cannot ignore the real happening. This is the opportunity of democracy and this is the second balance of the democracy. Sir, the Governor in his address said that a new atmosphere of hope and confidence has us hered under this Government. Well, Sir, I ask the leader of the Government, the Chief Minister, will you kindly go through the press, the papers, criticisms that have been presented before you ? It is not my criticism, nor the party in opposition alone. I know the press is on the heavy pressure not to the right, not to the paritable. But still it goes to the credit of the Assam Press. Inspite of all these objections to their writing what is happening in the administration today. Had they been able to perform their duties and responsibilities truly ? Let-them look their faces themselves. Sir, the most important item this Government has committed, is the implementation of the Accord. I will not go to the things which Ministers have spent how much of money in attending and cels brating marriages. These are things for the press. Press is enough to look into these things and project it to the public. But Sir, while the Govt. is committed to the implementation of the Accord, this Government is decliving the people. But Sir, it is their burden, which they cannot ignore. Who objects you not to implement this Accord. We all have support this implementation of this Accord. Sir, I will try to give an analyais how this Govt. is going to implement it. I should say they are not at all sincere to the implementation of the Accord and I can prove it. Sir, first objection was that the people from 1971 onward will be deported. Then Sir, lakhs of people

will have to be deported from the State and then there will be enough of land in Assam. A vast area of land will be available for the people of Assam. But then Sir, what is this accord ? Even today the common people do not know what is the clause of this Accord. If you ask a common people about this Accord, he will say he does not know any thing. If the Govt. sincerely, honestly follow this Accord, they cannot drive out a single man. Then Sir, is not a fact that they are forced to sign the Accord under certain circumstances. If you are sincere about implementation of the Accord, tell them honestly. Who objects you. Sir, you will find every day something is said that the Centre is not willing to help implementation of the Accord. Mr. Rajib Gandhi is dowing what he said. He has already clarified what has been done about the implementation of the Accord, what is to be done he has done it. The State Govt. has said that the Govt. of India is being pursued to amend the provision of the Illegal Migrants (Determination by Tribunals) Act, 1983 for achieving its objectives, for implemenation of its clauses. What is its caluse ? Govt. should consider to reply it. Govt. must know that they cannot the basic character of the State because it will no longer pay any deviden to you. Let it be on record, let it go to the press and public. Sir, I will refer to the statements of some respectable gentlemen. I may agree to the statement or I may not agree. This is a different thing. But their statements should be made known and publish what this gentleman has given in his statement because it gives the sense of his disunity, honesty. They must not say some thing and do some other things out side. He is a most powerful man of this Cabinet, who has get high responsibility. This is the statement made by the Hon'ble Revenue Minister, Mr. Thaneswar Boro in November 1986 that the Assam Accord has failed in its purpose of reducing the foreigners and that they will stay on here. This is the statement of one of the ministers in the Cabinet who

has much responsibility and not my own statement. Then Sir, question arises whether this Govt., the leader of the party has got the unity in its approach towarda the implementation of the Assam Accord, whether they are sincere to the implementation, whether the leader has got the loyalty of his cabinet colleagues. I read the statement in Assamese—ৰাজহ মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়োৱে এখন জনসভাত কৈছে—"এক কথাত অসমত বিদেশী অনুপ্ৰবেশকাৰীৰ সংখ্যা কমোৱা অসম আন্দোলনৰ মূল উদ্দেশ্যত 'অসম চুক্তি' ব্যৰ্থ হৈছে।" এইটো মোৰ কথা নহয়, এ-জি-পি দলৰ মানুহৰ কথা, লীডাৰৰ কথা, কেবিনেট মিনিষ্টাৰৰ কথা। শ্ৰীবড়োৱে আৰু কৈছে—"২৫-৩-৭১ বা তাৰপিচৰ বিদেশী সকলো এইখন চুক্তিয়ে খেদিব নোৱাৰে, তেওঁলোকো ৰৈ যাব।"

The Accord has failed in its purpose of deporting the foreigners from the State from 1951 to 1971 or thereafter. Another responsible leader has given a statement. He is Shri Pabindra Deka. He should be congratulated for giving such a statement openly to the people of Assam. He has not made a mistake in such statement. What ths State Govt. have done on the Accord will not help in the solution of the foreigners problams. I am referring to another statement of Hon'ble Minister Shri Pabindra Deka— আন এজন লীডাৰ শ্ৰীপবিন্দ্ৰ কুমাৰ ডেকাই কৈছে—"অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰাত অসম চুক্তিয়ে তিলমানো সহায় নকৰিব।"

Then I am quoting another statement of a leader of the A.G.P. and of the Ministry Shri Atul Bora—"Assam Accord is a tragic conclusion of this movement." After 6 years of movement now you find that this is a tragic solution. I am quoting another atatement of Shri Atul Bora—আন এজন ডাঙৰ লীডাৰ শ্ৰীঅতুল বৰাই কৈছে "এনে লাগিছে—অসম চুক্তি অসম আন্দোলনৰ করুণ পৰিণতি। চুক্তিয়েই অসম আন্দোলনৰ শেষ নহয়। এনেহে লাগিছে আমি যেন কিছুমান বিদেশীক অসমত থাকিবলৈ পকা বন্দোবস্ত কৰাৰ বাবেহে আন্দোলন কৰিছিলো।"

It is seen that leaders themselves say that they are deceiving the people of Assam. So you should take an

warning from your own statement. We, are not in the forefront of the agitation. This Govt. is not loyal to the Accord if I say, I am not wrong. On the other hand Shri Rajib Gandhi has fully implemented the Accord. Hon'ble Home Minister has said that Govt. is not concerned with the foreigners because I Llegal Migrants Act was passed before this Accord and it is already there. Now the State Govt. is to implement the Migrants Act.

Statements of most leading agitionists. Read them and try to understand them. So Sir, this is the fate of the Accord to the Government. What the Government is doing now is that they want to satisfy the people by saying that it is for the inaction of the Central Government the Accord cannot be implemented. They have started action on the Indians. The Labour Minister is not here. I will say let him go to my arca and see that the tea labours who once came from Andhra, from where also the Labour Minister came, have been served with notices. The tea labour who came from orissa have been served notices, Bengali Hindus, Biharies, Up wallas, have been served notices. So it has now become an agitation against the outsiders. One police officer said that it is their first duty to send back the Biharis. An undeclared war has stated against Biharis, U. P. wallas, Rikshawallas. If a man from Bihar cannot live with dignity in Assam, if a man from Maharastra and other States cannot live in dignity in Assam, if a man from Assam cannot live with dignity in Bihar and other States how India is going to survive? If a Bihari Rikshaw walla is taken to Thana the police officers will say they cannot help him Every Indian citizens have the right to live any where he likes. Why you are diverting the issue, and trying to creat chaos by leading the people to dangerous position. Sir, you know the tribal minds to-day. In this House we have hear the speeches of the Tribal leaders. You are alienating the tribals, you are alienating the muslims. What is your figure in Assam? You have thrown all the people to the

other side. They will put you in difficult position. I will just pass this Accord to the people ; let the people of Assam who suffered for six years understand it. Oh ! the poor people of Assam and the ultimate result in the words of Shri Atul Bora, a tragic conclusion of the whole movement !

Sir, I will now come to law and order. I will not touch the petty matters about Minister brother-in-law or their wifes. Let it be done by the Press and the journalists. About 'Nikha prasasan', speches of their party members will be enough to make inference about the professed 'nikha prasan'. I will pass over on to law and order. Law and order is the first and foremost responsibility of a democratic Government and most unfortunately this Government has failed to maintain law and order. The hon'ble Minister for Home was kind enough to answer a question of mine. He has given the list of persons politically murdered. It started on 17.1.86 the last one recorded on 8.1.87 with the murder of Rajib Rajkhowa and Ranjit Barua. Public demanded the cases to be handed over to the CBI. The hon'ble Chief Minister said in this House that the Government is tryiny to send the case to the CBI. In answer to another question Government said they were considering it. My simple question to this is, this Government up till to-day nothing has been done. In answer to St. Q. No. 12 and unstarred Q. No. 12 of this Assembly on 3.3.87 you have not been able to apprehend a single person. Why are you not handing over the case it CBI ? But when a DG is invloved in some money matter you are referring to the CBI. Of course, I am not holding any brief for that DG. And you cannot hand over the case of a most heinous murder of a most respected man of the State late Kalipada Sen to the CBI ? Naturally there will be a strong suspicion against you and how can you stop this conclusion ? Why are you not sending it to the CBI ? If that was done, it would have enhanced the prestige of the Government. You send the cases of all political murders to the CBI. It will enhance your prestige. The Home Minister may or may

not hear my suggestion, but with all humility, I would request him, let him clear these cases and send them to the CBI. Then there will be confidence in the mind of the people that this Government wants to punish the wrong doors and murderers Kalipada Sen was murdered on 17-9-86 and up till now not a single culprit has been arrested.

Now the sadest part of the story, the most foolish part of the story is the Assamese boys occupying land in the Char area for cultivation. There is nothing wrong Assamese youths taking to Agriculture because every one cannot be given job by the Government. The Government cannot multiply the jobs. But do not send them and push them to blind alley. What you have done is not the Government eviction, Sir. Some unauthorised boys have been sent to evict the people in the Chaoulkhowa Char. Sir, whether it is 200 bighas or 300 bighas, it is not the main question. The question is you are pushing the State to violence. These innocent boys they have not understood the consequences. The greatest damage is to the Assamese boys, because, things will go beyond the control of the Government tomorrow. They will not sit idle, because, everybody has got right to property. If somebody goes to kill him, law is there, Indian Penal Code is there. It is the duty of the Government to bring peace amongst different sections of the people. So, do not allow things to go out of your control. There should not be differences amongst Hindus and Muslims. ( noise ) ( noise ) So, I appeal to the Hon'ble Revenue Minister and the Hon'ble Home Minister to desist from this. Do not try to fly away from the Accord. Stop this undeclared war. Sir, I will just refer to one Department. Unfortunately, our Education Minister is not present in the House. It would have been good if I could have spoken in his presence. The respected Education Minister Shri Brindaban Goswami repeatedly said in the floor of the House that I am not going to politicalise. It is a very good speech. We welcome such speech. But, there is a but. But he

has done the worst thing You will be surprised to hear. I am feeling shy of things—it is so obnosious. He has distributed school grants. The AGP schools have got more grants and the non-AGP schools have got less grants.

( noise ) ( noise )

So, Sir, see how he is politicalising the things. I understand there is no money. ( noise ) ( noise )

Sir, yesterday one Hon'ble Member cited one example regarding appointment of teacher-how a teacher without having mathematics as a subject, was appointed as a Mathematics teacher. Even in flood relief grant, discrimination has been done. I have got a letter from the Government of India. Agriculture Minister was surprised—how is this, Sir ? You have lost your credibility to the Government of India. How Govt. of India will pay you money. They have paid you money on the recommendation. You started doing whatever you liked. I talked to the official of the Government of India what was going on in Assam. They take money for one purpose and pay it for another purpose. So, Sir, politicalisation is going on in all. Yesterday, our Hon'ble Home Minister has replied that 952 Constables have been appointed. It is incorrect. Sir, the number of muslim constable is almost nil. ( noise )

শ্ৰীভৃগুকুমাৰ ফুকন ( গৃহমন্ত্ৰী )—চেয়াৰমেন মহোদয়, পুলিচৰ চাকৰিৰ ক্ষেত্ৰত কোনো ভাষা, ধৰ্ম্মৰ ভিত্তিত নিযুক্তি দিয়া নহয়।

শ্ৰীআলতাফ হুচেইন মজুমদাৰ—সেইটো মই বুজি পাইছোঁ, ভাষা-ধৰ্ম্মৰ ক্ষেত্ৰত দিয়া নহয়। কিন্তু এটা ধৰ্ম্মৰ সমূলি বাদ দিয়া হল।

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী )—চেয়াৰমেন মহোদয়, মাননীয় সদস্য জনে সদনক বিপথে পৰিচালিত কৰিব নোৱাৰে। পুলিচৰ চাকৰি যোগ্যতাৰ ওপৰতহে ভিত্তি কৰি দিয়া হয়।

Shri Altaf Hussain Mazumder—Sir, still there is time for improvement. This Government is led by young people. I am criticising not to discourage them. I am just pointing out the incorrect things. Thanking you, Sir.

শ্ৰীদেবেশ্বৰ বৰা—মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই যিটো ধন্যবাদ সূচক প্ৰস্তাব আনিছে মই এইটোৰ সমৰ্থন কৰিছো। এই ভাষণত তেখেতে বিশেষকৈ ৩টা কথাত অগ্ৰাধিকাৰ দিছে। সেই কেইটা হৈছে প্ৰথমতে অসম চুক্তি ৰূপায়ন, আইন শৃংখলাৰ পৰিস্থিতি আৰু আমাৰ চুবুৰীয়া ৰাজ্য বিলাকৰ লগত সীমা বিবাদ।

চেয়াৰমেন মহোদয়, অসম চৰকাৰে অসম চুক্তি বাস্তবত ৰূপ দিয়াৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ। অসম চুক্তি ৰূপায়নৰ কাৰণে অসম চৰকাৰে যি বিলাক কাম কৰি আগবাঢ়ি গৈছে সেই বিলাক কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। অসম চৰকাৰে অসম চুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰৰ দায়িত্বত থকা সকলো বিলাক দফাকেই ৰূপায়ন কৰিবলৈ চেষ্টা কৰি আহিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ হাতত যি কেইটা চুক্তি ৰূপায়নৰ দায়িত্ব আছে সেই কেইটা ৰূপায়ন কৰাৰ ক্ষেত্ৰত অবহেলা দেখা হৈছে। ইয়াৰ কাৰণে আমি আচৰিত হৈছো। কেন্দ্ৰীয় চৰকাৰৰ যি দায়িত্ব সেইটো ১॥ বছৰেও পালন নকৰাৰ কাৰণে আমাৰ চুক্তি ৰূপায়ন বাস্তবত ৰূপ দিব পৰা নাই। আমাৰ চৰকাৰে ভাৰত চৰকাৰক ট্ৰিবুনেল এক্ট সংশোধন কৰিবলৈ দিয়াৰ কাৰণে সেইখন কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। আমি আশা কৰিছো ট্ৰিবুনেল এক্ট সংশোধন কৰি কেন্দ্ৰীয় চৰকাৰে দায়িত্ব পালন কৰিব। অসম চৰকাৰৰ দায়িত্বত থকা চুক্তি ৰূপায়নৰ সকলোখিনিকেই ৰূপায়ন কৰা গৈছে বুলি ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। আজি বিৰোধী সদস্য যি সকল ইয়াত আছে আৰু যি সকলে চুক্তি অসম চৰকাৰে ৰূপায়ন কৰা নাই বুলি কবলৈ গৈছে সেই কথা সত্য নহয়। অসম চৰকাৰে অসম চুক্তি কেতিয়াও অবমাননা নকৰে। এই ক্ষেত্ৰত আমি এটা কথা কব লাগিব যে চুক্তি ৰূপায়নৰ ক্ষেত্ৰত অসম চৰকাৰে যি ভূমিকা লৈছে সেইটো সলাগিব লাগিব। অসম চৰকাৰে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। আমি দেখিবলৈ পাইছো যে চুক্তি ৰূপায়ন অসম চৰকাৰে যিমান কৰিছে কেন্দ্ৰীয় চৰকাৰে নকৰাৰ কাৰণে চুক্তি ৰূপায়ন পিছ পৰি আছে। মই আশা কৰিছো এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি আহিব। সংসদৰ চলিত অধিবেশনতে ট্ৰিবুনেল এক্ট সংশোধন কৰিবৰ বাবে অসম চৰকাৰে হেচা প্ৰয়োগ কৰিব লাগে।

আইন শৃংখলাৰ পৰিস্থিতিৰ সম্পৰ্কত ৰাজ্যপাল মহোদয়ে উল্লেখ কৰাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। আমি এইটো দেখা পাইছো যে

অসমত নতুন চৰকাৰ অহাৰ লগে লগে অসমলৈ শান্ত পৰিবেশ ঘূৰি আহিছে। আজি যিটো মুকলি বাতাবৰণৰ সৃষ্টি হৈছে আগতে এনে কেতিয়াও হোৱা নাছিল। ১৯৮৩ চনৰ কথা মনত পেলালে আজি তাৰ তুলনাত কি হৈছে সেইটো সহজেই বুজিব পাৰি। ১৯৮৩ চনত গোলাঘাটৰ লংকাত নিখুত ভাবে ৭ জন লোকক মাৰি পেলোৱা হৈছিল। আজি যি বিলাক হত্যাকাণ্ডৰ কাৰণে দোষীক ধৰিবৰ কাৰণে চি বি আইক তদন্ত কৰিবলৈ দিব লাগে বুলি কৈছে সেই সকলে তেতিয়া কি কৰিছিল? সেই তদন্তৰ ভাৰ কিয় চি বি আইক দিয়া নাছিল? তেখেত সকলে তেতিয়া উদাহৰণ দাঙি ধৰা হলে আজি তেখেত সকলে পৰামৰ্শ দিব পাৰিলেহেঁতেন। তেখেত সকলে এই তদন্তৰ ভাৰ চিবি আইক দিয়া বাতৰি কাকতত পঢ়িবলৈ পোৱা হলে ভাল পালোহেঁতেন। আজি ৰাইজে নিজৰ গণতান্ত্রিক অধিকাৰ সাবস্ত কৰিব পাৰিছে। সেই কাৰণেই জনতা ভৱনৰ মুখত নিতৌ দাবী উত্থাপনকাৰী দেখিবলৈ পোৱা হয়। আগতে এইদৰে কোনোবাই গণতান্ত্রিক অধিকাৰ সাবস্ত কৰিবলৈ আহিলে সেই সকলক ভৰিৰে আৰু লাঠীৰে খেদি পঠোৱা হৈছিল। এতিয়া ৰাইজে গণতান্ত্রিক অধিকাৰ সাবস্ত কৰিবলৈ সুযোগ পাইছে। আইন শৃংখলাৰ পৰিস্থিতিৰ সম্পৰ্কত ৰাজ্যপাল মহোদয়ে যি কথা উল্লেখ কৰিছে সেইটো আমি সমৰ্থন কৰিছো। আমি আশা কৰিছো আইন শৃংখলাৰ সম্পৰ্কত চৰকাৰে যি খিনি কৰিবলগীয়া আছে সেইখিনি কৰি যাবলৈ সমৰ্থ হব, আগত বছৰৰ বিলাকৰ কাৰণে।

আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য বিলাকৰ লগত আমাৰ এই চৰকাৰে যি সম্পৰ্ক বজাই ৰাখিছে তাৰ সলাগ লব লাগিব। আমাৰ ওচৰ চুবুৰীয়া বোলোতে অসম মেঘালয়া, অসম অৰুণাচল, অসম নগালেণ্ড, এই বিলাকৰ লগত যি সীমা বিবাদ চলি আছে আৰু ইয়াত আমাৰ চৰকাৰৰ যিটো ভূমিকা সেইটো সলাগিব লাগিব। কিন্তু আমাৰ চৰকাৰৰ সহনশীলতাৰ সুবিধা লৈ আমাৰ ৰাজ্যত কিছুমান ৰাজ্যৰ লোকে বেদখল আৰম্ভ কৰিছে। ১৯৮৫ চনত মেৰাপানীত যি ঘটনা হৈছিল সেইটো সকলোৰে অৱগত। মেৰাপানীত যিটো ঘটনা হল সেইটো চাব লাগিব। সৰুপথাৰৰ নাওঁজান, চুঙাজান অঞ্চলত নগালেণ্ডৰ লোকে বেদখল কৰি আছে। যোৱা ১০ ফেব্রুৱাৰী তাৰিখে নগালেণ্ডৰ শিক্ষা মন্ত্রী আহি তাত এটা সংমণ্ডল গঠন কৰিছে। ইয়াৰ অসম চৰকাৰে প্রতিবাদ কৰিছে। আমাৰ মাটি অন্য ৰাজ্যৰ লোকৰ দ্বাৰা বেদখল হবলৈ দিব নোৱাৰো। তাৰ কাৰণে যিমান বিলাক ব্যৱস্থা

লবলগীয়া আছে সিমান বিলাক ব্যৱস্থা লবলৈ আমি চৰকাৰক কওঁ। আমি আশা কৰিছো অসম চৰকাৰে নগালেণ্ড চৰকাৰৰ লগত আলোচনা বিলোচনা কৰি সেই বিলাক পৰিস্থিতিৰ সাম কটাব। অকল নগালেণ্ড চৰকাৰেই নহয় সেইদৰে মেঘালয়া আৰু অৰুণাচল প্ৰদেশৰ চৰকাৰৰ ফালৰ পৰাও অসমৰ মাটিত বহুত বিলাক কাম কৰি আছে। সেই কাৰণে মই ভাবিছো যে আমাৰ এই সীমান্তৰ কথা বিলাক চাবৰ কাৰণে এটা সীমান্ত বিভাগ গঠন কৰিব লাগে। এতিয়াও এই বিলাক ৰাজনৈতিক বিভাগৰ ফালৰ পৰা চোৱা চিটা কৰি আহিছে। ৰাজনৈতিক বিভাগৰ দ্বাৰা চোৱা চিটা কৰা সম্ভৱ নহয় কাৰণে এইটো চাবৰ কাৰণে এটা সীমান্ত বিভাগ গঢ়ি তুলি সেই বিভাগৰ ওপৰত সীমান্তৰ কথা বিলাক চোৱা চিটা কৰিবৰ কাৰণে দায়িত্ব দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, সীমান্ত উন্নয়নৰ ক্ষেত্ৰত যিমান টকা ধৰা হৈছে সেই টকা বিলাক প্ৰকৃততে খৰছ কৰা হৈছেনে নাই সেইটোৰ প্ৰতি চৰকাৰে চকু দিব লাগিব। আমি জনাত মেৰাপানী, নাওঁযান, চোঙাযান আদি অঞ্চলত যি বিলাক উন্নয়নৰ আঁচনি লোৱা হৈছে সেই বিলাকৰ কাম থিকমতে আগবঢ়া নাই। গড়কাপ্তানী বিভাগেই হওঁক বা অনান্য বিভাগেই হওঁক আঁচনি বিলাকৰ বাস্তৱৰ ৰূপায়ণৰ আমাৰ চৰকাৰে চকু দিব লাগে। সমান্তৰাল ভাৱে সীমামূৰীয়া ৰাইজৰ সুৰক্ষাৰ কাৰণে তিনিটা পুলিচ বাহিনী গঠন কৰা হব বুলি ৰাজ্যপালৰ ভাষণত যি উল্লেখ কৰিছে তাৰ কাৰণে আমাৰ চৰকাৰক মই ধন্যবাদ জনাইছো। তাৰ পিছত সীমান্ত অঞ্চলত যেনেকৈ দ্বিতীয় শ্ৰেণীৰ মেজিষ্ট্ৰেট আদি নিযুক্তি দিয়া হৈছে থিক সেইদৰে চৰকাৰী কিছুমান সা সুবিধা দি কিছুমান চাকৰিয়ালক অৰুণাচল, নগালেণ্ড আদি সীমান্ত বৰ্ত্তী অঞ্চলত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় মহোদয়, তাৰ পিছত আমাৰ আৰু এটা অনুৰোধ আছে যে, আমাৰ মানুহ বিলাক সদায়েই বলিৰ পঠা হৈ আহিছে। এইটো যাতে হব নোৱাৰে তাৰ কাৰণে আমাৰ চৰকাৰে চকু দিব লাগে। স্বাধীনতাৰ পিছৰে পৰাই আমাৰ ৰাজ্যখনক সৰু কৰাৰ এটা প্ৰচেষ্টা চলি আহিছে। অসম ৰাজ্যখনে কাৰো সীমান্তত বেদখল কৰা নাই। আমাৰ যি সাংবিধানিক সীমা আমি সদায় বাহাল ৰাখিম তাত অকণো সন্দেহ নাই। আমি দেখা পাইছো যে, ১৯৮৫ চনত যি শাস্ত্ৰী আয়োগ গঠন কৰা হৈছিল সেই সন্দৰ্ভত নগালেণ্ড আদি চৰকাৰে যিমান গুৰুত্ব দিছে অসম ৰাজ্যইও সমানে গুৰুত্ব

দিব লাগে। নগালেণ্ডৰ ফালৰ পৰা বাহিৰৰ পৰা উকীল আনিও নিজৰ দাবী সাব্যস্ত কৰিবৰ কাৰণে চেষ্টা চলিছে। আমি আশা ৰাখিছো অসম ৰাজ্যও এই ক্ষেত্ৰত পিছ পৰি নেথাকিব। মাননীয় মহোদয়, আজি ৰাজ্যপাল মহোদয়ে যি ভাষণ দিলে সেই ভাষণত আমাৰ অসম ৰাজ্যখনৰ সামগ্ৰীক উন্নতিৰ এখন সুন্দৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। মই সেই গোটেই খিনি কথাকে উল্লেখ কৰিব খোজা নাই।

কৃষি উন্নীতকৰণৰ কাৰণেও যিখিনি আঁচনিৰ কথা দাঙি ধৰিছে তাৰ কাৰণেও মই ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ পিছত উদ্যোগৰ উন্নয়নৰ ক্ষেত্ৰত দেখা পাইছো যে, মাননীয় সদস্য সকলে যি সংশোধনী প্ৰস্তাৱ আনিছে তাত নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰিছে। চৰকাৰে উদ্যোগৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা লৈছে তাৰ কাৰণে ধন্যবাদ দিছো। আমি আশা ৰাখিছো নতুন উদ্যোগ নীতিয়ে নিশ্চয় এটা বাস্তৱ ৰূপ লব। ১৯৮৭-৮৮ চনৰ কাল-ছোৱাত ৩০ হেজাৰ নিবনুৱাক চাকৰি দিয়া হব বুলি ইতিমধ্যে চৰকাৰে পৰিকল্পনা হাতত লৈছে। এইখিনিতে মই আৰু এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে সেইটো হৈছে যে, ক্ষুদ্ৰ উদ্যোগত সদায় স্থানীয় লোকে সুবিধা নাপায়। গতিকে এই উদ্যোগৰ গুৰুত্ব আৰোপ কৰিব লাগে। উদ্যোগ উন্নয়নৰ ক্ষেত্ৰত ভাৰত উদ্যোগ উন্নয়ন বেংকৰ লগত যি উদ্যোগ লৈছে তাৰ কাৰণেও আমি শলাগ লৈছো। লগতে ৰেছম মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰা হব বুলি যি ঘোষণা দিয়া হৈছে সেইটো সঁচাকৈয়ে ভাল হৈছে। ইতিমধ্যে এই মহাবিদ্যালয় পতাৰ ক্ষেত্ৰত কিছু প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে বুলি আজিৰ অগ্ৰদূত কাগজতো প্ৰকাশ পাইছে। আশা ৰাখিছো অসমত এই বিদ্যালয় প্ৰতিষ্ঠিত হব লাগে। লগত মই এই কথাটোৰ প্ৰতিও চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, এই বিষয়ত সকলো খিনি সা-সুবিধা থকা টিটাবৰত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠিত হব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, বনাঞ্চলৰ ক্ষেত্ৰটো চৰকাৰে যথেষ্ট নীতি ঘোষণা কৰিছে। আগৰ চৰকাৰে যিদৰে বনাঞ্চল বিলাক ধ্বংস কৰিছিল সেইদৰে যাতে বনাঞ্চল ধ্বংস কৰিব নোৱাৰে তাৰ কাৰণে যত্নপৰ হব লাগিব। অসম গণ পৰিষদ চৰকাৰে আজি যি বনাঞ্চল সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছে তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। এই সন্দৰ্ভত মই এটা কথা দৃষ্টি গোচৰ কৰিব খুজিছো যে দৈয়াৰ বনাঞ্চলত প্ৰায় দুই লাখ মান জনজাতীয় মানুহে বসবাস কৰে। সেই অঞ্চল সংৰক্ষিত বনাঞ্চল কৰাতকৈ এই লোকৰ

বসতিৰ কাৰণে খুলি দিয়াই ভাল হব বুলি বিবেচনা কৰো। বন্যপ্ৰাণী সংৰক্ষণৰ কাৰণেও আমাৰ চৰকাৰে সমানেই গুৰুত্ব দিব লাগে। বাতৰি কাগজত প্ৰকাশ পায়েই থাকে যে, গড় আদি বনৰীয়া প্ৰাণীবোৰ নিধন হব ধৰিছে। নতুন চৰকাৰৰ দিনত যাতে এইটো হব নোৱাৰে তাৰ কাৰণে যত্নপৰ হব লাগে। মাননীয় চেয়াৰমেন মহোদয়, স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত মই কওঁ যে, মেলেৰীয়া, এনেকেফেলাইটিচ আদি বিয়পি পৰা মহামাৰী বিলাক যাতে হব নোৱাৰে তাৰ কাৰণে চৰকাৰে তৎকালীন আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই প্ৰসঙ্গতে 'ভাইৰাচ্ ৰিচাৰ্চ চেন্টাৰ' এটা প্ৰতিষ্ঠা কৰাৰ যি প্ৰস্তুতি চলিব ধৰিছে তাৰ কাৰণেও চৰকাৰৰ শলাগ লৈছো। ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা আগতীয়াকৈ লবৰ কাৰণে মই আমাৰ চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো।

খোৱা পানীৰ কাৰণেও আমাৰ চৰকাৰে যিখিনি ব্যৱস্থা হাতত লৈছে তাৰ কাৰণেও মই আমাৰ চৰকাৰৰ শলাগ লৈছো ১৮০ টাকৈ টিউব ওৱেল দিয়াৰ যি ব্যৱস্থা কৰিছে তাৰ কাৰণেও মই ধন্যবাদ দিছো। প্ৰত্যেক সমষ্টিতে ৫ টাকৈ পাইপ আঁচনি লোৱা কাৰ্য্যটো সঁচাকৈয়ে প্ৰশংসনীয় হৈছে। আগৰ চৰকাৰে যি বিলাক আঁচনি কাৰ্য্যকৰী কৰিব পৰা নাছিল সেই বিলাক কৰিব লাগে। ১৯৭১ চনৰ চেন্সাসৰ ভিত্তিত যি বিলাক অঞ্চলক 'প্ৰবলেম ভিলেইজ' বুলি ঘোষণা কৰিছিল সেই বিলাক ঠাইতো আজি যথেষ্ট মানুহ ভৰি পৰিছে। সেই বিলাক অঞ্চলতো পানী যোগান কৰিবৰ কাৰণে মই চৰকাৰৰ ওচৰত দাবী জনাও। দৈয়াৰ বনাঞ্চলত য'ত প্ৰায় দুই লাখ মান মানুহে বসবাস কৰে তাতো পানী যোগানৰ আঁচনি লবলৈ আমাৰ চৰকাৰক অনুৰোধ জনাইছো।

( বেল পৰে )

তাৰ পিছত শিক্ষাৰ ক্ষেত্ৰত কওঁ যে, ৰাজ্যখনত শিক্ষাৰ মানদণ্ড যথেষ্ট খিনি কমি আহিছে যাৰ ফলত মেট্ৰিক, পি, ইউ, বি, এ আদি পৰীক্ষা বিলাক দেখা গৈছে যে, পৰীক্ষাৰ নিৰ্দি হাড়টো কমি গৈছে। গতিকেই এই শিক্ষা মানদণ্ড উন্নত কৰিবলৈ চেষ্টা কৰিব লাগে। লগতে কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰটো সমানেই গুৰুত্ব দিব লাগে। কম্পিউটাৰ, টেলিভিচন আদিত গুৰুত্ব দিব লাগে। তাৰোপৰি কাৰিকৰী, লাইন বিলাকত আমাৰ শিক্ষিত লোক নথকাৰ কাৰণে বাহিৰৰ পৰা মানুহ আনিব লাগে। সেই কাৰণেই কৈছো যে, পেপাৰ টেকনলজি, চুগাৰ টেকনলজি, জুট টেকনলজি, প্ৰেট্ৰোলিয়াম টেকনলজি,

ইত্যাদি কাৰিকৰী দিশ বিলাকত আমাৰ ৰাজ্যখনৰ যুৱক সকলক শিক্ষা দিবৰ কাৰণে পলিটেকনিক আৰু ইঞ্জিনিয়াৰিং ইন্‌ষ্টিটিউট বিলাকত প্ৰশিক্ষণ দিবৰ কাৰণে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি কমাৰ্চৰ বিভিন্ন লাইন বিলাকতো সমানেই গুৰুত্ব আৰোপ কৰিব লাগে। গুৱাহাটী বিশ্ববিদ্যালয়ত এম, বি, এ বুলি এটা কৰ্চ আছে যদিও ৰাজ্যখনৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলৰ চাহিদা পূৰণ কৰিবলৈ সি যথেষ্ট নহয়। গতিকেই এই ক্ষেত্ৰত মোৰ পৰামৰ্শ এয়ে যে, ৰাজ্যখনত দুয়োখন বিশ্ববিদ্যালয়তে হোটেল মেনেজমেন্ট, পাৰচনেল মেনেজমেন্ট, লেবাৰ এডমিনিচট্ৰেৰচন ফাইনেল চিয়েল মেনেজমেন্ট, লেবাৰ ইকনমি, স্বকীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, মই গৃহ বিভাগৰ অধীনত থকা পুলিচ থানা ইত্যাদিৰ উন্নয়নৰ কথাটো চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। এই থানা বিলাকৰ কিছুমান বৃটিছৰ দিনতে তৈয়াৰ কৰা বা কিছুমান স্বাধীনতাৰ আৰম্ভণী পৰ্য্যায়তে সৃজন কৰা। সেই বিলাক থানাৰ অৱস্থা উন্নত কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। উদাহৰণ স্বৰূপে মই গোলাঘাট থানাখনৰ কথাকে উল্লেখ কৰিব খুজিছো। তাত এখন মহকুমা হোৱাৰ পিছতো এই থানাখনৰ কোনো উন্নতি হোৱা নাই। সেই কাৰণেই এই থানাখনৰ অৱস্থা ভাল কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো।

এই বিলাক বিশেষ বিষয়ত আমাৰ মানুহ ট্ৰেইনদআপ নহয় আৰু সৰহ সংখ্যক নোহোৱাৰ কাৰণে সাধাৰণতে এই বিলাক পোষ্টত অসমৰ বাহিৰৰ মানুহে আহি সুবিধা লৈছে। গতিকে মই আগতে কৈ অহা মতে উক্ত বিষয় সমূহত আমাৰ লৰাক ট্ৰেইনদআপ কৰি লব পাৰিলে আৰু এই কোৰ্চ বিলাক নতুনকৈ আমাৰ শিক্ষাৰ কেৰিকুলামত সন্নিবিষ্ট কৰিলে এই পদ সমূহত আমাৰ লৰাক সুবিধা দিব পৰা হব। গতিকে এই ক্ষেত্ৰত মই এইখিনি পৰামৰ্শ দিলো।

ইয়াৰ উপৰিও আৰক্ষা বিভাগৰ যিটো কথা কৈছে বিভিন্ন স্থানত আৰক্ষী বাহিনীৰ ব্যৱস্থা লোৱা হৈছে আৰু বেটেলিয়ানৰ কথা কৈছে তাৰ বাবে মই ধন্যবাদ জনাইছো। মই এটা কথা উনুকিয়াব খুজিছো সেইটো হল আমাৰ প্ৰাক স্বাধীনতাৰ কালতে বৃটিছৰ যুগত কিছুমান থানা নিৰ্ম্মান কৰা হৈছিল বিশেষকৈ আমাৰ গোলাঘাটত তেনে ধৰণৰ কিছুমান থানা আছে যিবিলাকৰ অৱস্থা একেবাৰে উৰলী যোৱা অৱস্থা, সেই থানা বিলাক উন্নয়ন কৰিব লাগে। গতিকে মই এই থানা সমূহ নতুনকৈ নিৰ্ম্মান কৰাৰ কাৰণে চিন্তা কৰিবলৈ অনুৰোধ জনাই সময় চমু হোৱাৰ কাৰণে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীদুৰ্গাদাস বড়ো—মাননীয় অধ্যক্ষ মহোদয়, আৰু সদন, মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই অসমৰ ৰাজ্যপাল মাননীয় ভীষ্ম নাৰায়ণ সিং ডাঙৰীয়াই দিয়া ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ ডাঙি ধৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাই মই কেইটামান বিভাগৰ ২টা কথা কম বুলি ভাবিছিলো আৰু অসম চুক্তি ৰূপায়নৰ কথাটো বাদ দি মোৰ বক্তব্য ৰাখিব বিচাৰিছিলো কিন্তু যেতিয়া দেখিলো অলপ আগতে বিৰোধী পক্ষৰ সদস্যই ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত কবলৈ গৈ কেৱল অসম চুক্তি ৰূপায়নৰ কথাতহে বেছি জোৰ দিলে আৰু তাতেই শান্তিত থাকিলে কিন্তু বাকী কেইটা বিভাগৰ ওপৰত কোনো ধৰণৰ পৰামৰ্শ আগনবঢ়ালে তেতিয়া মই ভাবিলো যে অসম চুক্তি ৰূপায়নৰ যিটো দফা সেই দফাটোৰ ওপৰৰ বিতৰ্কত অংশ গ্ৰহন নকৰিলে মোৰ কৰ্ত্তব্য আধৰুৱা হব বুলি ভাবি অসম চুক্তিৰ ওপৰত চমুকৈ কও, আমি শুনিছো বিৰোধী পক্ষ্যৰ কেইবাজনো পৰিপক্ক ৰাজনীতিবিদ আছে, তেওঁলোকে ২৯টা দফাৰ ওপৰত ভাষন ধন ৰাখিছে কিন্তু ২৪টা দফাৰ যিটো, ৰাজনৈতিক মুনাফা উঠাবৰ কাৰণে তেওঁলোকে ইয়াৰ ওপৰত বক্তব্য ৰাখিছে। বিশেষকৈ অলপ আগতে কংগ্ৰেছী সদস্য এজনে বক্তব্য ৰাখিলে যে কংগ্ৰেছৰ মতামত দিল্লীত যেনে ধৰণৰ দিশপুৰত তেনে ধৰণৰ নহয়, দুয়োটাই বেলেগ বেলেগ হয় বুলি কৈছে। তেখেতৰ বক্তব্যৰ পৰাই বেলেগ যোৱা যেন পাইছো আৰু আমাৰ কেইজনমান নাম কৈ বাতৰি কাকত আৰু মেগাজিনৰ কেইটামান লাইন আঙুলিয়াই দি আমাৰ মাজতেই কনফ্লিক্ট আছে বুলি কব বিচাৰিছে অথচ তাত থকা আন কথাবিলাক আঙুলিয়াই দিয়া নাই। তেখেত সকলে অসম চুক্তিখন কাৰ্য্যকৰী কৰা বিচাৰিছে নে নাই তাৰ দুটা কথা আছে। এটা কথা হৈছে যিহেতু অসম চুক্তি খনত ৰাজীৱ গান্ধীয়ে চহী কৰিছে গতিকে চেগ বুজি ৰাজনৈতিক মুনাফা আদায় কৰাৰ কাৰণে সেইখন সময়ে সময়ে সমৰ্থন কৰে আৰু যেতিয়া এই অসম চুক্তিখনেই ৰূপায়ন কৰিবলৈ যাওতে ইয়াৰ যিবিলাক প্ৰেকটিকেল কাম কৰিবলৈ যোৱা হয় তেতিয়া জেংজেংয়াই উঠে আৰু চিঞৰি উঠে অসম চুক্তিৰ নামত ভাৰতীয় নাগৰিকৰ ওপৰত অত্যাচাৰ কৰা হৈছে অসমৰ খিলঞ্জীয়া জনজাতীয় লোকৰ ওপৰত আৰু ভুমি পত্ৰৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে ইত্যাদি, ইমান তেওঁলোকৰ দৰদী অথচ যিটো সময়ত অসমৰ হাজাৰ হাজাৰ মানুহে আন্দোলন কৰিছিল যিটো

*Speech not corrceted.

কাৰণত সহস্ৰ জনে মৃত্যুবৰণ কৰিছিল, সমগ্ৰ অসমৰ মানুহে দাবী কৰিছিল তেতিয়া তেওঁলোকে গাড়ী এৰি আহি ইয়াত সহযোগ কৰাতো দূৰৰে কথা তেওঁলোকে সেই হত্যাকাণ্ডত অংশ গ্ৰহণ কৰিছিল। এতিয়া আকৌ তেওঁ লোকে আলোচনা বিলোচনা কৰি ভাল পৰামৰ্শ দিয়াতকৈ ৰাজনৈতিক মুনাফা আদায় কৰাৰ কাৰণে অসম চুক্তিৰ বিতৰ্কত অংশ গ্ৰহণ কৰি সুবিধা লোৱাৰ চল বিচাৰিছে। আমি অসম চুক্তিখন এই চৰকাৰত থাকো নাথাকো এইটো কথা নহয় চুক্তি ৰূপায়ন কৰিবই লাগিব। সুন্দৰ সুন্দৰ ভাষণেৰে ইয়াৰ বিৰোধিতা কৰিলেও আৰু শুনিবলৈ সোৱলা হলেও আমি কিন্তু ইয়াৰ পৰা কেতিয়াও ফালৰি কাটি নাহোঁ। এতিয়া মই বক্তব্যত কেইটা-মান বিভাগৰ বাহিৰে দুটামান বিভাগৰ কথা কব বিচাৰিছোঁ। এইটোও মই কব খোজা নাছিলো। প্ৰথমতে মই বন বিভাগৰ কথা কব বিচাৰিছোঁ যিহেতু বন বিভাগৰ মন্ত্ৰী উপস্থিত আছে। ভাৰতবৰ্ষতেই নহয় গোটেই পৃথিবীতেই বিখ্যাত বুলি এশিঙীয়া গড়ৰ কথা আমি শুনি আহিছো আৰু সময়ে সময়ে এই দুষ্প্ৰাপ্য গড় নিধন হোৱা বুলি শুনি আছো। এই বিষয়ে বাতৰি কাকতত বহুতো কথা ওলাইছে। একমাত্ৰ এই এশিঙীয়া গড় আৰু কামাখ্যা মন্দিৰ চাবলৈ পৃথিবীৰ বিভিন্ন ঠাইৰ পৰা অসমলৈ মানুহ আহে। মই কাজিৰঙা বন ঘূৰি-পকি চাইছো, কাজিৰঙাৰ পিচফালে ব্ৰহ্মপুত্ৰ নদী চুই গৈছে, কাজিৰঙাৰ এই পিচফালতো খোলা হৈ আছে আৰু অতি সহজতে সেইফালে সোমাই গড় মাৰিব পাৰে। এই গড় মৰাতো স্বাভাৱিকতে নাইকিয়া কৰিব পাৰি যদি সেই কাজিৰঙাৰ পিচফালে থকা যিটো মহল আছে সেই ফিচাৰী মহলটো পট্টন দিয়াটো বন্ধ কৰিব লাগে। মহলদাৰৰ লগত লগ লাগি সেই পানীয়েদি হত্যা কৰাৰ সা-সুবিধা পাই আহিছে। মাননীয় বন মন্ত্ৰী মহোদয়ৰ মই এই কথা দৃষ্টি আকৰ্ষণ কৰিছো যাতে এই মহলটো বন্ধ কৰি দিয়ে। এই মহলটো বন্ধ কৰিলে অন্তত গড় মৰাতো বন্ধ হব আৰু চৰকাৰৰ অলপ-অচৰপ ৰাজহ ঘাটি হলে কোনো কথা নাই। আৰু এটা কথা হৈছে কাজিৰঙাৰ ওচৰত থকা ৰাস্তাৰ কাষত যিবিলাক ধাবা হোটেল আছে সেই বিলাকত তেওঁলোকে থাকে খাই শুৱে আৰু তেওঁলোকৰ লগত লগ লাগিয়েই সুযোগ বুজি সময়ে সময়ে এই গড় নিধন কৰি আছে। এই ৫/১০ মাইল জুৰি থকা ধাবা হোটেল বিলাক উঠাই দিব লাগে তাৰ পৰা আমাৰটো কোনো লোকচান নাই। এইবিলাক এনক্ৰোধাৰচ উঠাই দিব লাগে। ইয়াত সমবায় মন্ত্ৰীয়ো আছে সেয়েহে মই

অলপ সমবায় বিভাগৰ কথাও কব বিচাৰিছো, সমবায় বিলাক উৰ্দ্ধগামী হৈছে নে নিম্নগামী হৈছে সকলো সদস্যই জানে। সকলো সদস্যৰ সমষ্টিতে এনে ধৰণৰ সমবায়-সমিতি আছে। মোৰ সমষ্টিতো এনে ধৰণৰ ৪/৫ খন সমবায়-সমিতি আছে য'ত নেকি কেৱল লোকচান হৈ আছে, বাকী বিলাকতো তেনেধৰণৰ হৈ আছে বুলি ভাবিছো। এখন সমবায় সমিতিও লোকচান নোহোৱাকৈ থকা নাই। লোকচান হোৱাৰ মূলতেই আছে বহুত সময়ত এই কৰ্ম্মচাৰী সকল জড়িত হৈ আছে। এই কৰ্ম্মচাৰী সকলৰ লগতে অৱশ্যে এক নম্বৰত সভাপতি হোৱা বিলাকো জড়িত আছে। কোনোবা কৰ্মচাৰীৰ হাতত ১০ হাজাৰ কোনোবা কৰ্মচাৰীৰ হাতত ৫ হাজাৰ কোনোবা কৰ্মচাৰীৰ হাতত ১২ হাজাৰলৈকে টকা জমা থকা দেখা যায়। সাধাৰণতে কায়দা কৰি তেওঁলোকে মাহ শেষ হোৱাৰ আগতেই বেচি কৰি টকা লৈ থয়। গতিকে এই বিষয়ে মাননীয় সমবায় বিভাগৰ মন্ত্ৰীয়ে অলপ দৃষ্টিগোচৰ কৰিলে ভাল হয়। অৱশ্যে উপায়টো মই দিব নোৱাৰাৰ বাবে দুঃখিত। তাৰ পাচত মই শিক্ষা বিভাগৰ বিষয়ে কবলৈ ওলাইছো। যিহেতু ইয়াত ৰাজ্যিক শিক্ষামন্ত্ৰী উপস্থিত আছে। তেওঁ ইয়াত আলোচনা কৰা বিষয় বস্তুখিনি কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰীৰ লগত আলোচনা কৰিব। অলপ আগতে এগৰাকী মাননীয় সদস্যই বৰ ৰস লগাকৈ বোৰ্ডৰ কমিটিৰ কথা কলে। ৬৮টা বছৰে বোৰ্ড গঠন কৰোতে প্ৰফুল্ল মহন্ত, ভৃগু ফুকন আৰু দুৰ্গাদাস বড়োক তাৰ চেয়াৰমেন পাতিছিল নেকি? তেওঁলোকে যেন জনতা পাৰ্টিৰ সদস্যকহে চেয়াৰমেন পাতিছিল, যেন চি, পি, এমৰ সদস্য সকলকহে চেয়াৰ মেন পাতিছিল। তেওঁলোকৰ ইয়াত কবলগীয়া একোৱেই নাই। মাত্ৰ ইউ, এম, এফ দলৰ যি কেইজন সদস্য আগতে কংগ্ৰেছ দলত নাছিল, নতুনকৈ এতিয়া আহিছে তেওঁলোকৰ দুই এজনেহে এই বিষয়ে কব পাৰে। আমি ইয়াত আন্তৰিকতাৰে সৈতে বহিছো। এই বহল মনৰ হোৱা কাৰণে আমাৰ ভুল হোৱা যেন পাইছো। এই শিক্ষা বোৰ্ডবিলাকত শিক্ষাবিদ নিয়োগ কৰিবলৈ চেষ্টা কৰা হৈছে। মই কংগ্ৰেছী শিক্ষাবিদ, এ, জি, পি শিক্ষাবিদ পোৱা নাই। এই শিক্ষাবিদ সকলক নিযুক্তি দিবলৈ বিচৰাটোত ধন্যবাদ নিদিয়াটো বৰ দুখ লগা কথা। দুই এগৰাকী মাননীয় সদস্যই এটা জলন্ত সমস্যাৰ কথা ডাঙি ধৰিছে। এই সমস্যাটো অকল অসমৰেই নহয়, ভাৰতবৰ্ষতেই নহয়, ভাৰতবৰ্ষৰেই নহয়, ই গোটেই পৃথিৱীৰেই সমস্যা। এই সমস্যাটো এ, জি, পি, চৰকাৰৰ ওপৰত জলন্ত সমস্যা হিচাবে

ডাঙি ধৰিবলৈ বিচাৰিছে। সেই সমস্যাটো হৈছে নিবনুৱা সমস্যা। এই নিবনুৱা সমস্যাটো সমাধান কৰিবলৈ এ, জি, পি, চৰকাৰৰ ৭০/৭২ জন সদস্যৰ সমৰ্থন লৈয়েই নহয় ১২৬ জন সদস্যৰ সমৰ্থন লৈ আহিলেও আমি এই নিবনুৱা সমস্যাটো সমাধান কৰিব পাৰিম বুলি দৃঢ় হব নোৱাৰিম। দুই এজন বিৰোধী সদস্যৰ পৰা ইয়াত মুছলমান নিবনুৱা, জনজাতি নিবনুৱা, অজনজাতি নিবনুৱা ইত্যাদিৰ বিষয়ে অলপ অচৰপ গোন্ধ পাইছো। ইয়াৰ এটা হিচাব মই দিব খুজিছো। আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ টংলাত এটা অফিচ আছে। ইয়াত চতুৰ্থ শ্ৰেণীৰ কেইটামান চাকৰি ওলাইছিল। জিলাৰ ভিতৰত যি কেইটা নিয়োগ বিনিময় কেন্দ্ৰ আছে তাৰ পৰা নাম সংগ্ৰহ কৰি আনি ইন্টাৰভিউ পাতি দৰখাস্ত আদি লৈ নিয়মমতে চাকৰিত নিযুক্তি দিয়া হৈছিল। দূৰ্ভাগ্যবশতঃ ওদালগুৰিত মাইনৰিটি মানুহ নাচিল আৰু সেই কাৰণেই আবেদন বিচৰা স্বত্বেও দৰখাস্ত কৰা নাই। নিযুক্তি দিবৰ কাৰণে তাত মাইনৰিটি বা মুছলমান মানুহ কোনো নাই। তাত যি গৰাকী অধীক্ষক অভিযন্তা আছিল তেওঁৰ বোধহয় আগৰ অলপ অচৰপ হাৱা আছিল আৰু সেই কাৰণেই মুছলমান মানুহৰ নাম লিষ্টত নথকাত তেওঁ চহী কৰে কেনেকৈ নে অধ্যক্ষ মহোদয়, মই আন কোনোবা ঠাইৰ পৰা মুছলমান মানুহ আনি তাত বহুওৱাম। সেয়েহে বিৰোধী পক্ষই মাইনৰিটি মানুহৰ নাম নাই বুলি ইয়াত দাঙি ধৰিব বিচাৰিছে। আচলতে কথাটো এনেকুৱাহে। উদ্যোগৰ ওপৰত মই দুষাৰ কবলৈ বিচাৰিছো যিহেতু উদ্যোগ মন্ত্ৰী ইয়াত উপস্থিত আছে। উদ্যোগৰ ওপৰত যোৱা বিধান সভাৰ অধিবেশন আলোচনা কৰা হৈছিল। উদ্যোগ নীতি অলপ হতাশ হৈছে। অৱশ্যে অসমীয়া মানুহ হতাশ হোৱা নাই। হতাশ হৈছে ভাৰতৰ বাহিৰৰ মানুহ বিলাকহে। মোৰ বন্ধু মাননীয় সদস্য দীপক দাসে কোৱাৰ দৰে—'বোলে আমাৰ অসমীয়া মানুহৰ টকা-পইচা নাই নহয়'। অসমীয়া মানুহৰ টকা-পইচা অলপ কম আছে। গতিকে আমাৰ এই নীতিৰ জৰিয়তে কম পইচা থকা মানুহে যাতে উদ্যোগ গঠন কৰিব পাৰে আৰু এই উদ্যোগ বিলাক গঠন কৰোতে যাতে শতকৰা ৯০ ভাগ থলুৱা মানুহে নিযুক্তি পায় তাৰ ব্যৱস্থা কৰিব লাগে। বাঁচি ভাগ বাহিৰৰ মানুহেই নিযুক্তি পোৱাৰ কাৰণে আমি অসন্তুষ্ট। অলপতে এজন বাহিৰৰ উদ্যোগপতিয়ে মোক লগ ধৰিছিল এটা উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ কাৰণে। তেতিয়া মই কলো যে আপুনি কেইজনমান থলুৱা পাটনাৰ বিচাৰি লওক। তেতিয়া মই আপোনাক উদ্যোগ মন্ত্ৰীৰ লগত লগ লগাই দিম।

আমাৰ থলুৱা লোকৰ এনেয়ে টকা-পইচা কম। গতিকে উদ্যোগ গঢ়িবলৈ অসুবিধা হয়। ফলত অইন মানুহে আহি সুবিধা বিলাক লয়। এই উদ্যোগ বিলাক বাহিৰা মানুহে নাপায়। এই উদ্যোগ বিলাক আমাৰ অসমীয়া মানুহে পাব। কাৰণ যি কেইটা চাকৰি ওলাব সেই কেইটা আমাৰ অসমীয়া মানুহে পাব। এই কাৰণে উদ্যোগ মন্ত্ৰীক ধন্যবাদ জনাইছো যে একেবাৰে উপযুক্ত সময়ত তেখেতে আমাৰ অসমীয়া নিযুক্তি পোৱাৰ, উদ্যোগ খুলিবলৈ এনেকুৱা সুবিধাবোৰ আনি দিছে।

পৰিবহন মন্ত্ৰী ইয়াত আছে। গতিকে পৰিবহন বিভাগৰ ওপৰত অলপ কব ওলাইছো। আমাৰ পথ পৰিবহন নিগমৰ ওপৰত অলপ কব ওলাইছো। আমাৰ পৰিবহন বিভাগটো পঙ্গু লগা অৱস্থাত আছে। ইয়াক উন্নত কৰা কৌশল কেৱল নতুন বাচ কিনি থাকিলে নহয়। নতুন বাচ এশ ডেৰশ, পাচ দহ হাজাৰ বঢ়াব পাৰে। ইয়াৰ দ্বাৰা পৰিবহন বিভাগে উন্নত হোৱা বুলি কব নোৱাৰি। পৰিবহন বিভাগত যদি কৰ্ম কুশলতা, তৎপৰতাৰ অভাব হয় তেতিয়াহলে পৰিবহন বাচ থাকিলে কি হব? বাচ চলোৱা মানুহে যদি সময় মতে বাচ নচলায়। আমি দেখা পাইছো পৰিবহন নিগমৰ বাচ পৰি আছে পাব্লিক বাচ গলে বব বব বুলি কয়। এই ধৰণৰ পৰিবহন নিগমৰ বাচৰ অৱস্থা হৈছে। কেতিয়াবা টায়াৰ ফুটিছে আৰু কেতিয়াবা ইঞ্জিন বেয়া হৈছে। এই দুৰৱস্থাৰ মাজেদি তেজপুৰ, গোলাঘাট আদি পাইছেগৈ। চৰকাৰী গেৰেজ আছে তাত যদি মেকানিকক ড্ৰাইভাৰ, চেকাৰে পইচা নিদিয়ে তেন্তে আগতে ভাল কৰি নিদিয়ে। চৰকাৰে নতুন গাড়ী কিনিছে যদি টায়াৰ ফুটা বা অন্য বিজুতিত এবছৰলৈ ভাল কৰা নহয় তেন্তে গাড়ীৰ ইঞ্জিন বা অন্য অংশ বেয়া হৈ যাব। তাৰোপৰি প্ৰসাশনীয় খেলি মেলি নিকা কৰি খৰ-তকীয়াকৈ কৰিবৰ কাৰণে অনুৰোধ ৰাখিছো।

জলসিঞ্চন বিভাগৰ বাজ্যিক মন্ত্ৰী আছে। গতিকে এই বিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিব। যোৱা বছৰ খৰাং বতৰ হৈছে। এই বছৰ যে নহব কব নোৱাৰি। গতিকে যি যি অঞ্চলত পানী যোগানৰ ব্যৱস্থা নাই তাত ব্যৱস্থা নাই তাত ব্যৱস্থা কৰিব লাগে। কাকতে পত্ৰে ১০-২৫ বিঘা হলে নহব। যোৱ সমষ্টিত বেয়া অৱস্থাত বহুত চেল ফিল্টাৰ, দিপ টিউব ওৱেল অচল অৱস্থাত আছে। পাইপেৰে ২০ ফুটৰ ওপৰ যাব নোৱাৰে। এই বিলাক ভাল কৰিব লাগে। কাৰণ যেতিয়া পথাৰত পানীৰ বৰ দৰকাৰ হৈছে। যোৱা কালি এজন সদস্যই কৈছে যে আমাৰ যিখিনি পানী যোগানৰ

ব্যৱস্থাৰ কাৰণে অঁাচনি আছে সেই বিলাক অনতিপলমে পানী যোগানৰ ব্যৱস্থা কৰিব নহলে বতৰ যাবৰ সময়ত যাব আকৌ এবাৰ খৰাং আহিব। আকৌ হাহাকাৰত পৰিব। প্ৰাকৃতিক দুৰ্যোগ গণ পৰিষদৰ চৰকাৰৰ বিৰোদ্ধে গৈছে বুলি কৈ শান্তনা লভিলে নহব। ৰাজ্যপাল ভীষ্মনাৰায়ন সিংহদেৱে গণ পৰিষদ চৰকাৰৰ বেচি কেইটা বিষয়ত ভাষণ উৎথাপন কৰিছে। এই বিলাক পঢ়ি বিৰোধী পক্ষৰ সদস্য সকলে বেয়া পাইছে। ইয়াত অসম চুক্তিৰ কথা আছে। ইমান ভাল কথা লিখিছে যে আমাৰ কোনোৱা অদৃশ্য হাতত অসমৰ ৰাজ্যপালৰ ওপৰত কিজানি অলপ কিবা কিবি কৰিব পাৰে। আমাৰ ৰাজ্যপালৰ ভাষণ খন সুন্দৰ ভাৱে উৎথাপন কৰিছে আৰু ভাল কাম কৰিবৰ কাৰণে সকীয়াই দিছে। গতিকে বিৰোধী পক্ষৰ সদস্য সকলে ইয়াৰ পৰামৰ্শ আগবঢ়াই সমৰ্থন কৰিব লাগে। ইয়াকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

Mr Speaker—Now Hon'ble Member, Shri Charan Nerzary.

Shri Charan Nerzary—Hon'ble Mr Speaker Sir, I shall speak only for seven minutes. I do not want to go into the details of the Governor's Address. My mind is very heavy because the Governor's Address. has totally failed to project the correct picture of the various burning problems of the State. My mind is very grave because there is no indication in the Governor's Address for solution of the burning problems of the plains tribals,

As you know sir, the plains tribals have a special status under the Constitution of India, and their position is not at par with any other section of the people. On various occasions we have been ventilating our burning problems, but no positive approach to ensure permanent solution of the tribal problems has been evolved, not only by the present A.G.P. Government, but also by the earlier governments. And, we are firmly convinced that the burning problems of the plains tribals cannot be solved by patch-works, That is why, we do not want piecemeal effort to bring about solution of the plains tribals problems.

It is not the question of mere socio-economic development. Thə basic issue of the plains tribals is to ensure

protection of their lands, their areas. It is the question of doing justice to them in employment and their education. It is the question of preserving their languages and cultivres and protecting their distinctive ethnic identity. We want to flourish with our own distinctive ethnic identity, according to their own genius.

So Sir, for us it is useless to speak about very many things. We are firmly convinced that only one may is there to bring about a permanent solution of the plains tribals of Assam. It is Udayachal we have been demanding a Union Territory of Udayachal for the tribals of Assam. This demand is not directed against any particular section of the people. We want to live with all as friends not as enemics. The concept of Udayachal is a reality. The Central Government has accepted the phylosophical concept of Udayachal and so far as the geographical concept of Udayachal is concerned, it is a waiting political decision at the highest level in the Central Govt. it will come true. And, I hope even after the creation of the proposed Union territories of Udayachal, all of us can live peacefully as friends. We are not in enmity with anybody. Assamese people are our friends, muslims are our friends, Bengalies are our friends, Nepalies are our friends. When Udayachal is created, we will live as friends together and we will work together in perfect peace and harmony. A time is bound to come, the Union Territory of Udayachal may be required to give shelter even to those Assamese people, who will be in distress. There is a historical need for creation of Udayachal. I donot want to elaborate all these things at this stage. Any way, further Balkanisation of the State of Assam is a must. It will be in the larger interest of the all sections of the people. It will be in the best interest of the Assamese community as will. I conclude here. Thank you.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত সংশোধনী আনি বিৰোধী পক্ষৰ সদস্য সকলে সংশোধনী প্ৰস্তাৱ আগবঢ়াইছে আৰু তাত সমৰ্থন জনাই মই দুআষাৰ কোৱাৰ ইচ্ছা প্ৰকাশ কৰিছো ।

এইবাৰ ৰাজ্যপালৰ ভাষণত, যোৱা বছৰৰ ঘোষণা কৰা নীতি, একেখন চৰকাৰৰে, এবছৰতেই নিজৰ ঘোষিত প্ৰস্তাৱৰ পৰা পলাই যাব লগা হৈছে। যোৱা বছৰ দুৰ্নীতি সম্পৰ্কীয় ভাষণত ৰাজ্যপালে কৈছিল—এই বছৰ দেখিছো টলাৰেট কৰা নহব বুলি কোৱা নাই। কৃষি মন্ত্ৰীৰ ভাষণৰ পৰা জানিলো দুৰ্নীতি সযতনে লালন পালন কৰিছে। মই যোৱা অধিবেশনতেই উত্থাপন কৰিছিলো যে ৭.৫০ টকাকৈ আলু কিনা হৈছিল। কিন্তু আজিও চৰকাৰ নিৰৱ। তাৰ অনুসন্ধানৰ কোনো ব্যৱস্থাই নহ'ল। অসমৰ বানপীড়িত মানুহক সাহায্য দিবলৈ, কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনিলে। দৰিদ্ৰ জনসাধাৰণক সহায় কৰিব। কিন্তু শেষত কেইজনমান মানুহৰ মাজত টকাতো ভগাই বহি থাকিল। দুৰ্নীতি সহ্য কৰা নাই লালন পালন কৰিছে। অৱশেষ এইবাৰ "চেকিং কৰাপচনৰ" নামত আহিছে। চৰকাৰে পশ্চাৎ অপসৰণ কৰিছে। পলায়নবাদী দ্বিতীয়তে বীৰদৰ্পে ঘোষণা কৰিছিল নিযুক্তিৰ ক্ষেত্ৰত। কিন্তু কিৰ্মমচ লজে, সেইটো তেওঁলোকে জানে, অসমৰ বাইজে জানে আৰু আপুনিও অলপ জানে। গতিকে সেইটো ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। কিন্তু এইবাৰ তেওঁলোক সম্পূৰ্ণ নিৰৱ। যোৱা বছৰ এটা কথা কৈছিল "ৰিভিউচ এমপ্লইমেণ্ট" নিবনুৱা সমস্যাৰ ভয়াবহতা আছে। কিন্তু এইবাৰ কায়দা কৰি "ইজ' লগাই দিছে। গতিকে দেখা গৈছে, ৰাজ্যখনত যিকেইটা জলন্ত সমস্যাই পিষ্ট কৰি আছে সেই কেইটাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। ৰাজ্যপালৰ ভাষণত মাত্ৰ চৰকাৰৰ ডাঙৰ ডাঙৰ প্ৰদৰ্শনী হৈছে। ৰাজ্যপালৰ ভাষণ খন হৈছে, কানত আঙুলি দি, চকুত হাত দি থকা মানুহৰ দৰে। আজি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বিষয়ে এই চৰকাৰে কি কৰিছে? আজি এবছৰে গণতান্ত্ৰিক প্ৰকিয়াক গলত টিপি ধৰিছে। ৰাজ্যপালৰ ভাষণত কৈছে অসমত কোনো গণ্ডগোল নাই। স্বাভাবিক অৱস্থা চলি আছে। কিন্তু অসমত আজিও মিউনিচিপিলিটি নিৰ্ব্বাচন কিয় নহ'ল? দেখা গৈছে সকলো বৈষম্যই দেখা দিছে। আপোনালোক লজ্জিত হোৱা উচিত।

Shri Chandra Arandhara (Minister Panchayat)—Sir, probably, the Hon'ble member knows it clearly that during the last budget session the two-tier system was converted to three tier sys- and the Hon'ble member knows it crystel clear that the bill was sent to the President of India for his assent. Now Govt. is going to held the election at the earliest possible time.

শ্ৰীহেমেন দাস—আজি চৰকাৰে পঞ্চায়তৰ নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰিব পৰা নাই। ইয়াতকৈ আৰু লজ্জাজনক কথা একো হব নোৱাৰে। ইয়াৰ কাৰণে ৰাষ্ট্ৰপতিকো দোষ দিব নোৱাৰে। চৰকাৰৰ কৰ্ত্তব্য আছিল পঞ্চায়তৰ নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰি ভোটাৰ লিষ্ট প্ৰস্তুত কৰ।

Shri Chandra Arandhara, Minister, Panchayats— The Hon'ble member knows it that we had to wait for the assent of the President of India and unless we get the assent of the President, the date for election can no longer be notified.

শ্ৰীহেমেন দাস—ৰাষ্ট্ৰপতিয়ে যেতিয়া সমৰ্থন দিছে মন্ত্ৰী মহোদয়ৰ বা চৰকাৰৰ কৰ্ত্তব্য আছিল এই তিনিমাহৰ ভিতৰত নিৰ্বাচন কৰা। ভোটাৰ লিষ্ট তৈয়াৰ কৰিব লাগে। গতিকে দেখা গৈছে গণতন্ত্ৰক শেষ কৰিবলৈ ওলাইছে। আন এটা গুৰুত্বৰ সমস্যা ৰাজ্যপালৰ চকুত হাত দিছে আৰু কাণত আঙুলি দি আছে। অলপ আগতে মাননীয় সদস্য নাৰ্জাৰীয়ে কৈছে যে কাৰ্বি সকলে ১০০ ঘন্টা বন্ধ পালন কৰিছিল তেওঁলোকৰ দাবী আমি মানিবও পাৰো নেমানিবও পাৰো। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে তেওঁলোকৰ মাজত অসন্তোষ্টিয়ে দেখা দিছে। দাবী মানক বা নেমানক চৰকাৰ নিৰ্বিকাৰ হৈ বহি থকা উচিত নহয়। আজি উদ্যোগ নীতিৰ সম্পৰ্কত টিবেই কৈছে কিন্তু অসম এখন কৃষি প্ৰধান দেশ। উদ্যোগ প্ৰধান নহয়। কৃষিৰ বাবে দেশৰ কৃষকক ভূমি নীতি সম্পৰ্কত তুআষাৰমান মাত মাতিলে একো নহয়। আজি আপোনালোকে এক বছৰ অতিক্ৰম কৰিলে কিন্তু অসমৰ বেচি ভাগ মানুহ যুৱক মিলি কৃষি ভূমিক কেন্দ্ৰ কৰি গঢ়ি উঠা ভূমি সম্পৰ্কীয় নীতি ঘোষণা কৰিব নোৱাৰিলে। ভূমি নীতি কি আপোনালোকে কওঁক ? কংগ্ৰেছৰ যি ভূমি নীতি আছে। সেইটোৱেই আপোনালোকৰ ভূমি নীতিনে নিজস্ব কিবা নীতি আছে। অসমৰ খেতিয়কৰ চিন্তা আপোনালোকে কৰা নাই। নিজৰ চিন্তাহে কৰিছে। আজি কিছুদিনৰ আগতে ৰাষ্ট্ৰপতিয়ে ভাষণ দিলে সংসদনত যৌথ অধিবেশনত। ভাৰতবৰ্ষৰ এটা ডাঙৰ সমস্যা সম্প্ৰদায়িকতাবাদ আৰু তাকে কেন্দ্ৰ কৰি গঢ়ি উঠা বিছিন্নতাবাদ। বিচিন্নতাবাদৰ সম্পৰ্কে ৰাজপালৰ ভাষণত উল্লেখ থকা বাবে ভাল পাইছো। যি কি নহওঁক আন্দোলনৰ ভিত্তিত বিচিন্নতাবাদ অহাটো স্বীকাৰ কৰিছে। আন্দোলনৰ আগতে অসমত বিচিন্নতাবাদী শক্তি নাছিল। এই বিলাকৰ বিৰুদ্ধে আজি সমগ্ৰ ভাৰতবৰ্ষ জুৰি সকলো ৰাজনৈতিক দলে অভিযান আৰম্ভ কৰিবলগীয়া হৈছে। পাঞ্জাৱত শীখ এচট্ৰিমিষ্ট সকলৰ জন্ম হ'ল। আজি এইটো সৰ্ব্বভাৰতীয় সমস্যা ৰূপে

দেখা দিছে। ভাৰতৰ বিভিন্ন প্ৰান্তত সম্প্ৰদায়িকাতাই সমস্যাই দেখা দিছে। অসম ভাৰতৰ বাহিৰত নহয়। গতিকে অসমতো সম্প্ৰদায়িক শক্তিয়ে গা কৰি উঠিছে। সম্প্ৰাদায়িক শক্তিৰ বিৰুদ্ধে ব্যৱস্থা লোৱা প্ৰয়োজন। অসমৰ গাওঁ অঞ্চল বিলাকত দুটা শক্তিক সামান্তৰাল ভাৱে আগবাঢ়িছে। আজি জনসাধাৰণক সজাগ কৰি দিয়া সময় আহিছে। এইটো এটা ভয়ানক সমস্যা। ২৬ জানুৱাৰী তাৰিখে বয়কট নহল। কিন্তু সকলো মুছলমানেই দোষী নহয়। কাছাৰত গৈ খবৰ ললেই গম পাব। নিৰাপত্তাৰ বাবে, ঐক্য সংহতি ৰক্ষাৰ বাবে সৰ্বভাৰতীয় যিটো আহ্বান আহিছে। সম্প্ৰদায়িকতাৰ বিৰুদ্ধে সংগ্ৰাম। এইটো সম্পূৰ্ণ ভাৱে বাদ পৰি গৈছে। চৰকাৰে গুৰুত্বপূৰ্ণ ভাৱে উপলব্ধি কৰা নাই। অসমীয়া যুৱক আৰু মুছলমানৰ লগত চাউলখোৱাত মাৰপিত হৈছে। ধৰ্মৰ নামত আজি সম্প্ৰদায়িকতা সৃষ্টি হৈছে। ইয়াৰ বিৰুদ্ধে আমি সংগ্ৰাম কৰিব লাগিব। মই কোনো এজন বিশেষ ব্যক্তিৰ বিৰুদ্ধে কোৱা নাই। আজি সকলোৱে অসম চুক্তিৰ কথা কৈছে। এই চুক্তি দুটা ধাৰাত আমি আগৰে পৰাই বিৰোধী। কিছুমানে কয়, নটিফাই কৰক। আমি কওঁ ইয়াৰ এটা ভাল দিশো আছে। ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ মাজত অহা সকলৰ বাবে বিৰোধীতা কৰিছিলো। কিন্তু কথাটো হৈছে আজি বিদেশী বহিষ্কাৰৰ নামত শাস্তি কোনে পাইছে। "মই ভাৰতীয়। মোৰ ঘৈণী ভাৰতীয়। কিন্তু মোৰ বিবাহিতা ছোৱালী বাংলাদেশী।" এয়া এজন বঙালী মানুহৰ কথ।

অধ্যক্ষ মহোদয়, তেওঁলোকৰ ১৯৬৭ চনত ভোটাৰ তালিকাত নাম আছে। ছোৱালীক বিয়া দিছে কোকোৰাঝাৰলৈ। ছোৱালী কি ভাৰতীয় নাগৰিক নহয়? আজি চুক্তি ৰূপায়নৰ নামত এই ধৰণৰ কাৰ্য্য আৰম্ভ হৈছে। গতিকে নিৰ্দিষ্ট আৰু স্পষ্ট এটা আভাষ দিয়া উচিত। এইটো তথ্য সহকাৰে মোৰ হাতত আছে। আজি চুক্তি কাৰ্য্যকৰী কৰাৰ নামত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে লেকচাৰ দি তাতে শেষ কৰিছে। আপোনালোকেও লেকচাৰ দি শেষ কৰিছে। পিচত গৈ সদনক কব লাগিব এটা কমিটি কৰক। কোন সচা কোন মিছা পৰ্য্যবেক্ষণ কৰাৰ বাবে। আপোনালোকৰ দাবী আছিল অবিস্বাস্য আৰু অবান্তৰ। অসমত ৪০ লাখ বিদেশী আছে। আপোনালোকে ১০ বছৰ শাসন কৰিলেও বছৰে ১ লাখকৈ বিদেশী খেদিলে ১০ বছৰ লাগিব। আজি এবছৰে এজনো বিদেশী বাহিৰ কৰিব পৰা নাই আৰু কোনো দিনে নোৱাৰিব। আপোনালোকে ভাল কাম কৰিছে, নানান ধৰণৰ

উন্নয়ন কাৰ্য্যৰ প্ৰতি নজৰ দিছে, ৰাস্তা-পথ, পানী যোগান আদি ভাল কাম কৰিছে। আপোনালোকৰ ভিতৰত গৃহমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে অসম চুক্তিৰ কাৰ্য্যকৰী কৰা হব বুলি মাজে মাজে কয়। বাকী সকলে পানী যোগানৰ ব্যৱস্থা, খোৱা পানী, পৰিবহন আদি গঠনমূলক কামত উন্নয়ন মূলক ব্যৱস্থা লৈছে। মাত্ৰ এটা অনুৰোধ কৰো বঙালি বা মিয়া বুলি ভাবি জীয়েকক যাতে হাৰাশাস্তি নকৰে। সৰভোগৰ ছোৱালী চাৰফানগুৰিলৈ বিয়া দিয়াৰ পিচত বিদেশী বুলি হাৰাশাস্তি খাবলগীয়া হৈছে। আৰু এটা কথা মই শুনিছো। স্কুলৰ লিষ্ট সম্পৰ্কে বিৰোধী পক্ষই ১২ খন আৰু চৰকাৰী পক্ষই ৩৬ খন পোৱাটো দুৰ্ভাগ্যজনক। মই ১৯৭৮ চনৰ পৰা বিল্ডিং গাণ্টৰ চাৰিখন স্কুলৰ আৰু চাৰিখন কলেজে পাইছিলো।

শ্ৰীজয়নাথ শৰ্ম্মা—মোৰ সমষ্টি ১৯৮৪-৮৫ চনত এখনো স্কুলে পোৱা নাই। ১৯৮৫-৮৬ চনত দুখনমান আছে নেকি ?

শ্ৰীহেমেন দাস—এই কালছোৱাত পঞ্চায়তক দিয়া হৈছিল। প্ৰত্যেক গাওঁ পঞ্চায়তে এলটমেণ্ট দিব। এইটো বিত্তীয় বিভাগৰ টকা। নহলে আপোনা-লোকৰ বিৰোদ্ধে বিক্ষোভ বাঢ়িব। আজি অসমৰ জলসিঞ্চনৰ শতকৰা ১৩ ভাগ পঞ্জাবৰ ৮২ ভাগ। এইদৰে অসমতা সৃষ্টি হৈছে। আঞ্চলিক অসমতা হলে অসমৰ জনসাধাৰণ গৰজি উঠিব। আপোনালোকে শতকৰা ৫০ টা ভোট পোৱা নাই। এতিয়া বিৰোধী পক্ষই ১২ খন আৰু চৰকাৰী পক্ষই ৩৬ খন পাব তাতোতকৈ আৰু ভয়ানক কথা কি আছে, ছিঃ ছিঃ ছিঃ।

* শ্ৰীবলোভদ্ৰ তামুলী—মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানিত ৰাজ্যপালৰ ভাষণৰ ওপৰত মুখ্য সচেতকে যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক পূৰ্ণ সমৰ্থন জনায় দুআষাৰ কবলৈ আগবাঢ়িছো। আজি এই সদনত ৰাজ্য পালৰ ভাষণৰ ওপৰত মাননীয় সদস্য কেইবাজনো বিৰোধী সদস্য সং-শোধনী বক্তব্য ইয়াত দাঙি ধৰিছে আৰু তেওঁলোকে ইয়াত যথেষ্ট কথা কৈছে বিশেষকৈ অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত বেচি বক্তব্য তেওঁলোকৰ তৰফৰ পৰা ৰখা হৈছে। এজন মাননীয় সদস্যই ইয়াত ধুনীয়া অভিনয় কৰি ইয়াত বক্তব্য ৰাখিছে। সেই অভিনয়ৰ মাজত চুক্তি ৰূপায়নৰ ক্ষেত্ৰত যাকে তাকে হাৰাশাস্তি কৰা বুলি কৈছে। মোৰ বোকাখাট সমষ্টিত হোটেলত বহুতো ৰিক্সা, ঠেলাৱালাৰ নাম ভোটাৰ তালিকাত আছিল। কাৰণ নেপালৰ

*Speech not corrected.

জনপুৰ বুলি এখন জিলাৰ পৰা অসংখ্য ৰিক্সা, ঠেলা, মটিয়া আহি অসমত বসবাস কৰি আছে। ইয়াৰ বাহিৰেও যথেষ্ট সংখ্যক বঙালি ভাষী মানুহ আছে। বিহাৰী গোষ্ঠী মুছলমান মানুহ বাংলাদেশত পাকিস্তানী হৈ আছে। এই ভাষী মানুহ অসমত পলাই আহি অসমত বিশেষকৈ টায়াৰৰ ব্যৱসায় কৰিছে। তেওঁলোক বিদেশী হয়নে নহয় সেইটো আমি চাব লাগিব। বিহাৰটো বিদেশী আছে। কোনোবা যদি প্ৰকৃত ভোজপুৰী ভাষী হলেও বিদেশী নহয়। গতিকে মই ভাবো যে এনেকুৱা সত্য কথাবোৰৰ যাতে আমাক সদনে বিপথে পৰিচালিত নকৰে তাৰ বাবে অনুৰোধ জনালো। আমাৰ তিনিজন মন্ত্ৰীয়ে উক্তি দি কেইটামান লাইন উল্লেখ কৰিছে যে অসম গণ পৰিষদে এচাম সদস্য বা অসম চুক্তি ৰূপায়নৰ বিৰোধীতা কৰিছে এই কথা প্ৰতিপন্ন কৰিছে। সচা কথা অসম চুক্তি যি সময়ত প্ৰতিপন্ন কৰা হৈছিল বা যি পৰ্য্যায়ত অসম চুক্তি স্বাক্ষৰ কৰা হৈছিল আন্দোলন কাৰীয়ে ১৯৫১ চনৰ ওপৰত ভিত্তি কৰিহে কৰিছিল।

গতিকে ১৯৭১ চন বা ১৯৭৪ চন বুলি আগতে দুই এজনৰ কিবা প্ৰতিক্ৰিয়া আছিল যদিও আমাৰ গণ পৰিষদ দলৰ সদস্য সকলৰ একমত সেইবিলাকৰ দ্বাৰা আমাক প্ৰত্যায়ণ কৰিব নোৱাৰে আৰু আমিও পতিয়ন নাযাও। দুই এজনৰ মনৰ তফাত থাকিব পাৰে সেইটো সামান্য। গতিকে তেখেত সকলে যিটো সংশোধনী প্ৰস্তাৱ আনিছে সেইটোৰ প্ৰয়োজন নাই বুলি মই বোধকৰো। বিশেষকৈ উচ্ছেদৰ ক্ষেত্ৰত তেওঁলোকে যি সংশোধনী আনিছে—কাজিৰঙা অভয়াৰণ্যৰ আশে-পাশে উচ্ছেদৰ কথা কৈছে মই নিজে কব পাৰো কাৰণ সেই অঞ্চলৰ মই স্থানীয় বিধায়ক। বুঢ়া পাহাৰৰ লগত ব্ৰহ্মপুত্ৰ নৈখন কিছু আতৰি যোৱাত তাত যিবিলাক চৰ ওলাইছে সেই চৰ বিলাকত আজি ২/৩ বছৰৰ ভিতৰত হাজাৰ হাজাৰ জুপুৰীঘৰ সাজিছে। সেই অঞ্চলত ঘাহ-বন নাইকীয়া হৈছে। এই ঘৰবিলাক কোনো ভূমিহীন লোকৰ নহয়। হাবিৰ মাজত মাছ ধৰা আৰু গড় ব্যৱসায় কৰা লোক সকলৰ দ্বাৰা এই জুপুৰী ঘৰবিলাক গঢ়ি উঠিছে। কাজিৰঙা অভয়াৰণ্যৰ ৰক্ষনা-বেক্ষনৰ কাৰণে চৰকাৰে বহুত চেষ্টাই কৰিছে কিন্তু এই ৰক্ষনাবেক্ষনৰ কাৰণে উচ্ছেদকাৰ্য্যও ইয়াৰ এটা কাৰণ। আমাৰ মাননীয় সদস্য শ্ৰীদুৰ্গাদাস বড়োৱে কাজিৰঙা অভয়াৰণ্যৰ বিষয়ে বহুত কথাই কৈছে ময়ো অৱশ্যে অতিৰঞ্জিত এটা প্ৰশ্নৰ যোগে এই কথাবিলাক উত্থাপন কৰিছিলো আৰু তাৰ প্ৰত্যুত্তৰো পাইছো। গতিকে কাজিৰঙা অভয়াৰণ্যক ৰক্ষনাবেক্ষন কৰিবলৈ

হলে আমি অনতিপলমে ব্ৰহ্মপুত্ৰৰ পাৰৰ এই অস্থায়ী মাছ ব্যৱসায়ী সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ এই লোকসকলেই হাবিত গড়ৰ কাৰণে গাত দিয়া আৰু চোৰাং চিকাৰীৰ আশ্ৰয়ৰ স্থল। মই এই কথা বাৰম্বাৰ কৈ আছো। আনহাতে এই অঞ্চলত যিবিলাক ধাৰা গঢ়ি উঠিছে ৰাস্তাৰ দুয়ো দাতিত এই বিলাকো চোৰাং চিকাৰীৰ আশ্ৰয়ৰ স্থল। অৱশ্যে এই ধাৰা বিলাকৰ অনুমতি উপায়ুক্ত সকলে দিয়ে সেয়ে মই উপায়ুক্ত সকলকো কৈছো যাতে কহবাৰ পৰা জখলাবন্ধালৈ এই অঞ্চলত ধাৱাৰ কাৰণে কাকো অনুমতি নিদিয়ে। ইয়াৰ লগে লগে আমি আৰু এটা কথা দেখিছো যে দুই এজন চোৰাং চিকাৰী ধৰা পৰিছে তেওঁলোক নগালেণ্ড আদি ঠাইৰ বিভিন্ন চোকা আৰু আধুনিক অস্ত্ৰ-সস্ত্ৰেৰে সুসজ্জিত। তেওঁ লোকৰ লগত মোকাবিলা কৰিব পৰাকৈ আমাৰ বন বিভাগৰ কোনো অস্ত্ৰ-সস্ত্ৰ নাই। গতিকে আমাৰ বনৰক্ষী বাহিনীটো শক্তিশালী কৰাৰ প্ৰয়োজন হৈ পৰিছে।

এতিয়া আৰু মই দুই এটা বিভাগৰ বিষয়ে কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। আমাৰ মাননীয় দুয়োপক্ষৰ সদস্যই কৃষিৰ কথা কৈছে। কৃষিয়ে হ'ল আমাৰ মূল ভেটি। এই কৃষিৰ ওপৰত ভিত্তি কৰিয়ে আমাৰ দেশৰ বুনিয়াদ গঢ়িব লাগিব আৰু নিবনুৱা সমস্যা সমাধান কৰিব লাগিব। এই কৃষিৰ আমি তিনিটা দিশলৈ লক্ষ্য কৰিব লাগিব। ভূমি নীতি, জলসিঞ্চন আৰু আধুনিক সা-সজুলি। আমি আমাৰ কলেজীয়া বা উচ্চ শিক্ষিত ডেকা সকলক কৃষিৰ প্ৰতি আকৃষ্ট কৰিবলৈ হলে আমি এই কেইটা দিশত গুৰুত্ব দিব লাগিব আৰু অন্য কথা বাদ দি কৃষিৰ প্ৰতি তেওঁলোকক ঘূৰাই আনিব লাগিব। আমি যদি এই লাইনত আচনি প্ৰস্তুত কৰিব পাৰো তেনেহলে তেওঁলোক ঘূৰি অহাৰ আশা আছে। ১৯৭৩ চনত কৃষি বিভাগে এটা ভাল আচনি লৈছিল—কৃষিপাম নিগমৰ মাধ্যমেৰে ভূমি হীনত সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছিল। পাছৰ কেইবছৰত ই অৱশ্যে ভেকোভাওনাত পৰিণত হ'ল। গতিকে এতিয়াও কৃষিপাম বিলাক শক্তিশালী কৰি তাত আধুনিক পদ্ধতিৰ সা-সজুলি দি কিছু নিবনুৱা সমস্যা সমাধানৰ চেষ্টা কৰিব লাগে। এই কৃষিপাম বিলাকত পশুপালন মৎস্যপালন আদি কিছুমান আচনি লোৱাৰ ব্যৱস্থা কৰিব লাগে। গোটেই বিলাক আচনি কৃষি ভিত্তিক হব লাগে আৰু আচনি বিলাক সুসংহত হব লাগে। অসমত কৃষিৰ ক্ষেত্ৰত আজি আৰু আগৰ বতৰ নাই। অসমৰ বতৰ সলনি হৈছে।

গতিকে পৰ্য্যাপ্ত পৰিমাণৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। আমি যোৱা বানপানীৰ পাছত ৰবিশস্যৰ ক্ষেত্ৰত দেখিছো জলসিঞ্চন ব্যৱস্থাৰ কাৰণে ৰবিশস্য আশা কৰা মতে ফলপ্ৰসূ নহ'ল। গতিকে জলসিঞ্চন ভূমিনীতি একেলগে হব লাগে। যিবিলাক চিলিং চাৰপ্লাচ লেণ্ড আছে সেইবিলাক খেতিৰ উপযোগী কৰি সমবায় ভিত্তিত বা অন্য উদ্যোগ আদি কাৰণে নিবনুৱা যুৱক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক দায়েৰী ফাৰ্ম্ম হলেও খুলি দিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যিটো এটা ডাঙৰ সমস্যা হৈ দেখা দিছে। সেইটো হৈছে এই প্ৰাক প্ৰাথমিক বিদ্যালয় সমূহ। আমাৰ যিবিলাক ৪ৰ পৰা ৬ বছৰীয়া লৰা ছোৱালী আছে তেওঁ লোক বৰ অসুবিধাৰ সন্মুখীন হৈছে। তেওঁলোকে প্ৰাথমিক বিদ্যালয়তো নাম ভৰ্ত্তি কৰিব নোৱাৰে বা প্ৰাক প্ৰাথমিক বিদ্যালয় খোলাৰো ব্যৱস্থা নাই। গতিকে হয় তেওঁলোকক প্ৰাথমিক বিদ্যালয় খোলাৰ অনুমতি দিব লাগে নহয় প্ৰাথমিক বিদ্যালয় বিলাকতে আৰু এটা তলৰ শ্ৰেণী খুলি দিব লাগে। (সময়ৰ সংকেট) মই আৰু বেছি কথা কব খোজা নাই কব-লগীয়া থাকিলেও সময়ৰ অভাৱত অধ্যক্ষ ডাঙৰীয়াই সংকেট বজাইছে। মোৰ এটাই কথা আমি যিয়ে নকৰো কিয় নিৱনুৱা সমস্যা সমাধান কৰিবলৈ হলে আমি পশুপালন বা মৎস্যপালন আদি আচনিত বেছি গুৰুত্ব দিব লাগিব। এইখিনি পৰামৰ্শকে আগবঢ়াই মই পুনৰবাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীছহিদুল ইছলাম—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাৰ ওপৰত সংশোধনী আনিছো, বিৰোধিতা কৰিছোঁ। ৰাজ্যপালৰ ভাষণৰ ওপৰত তাত থকা কথাৰ ওপৰত বিতৰ্ক আনিব খুজিছোঁ। এই ভাষণত যিবোৰ কথা আছে সেইবোৰ গতানুগতিক ভাৱে আগৰপৰা চলি আহিছে, আগতেও আছিল এতিয়াও আছে। একো পৰিবৰ্ত্তন নাই। আজি অসমৰ যি বৈচিত্ৰ, অসমৰ যি মানচিত্ৰ তাৰ লগত অসমৰ ঐতিহ্যৰ লগত ইয়াৰ সমাঞ্জস্য নাই। অসমৰ যি তেল তাৰ ৰয়েলিটীৰ কথা, অসমৰ বিখ্যাত চাহ শিল্পৰ কথা এই ভাষণত নাই। আকৌ গুৱাহাটী মহানগৰী আৰু অসমৰ

*Speech not corrected.

যিবোৰ নগৰ আছে, মুই কাশ্মীৰৰ পৰা কন্যাকুমাৰলৈ গোৱাদমন ডিউৰ পৰা শদিয়ালৈ নিজে চাই আহিছোঁ৷ অসমৰ এই নগৰবোৰ বা গুৱাহাটী মহানগৰীৰ ঐতিহ্য ৰক্ষা বা তাৰ পুনৰ গঠনৰ কথা ইয়াত নাই। ব্ৰহ্মপুত্ৰ নদী এটা জ্বলন্ত সমস্যা, এই সমস্যা বা অন্যান্য সমস্যা সহজে সমাধান কৰাৰ কথা ৰাজ্যপালৰ ভাষণত নাই। আকৌ অসমত যি চুনশিল কয়লা, বিভিন্ন পাথৰ বা চিমেণ্ট কাৰখানাৰ কথা ইয়াত নাই। বনৰ আপুৰুগীয়া সম্পদ গড়, আগৰ আদি আছে ইয়াৰ আগৰ ১ তোলাৰ দাম ৩ হাজাৰ টকা কিন্তু এতোলা সোণৰ দাম ২৫০০ টকা। এই আগৰ সম্পদৰ কথা ইয়াত নাই। আকৌ এইবোৰৰ নীলাম বজাৰ ইয়াত নাই। এইবোৰ ৰাজ্যপালৰ ভাষণত আমি দেখা নাই। এই ধৰণৰ কিছুমান কথাৰ কাৰণে খিয়লা খিয়লীৰ সৃষ্টি হৈছে। আজি সম্প্ৰীতিৰ কথা কোৱা হৈছে কিন্তু বক্তৃতাৰ সম্প্ৰীতি নহয়। তাৰ কাৰণে এটা মুকলি মন লৈ আহিব লাগিব। সিদিনা চাউলখোৱা চাপৰিত যি অৱস্থা হৈছে মই নিজে দেখি আহিছোঁ। আমি অসমৰ পৰা সৰ্বদলীয় দল এটা গৈ এইটো চাই অহা উচিত সম্প্ৰীতিৰ কাৰণেই আৰু এইবিলাক ঘটনা যাতে অদূৰ ভৱিষ্যতে নহয় তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা লব লাগে।

তাৰোপৰি ইউ, এল, এফ, এ (আলফা)ৰ নাম বিভিন্ন ঠাইত যিবিলাক ডকাইতি হৈ সেই বিলাক যদি এতিয়াই বন্ধ কৰা নাযায় তেন্তে ভৱিষ্যতে ইয়াৰ পৰা বিপদ হব। বাংলাদেশতো এসময়ত ৰাজনৈতিক নেতাক হত্যা কৰা হৈছিল কিন্তু পিছত দেখা গল যে বিখ্যাত ৰাজনৈতিক নেতা শ্বেখ মুজিবুৰ ৰহমানকো খতম কৰি দিলে। গতিকে এই ডকাইতিবোৰ যাতে আৰু বাঢ়ি গৈ চূড়ান্ত অৱস্থা নাপায়গৈ তাৰ কাৰণে অঙ্কুৰতে শেষ কৰি দিব লাগে। আকৌ ৰাজ্যপালৰ ভাষণতো যিবোৰ কথা নাই সেইবোৰ কথাৰ ওপৰতো বিহিত ব্যৱস্থা যাতে লয় তাৰ বাবে অনুৰোধ কৰিলোঁ। কাৰণ অসমত যিবোৰ ৰাজনৈতিক হত্যা হল সেইবোৰ চি, বি, আই, ৰ হাতত পৰীক্ষামূলক ভাৱে হলেও দি চাওক। ভাৰত চৰকাৰ ফেইল নে অসম চৰকাৰ ফেইল পৰীক্ষা কৰি চোৱা ভাল। গতিকে কেচবোৰ চি, বি, আই, লৈ ৰেফাৰ কৰক।

আমি এটা মুকলি মন লৈ ঐক্যবদ্ধভাৱে আগবাঢ়িব নোৱাৰিলে অসমৰ ভৱিষ্যত অন্ধকাৰৰ ফালে আগুৱাই যাব। সেয়ে শান্তি, সম্প্ৰীতি আৰু প্ৰগতিৰ কাৰণেই মুকলি মন লৈ আগবাঢ়ি যোৱা উচিত।

শ্ৰীগুনীন হাজৰিকা—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ বাজেট

অভিভাষণৰ ওপৰত আমাৰ সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সুচক প্ৰস্তাৱ উত্থাপন কৰিছে মই সেইটোৰ সমৰ্থন কৰিছোঁ। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অসমৰ সামগ্ৰিক অৱস্থাৰ সুদৃঢ় প্ৰতিচ্ছবি এখনো প্ৰতিফলিত হৈছে। লগতে তাৰ মাজেদিয়েই আমাৰ চৰকাৰৰ কাৰ্য্য দক্ষতাৰ কথাও দাঙি ধৰিছে।

